Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, MAY 3, 2025 ■ শনিবাৰ, ১৯ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২৫ Guwahati, Assam ।। মূল্যঃ এটকা

## নিজ দেশৰ গৃহযুদ্ধৰ কথা পাহৰি অৱসৰপ্ৰাপ্ত সেনা বিষয়াৰ দম্ভালি

# চীনৰ সহায়ত উত্তৰ-পূব দখলৰ হুংকাৰ বাংলাদেশৰ

### পাকিস্তানক সমৰ্থন দিবলৈ গৈ উদ্ভট মন্তব্য

● প্ৰাক্তন মেজৰ ফজলুৰৰ মন্তব্যক লৈ অস্বস্তিত ইছনুছৰ চৰকাৰ, উক্ত মন্তব্যৰ বিৰোধিতা ঢাকাৰ



ঢাকা, ২ মে': "ভাৰতে যদি পাকিস্তানক আক্ৰমণ কৰে তেন্তে ভাৰতৰ উত্তৰ-পূবৰ সাতখন ৰাজ্য দখল কৰিব লাগিব বাংলাদেশে"- এনে বিস্ফোৰক মন্তব্যৰে পুনৰবাৰ দিল্লীৰ ফালে আঙুলি টোঁৱালে চুবুৰীয়া বাংলাদেশৰ ৩ নং পৃষ্ঠাত

## পঞ্চায়ত নিৰ্বাচন
## ১৪ জিলাত শান্তিপূৰ্ণভাৱে সম্পন্ন হ'ল ভোটগ্ৰহণ



ই-সংবাদ, ২ মে': শুকুৰবাৰে অনুষ্ঠিত হৈ যায় ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ ৪ নং পৃষ্ঠাত

## চলিয়েই আছে দুহেজাৰ টকীয়া নোটৰ উজান!

মুম্বাই, ২ মে': প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিমুদ্ৰাকৰণৰ ভেম চূৰ্ণ কৰি দুবছৰ পূৰ্বেই বজাৰৰ পৰা ২ নং পৃষ্ঠাত



## যোগীৰাজ্যত কৃষক নেতাক আক্ৰমণ

লক্ষ্ণৌ, ২ মে': উত্তৰ প্ৰদেশৰ মুজফ্ফৰনগৰত ভাৰতীয় কৃষক ইউনিয়নৰ ৰাষ্ট্ৰীয় প্ৰৱক্তা ৪ নং পৃষ্ঠাত

## ধুবুৰীৰ প্ৰচাৰ সভাত দিলে সকীয়নি
## পাকিস্তানৰ গুণ-গান গোৰাসকলৰ ঠেং ভাঙিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্বই



ই-সংবাদ, গোলকগঞ্জ-অভয়াপুৰী, ২ মে': ২৭ জনকৈ নিৰীহ ভাৰতীয় লোকক জম্মু- কাশ্মীৰৰ পেহেলগামত ইছলামিক সন্ত্ৰাসবাদীয়ে ৫ নং পৃষ্ঠাত

## ভিজিঞ্জামত প্ৰথমটো ডীপ ৱাটাৰ ছী-পৰ্ট মুকলি

### ৮৯০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ



তিৰুৱনন্তপুৰম, ২ মে': আজি কেৰালাৰ ভিজিঞ্জামত ভাৰতৰ প্ৰথমটো ডীপ ৱাটাৰ ট্ৰেন্সশ্বিপমেণ্ট বন্দৰ মুকলি কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এই বন্দৰটোৰে ৩ পৃষ্ঠাত

## ৰাষ্ট্ৰপতিলৈ চিঠি কংগ্ৰেছৰ

ই-সংবাদ, ২ মে': দেশৰ মুখ্য বিৰোধী দল কংগ্ৰেছৰ ৰোষত পৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত ৭ পৃষ্ঠাত


## 'প্ৰতিবাদ শূন্য' অসমত বিজেপি-অগপৰ প্ৰতিবাদ
## নলবাৰীত সাংসদ গৌৰৱ গগৈক ক'লা পতাকা প্ৰদৰ্শন



ই-সংবাদ ব্যুৰ', নলবাৰী, ২ মে': হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত চৰকাৰী স্কুল বন্ধ হৈ গৈ আছে, কিন্তু মদৰ দোকান অবাধ হাৰত ২ পৃষ্ঠাত চাওক

## পাক প্ৰধানমন্ত্ৰীৰ ইউটিউব চেনেল নিষিদ্ধ

### অব্যাহত ডিজিটেল যুদ্ধ



নতুন দিল্লী, ২ মে': জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত দুয়োখন ৪ নং পৃষ্ঠাত

## মানাহত ৩টা বন্যহস্তীক হত্যা চোৰাং চিকাৰীৰ

ই-সংবাদ, বৰপেটাৰোড, ২ মে': বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে নিতৌ বন বিভাগৰ সফলতা ২ পৃষ্ঠাত

## পেহেলগাম কাণ্ডৰ ভুক্তভোগীৰ আহ্বান
## মিছাকৈয়ে দোষাৰোপ কৰি হাৰাশাস্তি নকৰিব নিৰীহ কাশ্মীৰী-মুছলমানক!



নতুন দিল্লী, ২ মে': কাশ্মীৰৰ পেহেলগামত যোৱা ২২ এপ্ৰিলত সংঘটিত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে মুছলমান ৩ পৃষ্ঠাত চাওক

## প্ৰাসাদোপম ভৱনৰ বিশাল দুৰ্নীতি প্ৰসংগ!
## তুলিৰামক ক্লীনশ্বীট ভাৰতীয় জনতা পাৰ্টিৰ



ই-সংবাদ, ডিফু, ২ মে': সম্প্ৰতি অসমৰ ৰাজনীতিত চৰ্চিত হৈ থকা কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য শেষাংশ ৫ পৃষ্ঠাত



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নলবাৰীত সাংসদ গৌৰৱ গগৈক ক'লা

বৃদ্ধি পাইছে। আমি বহুত নিৰ্বাচন দেখিছোঁ । কিন্তু আৰক্ষী-প্ৰশাসনৰ বিষয়ববীয়াসকলক এনেদৰে কেতিয়াও নিৰ্বাচনত ৰাজনৈতিক অস্ত্ৰৰ দৰে ব্যৱহাৰ কৰা দেখা নাই। হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ দিনত প্ৰথমবাৰৰ বাবে আৰক্ষী-প্ৰশাসনক ব্যৱহাৰ কৰা দেখিছোঁ। ভয়-ভাবুকি নেওচি জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও সদস্যৰ বাবে আগবাঢ়ি আহি তেওঁলোকে প্ৰমাণ কৰি দিব বিচাৰিছে যে কংগ্ৰেছৰ প্ৰতিজন কৰ্মী একোটা বাঘ। এই মন্তব্য যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈৰ। আজি নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিষ্টুপুৰস্থিত শ্ৰীশ্ৰী বুঢ়াগোহাঁই থান শিৱ মন্দিৰ প্ৰাংগণত দুপৰীয়া ১২ বজাত অনুষ্ঠিত কংগ্ৰেছ দলৰ এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰদ্যুৎ কুমাৰ ভূঞাই আঁত ধৰা সভাখনত বিৰোধী দলপতি গৌৰৱ গগৈয়ে কয় যে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে মদৰ দোকান খুলি যুৱচামক বিপথে পৰিচালিত কৰিছে। আমাৰ দুখ লাগে। তেওঁ কয় যে অন্যায় আৰু অনিয়মৰ বিৰুদ্ধে মাত মাতিবলৈ হ'লে সদায় ৰাইজৰ লগত কংগ্ৰেছ দল থাকে। সংগ্ৰামৰ পৰা জন্ম হোৱা কংগ্ৰেছ দল। স্বাধীনতা সংগ্ৰাম কৰা একমাত্ৰ দল কংগ্ৰেছ। এয়া কংগ্ৰেছৰ ইতিহাস। সাংসদগৰাকীয়ে আৰু কয় যে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে পাঁচজনৰ উন্নয়ন বিচাৰে। সেয়া হ'ল মুখ্যমন্ত্ৰী নিজে, মন্ত্ৰী পীযুষ হাজৰিকা, অশোক সিংহল, জয়ন্তমল্ল বৰুৱা আৰু বিধায়ক মানৱ ডেকা। গগৈয়ে পুনৰ কয় যে তেওঁলোকৰ অহংকাৰৰ বাবে, কেলেংকাৰীৰ বাবে চকী এৰিব লাগিব। অহা ২০২৬ ৰ বিধানসভা নিৰ্বাচনত। অসমৰ ৰাইজে বিজেপি দলৰ চৰকাৰক বিদায় দিব বুলিও সদৰী কৰে। আজিৰ এই কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ সভাখনত নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰী, প্ৰাক্তন বিধায়ক তথা প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক অশোক শৰ্মা, প্ৰদেশ কংগ্ৰেছৰ সামাজিক মাধ্যমৰ ৰাজ্যিক অধ্যক্ষ ৰাতুল কলিতা, প্ৰাক্তন বিধায়ক চন্দ্ৰধৰ কলিতা, পশ্চিম বনভাগ জিলা পৰিষদৰ প্ৰাৰ্থী সংগীতা কলিতা দাস, ঘগ্ৰাপাৰ জিলা পৰিষদৰ প্ৰাৰ্থী বিজয় কুমাৰ তালুকদাৰ, পূব নলবাৰী আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী ৰমেন দাস, উত্তৰ-পূব খাতা আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী দিলীপ কুমাৰ ডেকা, সাগৰকুছি বিষ্টুপুৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী ফুলুমা ডেকা, ঘগ্ৰাপাৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী অনিতা দাস, চিপিআই (এম) ৰ সম্পাদক সনাতন বৈশ্য, প্ৰদেশ কংগ্ৰেছৰ কেইবাগৰাকী কাৰ্যনিৰ্বাহক, নলবাৰী জিলা কংগ্ৰেছৰ দিব্যজ্যোতি হালৈকে ধৰি বিষয়ববীয়া-কাৰ্যকৰ্তাসকলৰ লগতে যথেষ্টসংখ্যক লোকে নিৰ্বাচনী প্ৰচাৰ সভাখনত অংশগ্ৰহণ কৰে। আনহাতে গৌৰৱ গগৈৰ নিৰ্বাচনী ভাষণ চলি থকাৰ সময়তে সভাস্থলীৰ পৰা কিছু দূৰৈত একাংশ বিজেপি কৰ্মীয়ে পাকিস্তানী এজেন্ট গৌৰৱ গগৈ মুৰ্দাবাদ, পাকিস্তান মুৰ্দাবাদ আদি ধ্বনি দিয়া পৰিলক্ষিত হয়। তদুপৰি গৌৰৱ গগৈ দ্বিতীয়খন সভাৰ বাবে ধমধমালৈ গৈ থকা অৱস্থাত বালিতাৰাত বিজেপিৰ একাংশ কাৰ্যকৰ্তাই আগভেটি ধৰাৰ চেষ্টা কৰাত এক উত্তাল পৰিৱেশৰ সৃষ্টি হয় যদিও আৰক্ষীয়ে পৰিৱেশ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। পিছত সাংসদ গৌৰৱ গগৈয়ে ধমধমাত দ্বিতীয়খন জনসভাত অংশগ্ৰহণ কৰে। গৌৰৱৰ বিৰুদ্ধে এনেদৰে প্ৰতিবাদ কৰাত কংগ্ৰেছ ক্ষুণ্ণ হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মানাহত ৩টা বন্যহস্তীক হত্যা চোৰাং

গাবলৈ নিজ ফেচবুক একাউণ্টত ফটো শ্বেয়াৰ কৰি আহিছে। ৰাজ্যখনৰ চৰকাৰৰ সৈতে জড়িত বিজেপি দলৰ নেতাসকলে তেওঁলোকৰ চৰকাৰ অহাৰ পিছৰে পৰা অসমত বন ধ্বংস ৰোধ, চোৰাং চিকাৰীৰ চিকাৰ বন্ধ হোৱা বুলি দাবী কৰি আহিছে। কিন্তু বিজেপি নেতাসকলৰ এনে দাবীক ভেঙুচালি কৰি চোৰাং চিকাৰীয়ে তিনিটাকৈ প্ৰকাণ্ড হাতীক গুলীয়াই নিধন কৰিছে মানাহ ৰাষ্ট্ৰীয় উদ্যানত। ভাৰত-ভূটান সীমান্তৱৰ্তী মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পাণবাৰীৰ পালেংচি বিটৰ পৰা কিছু নিলগত তিনিটাকৈ বন্যহস্তীক গুলীয়াই হত্যা কৰাৰ খবৰ পোহৰলৈ আহিছে। এই ঘটনাই সমগ্ৰ ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰকৃতিপ্ৰেমীসকলৰ মাজত ক্ষোভৰ সৃষ্টি কৰিছে। যিখন চৰকাৰে বনভূমি ৰক্ষা কৰাৰ লগতে চোৰাং চিকাৰ ৰোধ কৰা বুলি দাবী কৰি আহিছে সেইখন চৰকাৰৰ দিনতে তিনিটাকৈ বনৰীয়া বধ কৰা ঘটনাক সহজে ল'ব পৰা নাই প্ৰকৃতিপ্ৰেমীয়ে। জানিব পৰা মতে, আজি মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পাণবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ঘন জংঘলত তিনিটাকৈ মৃত হাতীৰ শৰীৰ উদ্ধাৰ হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ ঘন জংঘলত তিনিটা হাতী বধ কৰি চোৰাং চিকাৰীয়ে পেলাই থৈ যোৱাৰ সন্দেহ কৰা হৈছে। কিয়নো হাতীকেইটাৰ শৰীৰত আঘাতৰ বৃহৎ চিন স্পষ্ট বুলি দাবী কৰিছে এটা সূত্ৰই। এই ঘটনা চোৰাং চিকাৰীয়ে সংঘটিত কৰাৰ সন্দেহ কৰিছে যদিও এতিয়ালৈকে কোনধৰণৰ তথ্য পাবলৈ সক্ষম হোৱা নাই বন বিভাগ। ঘটনা পোহৰলৈ অহাৰ পিছতে বন বিভাগৰ বৃহৎ দলে অভিযান আৰম্ভ কৰিছে। ইতিমধ্যে পাণবাৰী বন বিভাগৰ বৃহৎ দল ঘটনাস্থলীত উপস্থিত হৈ চোৰাং চিকাৰীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰা দেখা গৈছে। পাণবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত চোৰাং চিকাৰীয়ে তিনিটা হাতী নিধন কৰাৰ খবৰে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই খবৰে প্ৰকৃতিপ্ৰেমীক শোকাহত কৰিছে। চৰকাৰে বিভিন্ন সময়ত বন্য জীৱ-জন্তুৰ সুৰক্ষাৰ কথা কোৱাৰ সময়তে পাণবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ঘন জংঘলত ঘটে এই ঘটনা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বজাৰত দুহেজাৰ টকীয়া নোটৰ উজান!

দুহেজাৰ টকীয়া নোট উলিয়াই নিয়াৰ ঘোষণা কৰিছিল ভাৰতীয় ৰিজাৰ্ভ বেংকে। কিন্তু ইয়াৰ পিছতো এতিয়াও বজাৰত 'ক'লা ধন'ৰ ৰূপত আবদ্ধ হৈ আছে বিপুল পৰিমাণৰ দুহেজাৰ টকীয়া নোট! ৰিজাৰ্ভ বেংকৰ শেহতীয়া পৰিসংখ্যা অনুসৰি বৰ্তমান সময়ত বজাৰত আবদ্ধ হৈ থকা দুহেজাৰ টকীয়া নোটৰ মুঠ পৰিমাণ হৈছে ৬,২৬৬ কোটি টকা। উল্লেখ্য যে, বিমুদ্ৰাকৰণৰ সময়ত 'ক'লা ধন' বন্ধ কৰাৰ দাবীৰে মোদী চৰকাৰে প্ৰচলন ঘটাইছিল দুহেজাৰ টকীয়া নোটৰ। কিন্তু এটিএমৰ পৰা এই নোট উলিয়াই খুচুৰা বিচাৰি ভীষণ হাৰাশাস্তিৰ সন্মুখীন হ'বলগা হয় সাধাৰণ জনতা। এনে পৰিপ্ৰেক্ষিততে ২০২৩ চনৰ ১৯ মে'ত ভাৰতীয় ৰিজাৰ্ভ বেংকে এই নোটৰ নতুন ছপা বন্ধ কৰি বজাৰত প্ৰচলিত সকলো নোট ওভতাই লোৱাৰ ঘোষণা কৰে। লক্ষ্যণীয়ভাৱে, সেই সময়ত মুঠ ৩.৫৬ লাখ কোটি টকাৰ দুহেজাৰ টকীয়া নোট প্ৰচলিত আছিল বজাৰত। শুকুৰবাৰে প্ৰকাশ পোৱা তথ্য অনুসৰি ২০২৫ চনৰ ৩০ এপ্ৰিললৈকে সেই নোটৰ পৰিমাণ ৬,২৬৬ কোটিলৈ হ্ৰাস পাইছে। অৰ্থাৎ ইতিমধ্যে ৯৮.২৪ শতাংশ নোট আৰবিআইয়ে ওভতাই পাইছে যদিও এতিয়াও বজাৰত আবদ্ধ বাকী প্ৰায় ২ শতাংশ নোট। অৱশ্যে এই নোটসমূহ এতিয়াও বৈধ বুলি স্পষ্ট কৰিছে আৰবিআইয়ে। বেংকৰ শাখাত ধন জমা বা বিনিময়ৰ সুবিধা বিগত বৰ্ষৰ ৭ অক্টোবৰলৈকে উপলব্ধ আছিল। তাৰ পিছত ৯ অক্টোবৰৰ পৰা সমগ্ৰ দেশৰ ১৯টা আৰবিআই ইছ্যু কাৰ্যালয়ত নথি-পত্ৰ জমা দিয়াৰ ব্যৱস্থা কাৰ্যকৰী হৈ উঠিছে। আৰবিআইয়ে সদৰী কৰা মতে, এতিয়াও সাধাৰণ মানুহে বা বিভিন্ন সংগঠনে ইচ্ছা কৰিলে সেই নোটবোৰ বেংক একাউণ্টত জমা দিব পাৰে। আনকি ডাকঘৰৰ জৰিয়তেও দেশৰ যিকোনো প্ৰান্তৰ পৰা আৰবিআইৰ ইছ্যু অফিচলৈ পঠিয়াই একাউণ্টত জমা দিয়াৰ সুবিধা প্ৰদান কৰা হৈছে। বিশেষজ্ঞসকলে সন্দেহ ব্যক্ত কৰা মতে, এতিয়াও আৰবিআইয়ে উভতাই নোপোৱা এই বুজন পৰিমাণৰ দুহেজাৰ টকীয়া নোটখিনি ক'লাধনৰ ৰূপত আছে। দুহেজাৰ টকীয়া নোট এতিয়াও জমা কৰাৰ ব্যৱস্থা অব্যাহত আছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰ-পূবত চকু বাংলাদেশৰ

অন্তৰ্বৰ্তীকালীন চৰকাৰৰ ঘনিষ্ঠ সহযোগী তথা প্ৰাক্তন সেনা বিষয়া মেজৰ জেনেৰেল (অৱসৰপ্ৰাপ্ত) এ এল এম ফজলুৰ ৰহমানে। উত্তৰ-পূব দখলৰ বাবে আহ্বান জনোৱাৰ সমান্তৰালভাৱে চীনৰ সৈতে যৌথ সামৰিক মিত্ৰতা গঢ়ি তোলাৰ পৰামৰ্শও মুকলিকৈ আগবঢ়ায় ফজলুৰ ৰহমানে। পাকিস্তানৰ আক্ৰমণৰ সুযোগ লৈ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল দখল কৰাৰ দৰে তেওঁ প্ৰদান কৰা এনে উচটনিমূলক বক্তব্যই কাৰ্যতঃ তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে কূটনৈতিক সমাজত। দৰাচলতে যোৱা মঙলবাৰৰ পৰা আৰম্ভ ঘটিছে এই বিতৰ্কৰ। ফজলুৰ ৰহমানে নিজৰ ফেচবুক পোষ্টত বাংলা ভাষাত এই প্ৰৰোচনামূলক বক্তব্য লিখিছে। তেওঁ স্পষ্ট ভাষাত কয় যে যদি ভাৰতে পাকিস্তানক আক্ৰমণ কৰে তেন্তে বাংলাদেশে উত্তৰ-পূবৰ সাতখন ৰাজ্য দখল কৰিব লাগিব। ইয়াৰ পিছত তেওঁ লিখিছে, “এই বিষয়ত চীনৰ সৈতে যৌথ সামৰিক পৰিকল্পনাৰ বিষয়ে আলোচনা কৰাটো প্ৰয়োজনীয়।” কিছু মুহূৰ্তৰ ভিতৰতে এই পোষ্টটো ভাইৰেল হৈ পৰে আৰু তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। উল্লেখ্য যে, ২০২৪ চনৰ ডিচেম্বৰ মাহত মহম্মদ ইউনুছৰ নেতৃত্বাধীন অন্তৰ্বৰ্তীকালীন চৰকাৰে ফজলুৰ ৰহমানক ২০০৯ চনৰ বিডিআৰ বিদ্ৰোহত সৈনিক হত্যাৰ তদন্তৰ বাবে গঠন কৰা ‘ৰাষ্ট্ৰীয় স্বতন্ত্ৰ আয়োগ’ৰ অধ্যক্ষ হিচাপে নিযুক্তি দিছিল। এনে পৰিপ্ৰেক্ষিতত চৰকাৰৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক থকা এগৰাকী প্ৰাক্তন সেনা বিষয়াৰ এনে মন্তব্যই দিল্লীৰ নিৰাপত্তা মহলতো যথেষ্ট উত্তেজনাৰ সৃষ্টি কৰিছে। অৱশ্যে ফজলুৰৰ এই মন্তব্যক লৈ উপমহাদেশীয় ভূ-ৰাজনীতিত তীব্ৰ বিতৰ্কৰ সূচনা হোৱাৰ পিছতে তেওঁৰ এই ব্যক্তব্যৰ পৰা ফালৰি কাটে ইউনুছ চৰকাৰে। বাংলাদেশৰ বৈদেশিক মন্ত্ৰালয়ে কয় যে, "এই মন্তব্যই চৰকাৰৰ স্থিতি বা দৃষ্টিভংগীক প্ৰতিনিধিত্ব নকৰে। বাংলাদেশ চৰকাৰে এনে বক্তব্যক কোনো ধৰণে সমৰ্থন বা সহযোগ নকৰে।" লগতে প্ৰাক্তন সেনা বিষয়াগৰাকীৰ এই 'ব্যক্তিগত মতামত'ক বাংলাদেশ চৰকাৰৰ স্থিতি বুলি ধৰি নল’বলৈও সকলোকে আহ্বান জনায় বৈদেশিক মন্ত্ৰালয়ে। লক্ষ্যণীয়ভাৱে, এই বিতৰ্কৰ পূৰ্বে যোৱা মাৰ্চ মাহত চীন ভ্ৰমণৰ সময়ত ইউনুছ নিজেই কেইবাটাও বিতৰ্কৰ মাজত সোমাই পৰিছিল। তাত এক ব্যৱসায়িক অনুষ্ঠানত ভাষণ দি তেওঁ কয়, "ভাৰতৰ উত্তৰ-পূব ৰাজ্যসমূহ ভূমি আবদ্ধ। বাংলাদেশেই সাগৰত উপনীত হোৱাৰ একমাত্ৰ পথ। ভাৰত মহাসাগৰৰ একমাত্ৰ ৰক্ষক আমিহে।" ইয়াৰ পিছত তেওঁ চীনক আবেদন জনায় যে, "চীনৰ সামগ্ৰী বাংলাদেশৰ জৰিয়তেহে বিশ্ব বজাৰত প্ৰৱেশ কৰিব পাৰিব।" ইয়াৰ পিছতে ভাৰত চৰকাৰ, বিৰোধী দলে সেই মন্তব্যক লৈ ক্ষোভ প্ৰকাশ কৰে। ইউনুছৰ মন্তব্যৰ প্ৰত্যুত্তৰত এপ্ৰিল মাহত ভাৰতে বাংলাদেশক প্ৰদান কৰা ট্ৰেন্সশ্বিপমেন্টৰ সুবিধাসমূহ প্ৰত্যাহাৰ কৰে। নতুন দিল্লীয়ে ঘোষণা কৰে যে নেপাল আৰু ভূটানৰ বাহিৰে আন কোনো দেশেই এই সুবিধা লাভ নকৰে। বিশ্ব ব্যৱসায় সংস্থাৰ চৰ্ত অনুসৰি স্থলপথত আবদ্ধ দেশসমূহৰ বাবে ৰেহাই বাধ্যতামূলক- গতিকে সেই সুবিধা কেৱল নেপাল আৰু ভুটানেহে পাব। উল্লেখ্য, হাছিনাৰ চৰকাৰৰ পতনৰ পিছৰে পৰা বাংলাদেশত সংখ্যালঘু বিশেষকৈ হিন্দুসকলৰ ওপৰত অহৰহ আক্ৰমণ আৰু নিৰ্যাতন চলোৱাৰ বাবে ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় সমালোচনাৰ সন্মুখীন হৈছে ইউনুছ চৰকাৰ। সেই পৰিস্থিতিত ভাৰতৰ অখণ্ডতাৰ বিৰুদ্ধে এনে এক উত্তেজক স্থিতি গ্ৰহণ কৰি এতিয়া ঢাকাই দক্ষিণ এছিয়ালৈ এক বিপজ্জনক বাৰ্তা প্ৰেৰণ কৰিছে- যিয়ে কেৱল সীমান্ততে নহয়, ভাৰত-চীন-বাংলাদেশৰ সম্পৰ্কৰ সামগ্ৰিক ছবিখনতো নতুন উত্তেজনাৰ ইংগিত দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মিছাকৈয়ে দোষাৰোপ কৰি হাৰাশাস্তি

আৰু কাশ্মীৰী লোকসকলক দোষাৰোপ কৰি হাৰাশাস্তি নকৰিবলৈ আহ্বান জনাইছে পেহেলগামত সন্ত্ৰাসবাদীৰ গুলীত নিহত নৌসেনা বিষয়া বিনয় নৰৱালৰ পত্নীয়ে। তেওঁ ন্যায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে শান্তিৰ আহ্বান জনাই প্ৰাৰ্থনা কৰে। উল্লেখ্য যে যোৱা বৃহস্পতিবাৰে ২৭ বছৰ বয়সত ভৰি থ’লেহেঁতেন বিনেশ নৰৱালে। সন্ত্ৰাসবাদী আক্ৰমণৰ মাত্ৰ এসপ্তাহ পূৰ্বে লেফটেনেণ্ট নৰৱালৰ সৈতে বিবাহপাশত হৈছিল হিমাংশী নৰৱাল। তেওঁ কয়, “মই নিবিচাৰো যে মানুহে মুছলমান আৰু কাশ্মীৰী লোকসকলক দোষাৰোপ কৰক। মই শান্তি আৰু কেৱল শান্তি বিচাৰো। অৱশ্যেই মই ন্যায় বিচাৰো। যিসকল লোকে অন্যায় কৰিছে তেওঁলোকক শাস্তি দিয়া উচিত।” হাৰিয়ানাৰ কৰ্নালত প্ৰয়াত বিষয়াগৰাকীৰ স্মৃতিত আয়োজন কৰা এক ৰক্তদান শিবিৰত এই মন্তব্য কৰে হিমাংশীয়ে। নৰৱালৰ ভগ্নী সৃষ্টিয়ে ৰক্তদান শিবিৰত অংশগ্ৰহণ কৰা লোকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। সৃষ্টিয়ে কয়, ‘যিসকল দূৰৰ পৰা যাত্ৰা কৰি ইয়ালৈ আহি ৰক্তদান কৰিছে, তেওঁলোক সকলোকে ধন্যবাদ জনাইছো। মানুহে উৎসাহেৰে ৰক্তদান শিবিৰলৈ আহিছে। চৰকাৰেও বহু কাম কৰিছে।’শিবিৰত ৰক্তদান কৰিবলৈ বেংগালুৰুৰ আৰু দিল্লীৰ পৰা বহু লোক আহিছে বুলিও তেওঁলোকে কয়। উল্লেখ্য, কৰ্নালস্থিত বেচৰকাৰী সংস্থা নেচনেল ইন্টিগ্ৰেটেড ফ’ৰাম অৱ আৰ্টিষ্ট এণ্ড এক্টিভিষ্ট (নিফা)ৰ উদ্যোগত এই শিবিৰৰ আয়োজন কৰা হয়। বিভিন্ন বক্তাই সভাত ভাষণ দি কয় যে প্ৰয়াত বিষয়াগৰাকীয়ে সেৱাত থকাৰ সময়ত নিষ্ঠাৰে জাতিটোৰ সেৱা আগবঢ়াইছিল আৰু তেওঁ চিৰদিনৰ বাবে সকলোৰে হৃদয়ত জীয়াই থাকিব। শিবিৰত ৰক্তদান কৰা উপস্থিতসকলৰ এজনে কয়, “নৰৱালৰ বলিদানৰ বাবে জাতিটো সদায় কৃতজ্ঞ হৈ থাকিব। আমি ৰক্তদান কৰি আমাৰ শ্ৰদ্ধাঞ্জলিহে দিব পাৰো কিন্তু তেওঁৰ মৃত্যুৰ ফলত সৃষ্টি হোৱা শূন্যতা কোনেও পূৰণ কৰিব নোৱাৰে।”

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভিজিঞ্জামত মুকলি প্ৰথমটো ডীপ ৱাটাৰ

ভাৰতক বিশ্বব্যাপী জাহাজ পৰিবহন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দিশত আগবঢ়াই নিব বুলি আশা কৰা হৈছে। কেৰালাৰ ভিজিঞ্জামৰ আন্তৰ্জাতিক গভীৰ পানী সাগৰবন্দৰটো ১৯৯১ চনত ধাৰণা কৰা হৈছিল আৰু ২০২৫ চনত ইয়াৰ বৰ্তমানৰ কাৰ্যকৰী স্থিতিত উপনীত হ’বৰ বাবে প্ৰকল্পটোৱে আইনী, পাৰিপাৰ্শ্বিক, লজিষ্টিকৰ পৰা বিত্তীয় সমস্যালৈকে বহুতো বাধা অতিক্ৰম কৰিবলগীয়া হয়। ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্ব ম’ডৰ অধীনত ৮৯০০ কোটি টকা ব্যয়েৰে নিৰ্মিত বন্দৰটো আদানি গোটে পৰিচালনা কৰে আৰু কেৰালা চৰকাৰৰ ইয়াত সংখ্যাগৰিষ্ঠ অংশীদাৰিত্ব আছে। প্ৰকল্পটো কাৰ্যকৰী হোৱাৰ লগে লগে দেশৰ জাহাজ উদ্যোগত বিপ্লৱৰ সূচনা হোৱাৰ সম্ভাৱনা আছে, যাৰ ফলত দেশৰ বছৰি ২২০ নিযুত ডলাৰ ৰাহি হ’ব। ট্ৰেন্সশ্বিপমেণ্ট প’ৰ্ট হৈছে এনে এটা বন্দৰ য’ত টাৰ্মিনেল আছে আৰু জাহাজবোৰ গন্তব্যস্থানত উপস্থিত হোৱাৰ আগতে কাৰ্গো পাত্ৰবোৰ এখন জাহাজৰ পৰা আন এখনলৈ স্থানান্তৰ কৰা হয়। এই বন্দৰবোৰ বৃহৎ পৰিমাণৰ আন্তৰ্জাতিক কাৰ্গো প্ৰক্ৰিয়াকৰণৰ বাবে ব্যৱহাৰ কৰা হয়, যিটো কৰিবলৈ ভাৰতে ইয়াৰ পূৰ্বে কলম্বোৰ দৰে বিদেশী বন্দৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছিল। ভাৰতত এনে আন্তঃগাঁথনিৰ অভাৱৰ ফলত পৰিবহন দীঘলীয়া বিলম্বিত আছিল। সেই সমস্যাটো এতিয়া ভিজিঞ্জাম ডীপ ৱাটাৰ ট্ৰেন্সশিপমেণ্ট বন্দৰৰ দ্বাৰা সমাধান হ’ব। দেশখনত গভীৰ পানীৰ ট্ৰেন্সশিপমেণ্ট বন্দৰ অবিহনে ভাৰতৰ ৭৫ শতাংশ ট্ৰেন্সশিপমেণ্ট কাৰ্গো শ্ৰীলংকা, ছিংগাপুৰৰ কলম্বো আৰু ইউএই-ৰ জেবেল আলীৰ দৰে বিদেশী বন্দৰৰ জৰিয়তে আহে। ইয়াৰ ফলত পৰিবহনত সময় অধিক লাগে আৰু ঘৰুৱা ব্যৱসায়ীসকলে প্ৰতিটো কণ্টেইনাৰৰ বাবে অতিৰিক্ত ৮০ ৰ পৰা ১০০ ডলাৰ খৰচ কৰিবলগীয়া হয়। ভাৰতে নিজৰ কাৰ্গোৰ জৰিয়তে বছৰি অতিৰিক্ত ২২০ নিযুত ডলাৰ উপাৰ্জন কৰাৰ সম্ভাৱনা আছে। ধনৰ দিশৰ উপৰিও, ট্ৰেন্সশ্বিপমেণ্ট কাৰ্গো পৰিচালনাৰ বাবে আন্তঃগাঁথনি থাকিলে ভাৰতৰ যোগান শৃংখলাবোৰক সাম্ভাব্য ভূ-ৰাজনৈতিক আঘাতৰ পৰা সুৰক্ষিত কৰিব পৰা যাব। বন্দৰৰ অৱস্থানটো ইয়াক আন্তৰ্জাতিক জাহাজ চলাচল পথৰ ওচৰত আছে, যাৰ ফলত ভাৰতৰ বাবে ২০,০০০ পাত্ৰৰ ওপৰৰ ক্ষমতাৰ ডাঙৰ কাৰ্গো জাহাজসেৱা কৰা সম্ভৱ হ’ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৪ জিলাত শান্তিপূৰ্ণভাৱে সম্পন্ন হ'ল

প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ। তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত সম্পন্ন হয় প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ। পুৱা ৭ বজাত আৰম্ভ হোৱা এই ভোট গ্ৰহণ বিয়লি ৪ বজাত অন্ত পৰে। দুই-এক স্থানত বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বিপৰীতে কেবাখনো জিলাত শান্তিপূৰ্ণভাৱে সম্পন্ন হয় ভোটগ্ৰহণ। সম্পূৰ্ণ বেলট পেপাৰৰ দ্বাৰা এই ভোট গ্ৰহণ প্ৰক্ৰিয়া হৈ যায়। বিয়লি ৪ বজালৈ ধেমাজীত ৫৪.২১%, কাছাৰত ৫৫.০৪%, তিনিচুকীয়াত ৫৩.৮৬%, শ্ৰীভূমিত ৫৫.৩৬% শিৱসাগৰত ৫৫.২৪%, হাইলাকান্দিত ৫৮.২২%, ডিব্ৰুগড়ত ৫৬.৪০%, শোণিতপুৰত ৫৩.৮০%, লখিমপুৰত ৫৪.৫৫%, মাজুলীত ৫৪.৩০%, গোলাঘাটত ৫৬.৫০%, বিশ্বনাথত ৫০.২৬% আৰু চৰাইদেউ জিলাত ৫৭.৪০% ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰে। উল্লেখ্য যে ভোট গ্ৰহণৰ মাজতে মাজুলী জিলাত সংঘটিত হয় অপ্ৰীতিকৰ পৰিস্থিতি। আহতগুৰিৰ কাঁচিকতা আদৰ্শ এম ই স্কুলৰ তিনি নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰত কিছু কংগ্ৰেছ কৰ্মীয়ে বেলট পেপাৰ ফালি পেলোৱাৰ লগতে ভোটগ্ৰহণ কেন্দ্ৰৰ পৰা বেলট বাকচ লৈ যায়। যাৰ ফলত কেন্দ্ৰটোত হাতাহতিৰ পৰিস্থিতিৰ সৃষ্টি হয়। ইপিনে গোলাঘাট জিলাৰ মৰঙীৰ পাতকটিয়া গাঁৱৰ ভোটকেন্দ্ৰত ভোট দিবলৈ আহি থকা অৱস্থাত এখন মটৰ চাইকেলৰ খুন্দাত ৰেৱতী দাস নামৰ এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ ফলত ভোট কেন্দ্ৰটোত এক হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হয়। আনহাতে, শিৱসাগৰ জিলাৰ দিছাংমুখ গাঁও পঞ্চায়তৰ ৫ নং ৱাৰ্ডৰ ৩৭২ টা অনুসূচিত জাতিৰ ভোট মিচিং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত ৬ নং ৱাৰ্ডত অন্তৰ্ভুক্ত কৰাৰ প্ৰতিবাদত ভোটাৰসকলে ভোট বৰ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে কাছাৰৰ সিদ্ধেশ্বৰ জিলা পৰিষদৰ গংগাপুৰ ৮ নম্বৰ ৱাৰ্ডৰ ৰাইজে ভোট কেন্দ্ৰ কৰ্তনৰ প্ৰতিবাদত ভোট বৰ্জন কৰে । ঠিক একেদৰে, ধেমাজিৰ জোনাই গাঁও পঞ্চায়তৰ অন্তৰ্গত ৯ নং ৱাৰ্ডৰ মিলনপুৰ মুকলিপথাৰৰ অৰ্ধশতাধিক লোকে অঞ্চলটোত এখন দলং নিৰ্মাণ কৰি নিদিয়াৰ প্ৰতিবাদত ভোট বৰ্জন কৰা বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰি গোগামুখৰ মহৰি কেম্প প্ৰাথমিক বিদ্যালয়ৰ ১৫৯ নং ভোট কেন্দ্ৰত সংঘটিত হয় আন এক আজব ঘটনা। গোগামুখৰ চিকুগুৰ মিলি নামৰ এজন ব্যক্তিৰ প্ৰথমা পত্নী মাইনা মিলিৰ হৈ তেওঁৰ দ্বিতীয় পত্নীয়ে ভোট সাব্যস্ত কৰে। ইয়াৰ পিছত মইনা মিলিয়ে অভিযোগ দিয়াৰ পিছত তেওঁক পুনৰ ভোট দিবলৈ দিয়া হয় যদিও ভোট কেন্দ্ৰটোত ইয়াকে লৈ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। এনেদৰেই পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণত অসমৰ বিভিন্ন জিলাৰ বহু ভোট কেন্দ্ৰত বহুতো বিক্ষিপ্ত ঘটনা ঘটা দেখা পোৱা গ'ল। উল্লেখ্য যে ৭ মে'ত বাকী থকা জিলাকেইখনত অনুষ্ঠিত হ'ব দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোট গ্ৰহণ। প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ চলি থকাৰ মাজতে বাকী কেইখন জিলাত নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ থকা দেখিবলৈ পোৱা গ'ল শাসক-বিৰোধী ৰাজনৈতিক দল সমূহৰ নেতা-কৰ্মীসকলক। কোনে শেষ হাঁহি মাৰিব সেয়া ১১ মেত জানিব পৰা যাব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতত বন্ধ হ'ল পাক প্ৰধানমন্ত্ৰীৰ

দেশৰ মাজত চলি থকা উত্তেজনাৰ মাজতে আজি ভাৰতত পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফৰ ইউটিউব চেনেল আৰু ইনষ্টাগ্ৰাম একাউণ্ট বন্ধ কৰি দিয়া হয়। পাক প্ৰধানমন্ত্ৰীৰ ইউটিউব চেনেল খুলিলে এতিয়া ভাৰতীয় লোকে দেখা পাব এখন ব্লক স্ক্ৰীন য'ত লিখা আছে- "ৰাষ্ট্ৰীয় সুৰক্ষা বা ৰাজহুৱা শৃংখলা সম্পৰ্কীয় চৰকাৰৰ নিৰ্দেশৰ বাবে এই দেশত সমল বৰ্তমান উপলব্ধ নহয়। চৰকাৰী অপসাৰণ অনুৰোধৰ বিষয়ে অধিক বিৱৰণৰ বাবে অনুগ্ৰহ কৰি গুগল স্বচ্ছতা প্ৰতিবেদন দৰ্শন কৰক"। এই বিশেষ বাৰ্তাটোৱে সম্প্ৰতি পাকিস্তানৰপৰা ভাৰতে অৱলম্বন কৰা সতৰ্কতামূলক দূৰত্বক স্পষ্টকৈ প্ৰতিনিধিত্ব কৰিছে। আনহাতে যদি কোনোবাই তেওঁৰ ইনষ্টাগ্ৰাম একাউন্ট খুলিববলৈ চেষ্টা কৰে তেন্তে এটা বাৰ্তাত এইদৰে কোৱা হৈছে-"ভাৰতত একাউন্টটো উপলব্ধ নহয়। ইয়াৰ কাৰণ হৈছে আমি এই সমলটো সীমিত কৰাৰ বাবে আইনী অনুৰোধ ৰক্ষা কৰিছোঁ"। উল্লেখ্য যে, চৰকাৰে এই সপ্তাহৰ আৰম্ভণিতে ভাৰতৰ বিষয়ে "মিছা, উচতনিমূলক আৰু সাম্প্ৰদায়িকভাৱে সংবেদনশীল সমল" প্ৰচাৰ কৰাৰ অভিযোগত ১৬ টা পাকিস্তানী ইউটিউব চেনেল বন্ধ কৰিছিল আৰু পেহেলগাম আক্ৰমণ সন্দৰ্ভত বিবিচিৰ প্ৰতিবেদনৰ ওপৰতো তীব্ৰ আপত্তি দৰ্শাইছিল। ২২ এপ্ৰিলত কাশ্মীৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত ২৬ জন লোক নিহত হোৱাৰ পৰিপ্ৰেক্ষিতত গৃহ মন্ত্ৰালয়ৰ পৰামৰ্শ অনুসৰি চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। এতিয়ালৈকে ব্লক কৰা ইউটিউব চেনেলবোৰ হৈছে- ডন নিউজ, ইৰশাদ ভাট্টি, চামা টিভি, এআৰআই নিউজ, বোল নিউজ, ৰাফটাৰ, দ্য পাকিস্তান ৰেফাৰেন্স, জিঅ' নিউজ, চামা স্পৰ্টছ, জিএনএন, উজাইৰ ক্ৰিকেট, উমাৰ চিমা এক্সক্লুছিভ, আসমা শিৰাজী, মুনীব ফাৰুক, চুনো নিউজ আৰু ৰাজি নাম। ইয়াৰ উপৰিও গায়ক আতিফ আছলাম, ক্ৰিকেটাৰ শ্বাহিদ আফ্ৰিদি আৰু বাবৰ আজম, অভিনেতা ফাৱাদ খান, হানিয়া আমিৰ আৰু মাহিৰা খানকে ধৰি কেইবাজনো পাকিস্তানী চেলিব্ৰিটিৰ ইনষ্টাগ্ৰাম একাউণ্টো ভাৰতত বন্ধ কৰা হৈছে। ২৩ এপ্ৰিলত ভাৰতে পাকিস্তানৰ সৈতে কূটনৈতিক সম্পৰ্ক হ্ৰাস কৰাৰ সিদ্ধান্ত লয় আৰু পাকিস্তানী সামৰিক এটাচিক বহিষ্কাৰ কৰা, ছয় দশক পুৰণি সিন্ধু জল চুক্তি স্থগিত কৰা আৰু আটাৰী ভূমি-পৰিবহন প'ষ্ট তাৎক্ষণিকভাৱে বন্ধ কৰাকে ধৰি কেইবাটাও পদক্ষেপ ঘোষণা কৰে। ইয়াৰ প্ৰতিশোধ স্বৰূপে, পাকিস্তানে ভাৰতীয় বিমানৰ বাবে ইয়াৰ আকাশসীমা বন্ধ কৰি দিছে আৰু তৃতীয় দেশৰ মাজেৰে পৰোক্ষ বাণিজ্যকে ধৰি সকলো বাণিজ্য বন্ধ কৰি দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কৃষক নেতা ৰাকেশ টিকাইক আক্ৰমণ,

চৌধুৰী ৰাকেশ টিকাইৰ সৈতে ভয়ংকৰ কাণ্ড সংঘটিত হয়। জন আক্ৰোশ যাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ ল'বলৈ অহা ভাৰতীয় কৃষক ইউনিয়নৰ ৰাষ্ট্ৰীয় প্ৰবক্তা চৌধুৰী ৰাকেশ টিকাইৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি একাংশ লোকে আক্ৰমণ কৰিবলৈ উদ্যত হয়। ফলত পাগুৰি খুলি পৰে। 'গুলী মাৰৌ চালেকৌ' বুলি শ্ল'গান দি হেঁচা-ঠেলা কৰাৰ সময়ত মূৰৰ পৰা পাগুৰি খুলি পৰে। পৰিস্থিতি উত্তপ্ত হোৱাত আৰক্ষীয়ে তেওঁক নিৰাপত্তা বেষ্টনীৰ সৈতে আঁতৰাই নিয়ে। এই ঘটনা মুজফ্‌ফৰনগৰৰ টাউন হল ময়দানত সংঘটিত হয়। য'ত পাকিস্তানৰ বিৰুদ্ধে বিভিন্ন হিন্দু সংগঠনৰ উদ্যোগত এক জন আক্ৰোশ ৰেলী অনুষ্ঠিত হৈছিল। এই অনুষ্ঠানত টিকায়ে মাইক লৈ ভাষণ দিয়াৰ চেষ্টা কৰোঁতেই কিছু লোকে চিঞৰ-বাখৰ আৰম্ভ কৰে। বিক্ষোভকাৰীসকলে টিকাইৰ বিৰুদ্ধে বিৰোধ কৰি শ্ল'গান দিবলৈ আৰম্ভ কৰে। জানিব পৰা মতে, বিৰোধ তীব্ৰ হোৱাত ভাৰতীয় কৃষক ইউনিয়নৰ কৰ্মী আৰু আৰক্ষীয়ে টিকাইক নিৰাপত্তাৰ সৈতে স্থানান্তৰ কৰাৰ চেষ্টা কৰে। এই সময়তে এজন যুৱকে পতাকা লৈ তেওঁৰ মূৰত আক্ৰমণ কৰাৰ চেষ্টা কৰে যদিও সহযোগীসকলে সেই চেষ্টা ব্যৰ্থ কৰে। আক্ৰমণ কৰিবলৈ একাংশ লোকে আগুৱাই অহাত এজন লোকে হাতেৰে তেওঁৰ পাগুৰি ধৰিবলৈ অহাত খহি পৰে। যাক পিছত পুনৰ পিন্ধোৱা হয়। আৰক্ষী অধীক্ষক সত্যনাৰায়ণ প্ৰজাপতি ঘটনাস্থলীত উপস্থিত হৈ টিকাইক সুৰক্ষিতভাৱে উলিয়াই নিয়ে। এই প্ৰতিবাদৰ মূল প্ৰেক্ষাপট হৈছে পেহেলগামত সংঘটিত উগ্ৰপন্থী আক্ৰমণক লৈ ৰাকেশ টিকায়ে দিয়া মন্তব্য। এক মন্তব্যত তেওঁ কৈছিল, "চোৰ আপোনাৰ মাজতেই আছে, পাকিস্তানত নহয়... যিয়ে হিন্দু-মুছলমান কৰিছে, সেই উত্তৰ তাৰ ওচৰত আছে। এই মন্তব্যৰ পিছতে বহু সংগঠনে তেওঁক ষড়যন্ত্ৰক সহানুভূতি দেখুওৱা বুলি অভিযোগ তোলে। ঘটনাৰ তীব্ৰ প্ৰতিবাদ জনাই ভাৰতীয় কৃষক ইউনিয়নে মুজফ্‌ফৰনগৰত ট্ৰেক্টৰ মাৰ্চৰ ঘোষণা কৰিছে। টিকায়ে নিজে কয় যে এই জন আক্ৰোশ যাত্ৰা ষড়যন্ত্ৰমূলকভাৱে আয়োজন কৰা হৈছিল। এইটো কৃষক আন্দোলনক দমন কৰাৰ ষড়যন্ত্ৰ। আৰক্ষীয়ে নিজৰ দায়িত্ব পালন কৰিব লাগিব। ভিডিঅ' ফুটেজ উপলব্ধ আছে। এই ট্ৰেক্টৰ মাৰ্চ সকলোৰে সহযোগত হ'ব। এই ঘটনাই উত্তৰ প্ৰদেশৰ ৰাজনৈতিক আৰু সামাজিক পৰিৱেশত বিতৰ্কৰ সঞ্চাৰ কৰিছে। এই ঘটনাত অনেকেই উদ্বেগ প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানৰ গুণ-গান গোৱাসকলৰ ঠেং

নৃশংসভাৱে হত্যা কৰিছে। মোদী ডাঙৰীয়াই এই হত্যাকাৰীসকলক, সন্ত্ৰাসবাদীসকলক পৃথিৱীৰ য'তেই আছে বিচাৰি উলিয়াই শাস্তি দিব। তাৰ বাবে মোদী ডাঙৰীয়াক ভগৱানে শক্তি দিয়ক, সাহস দিয়ক। সেনাবাহিনীৰ জোৱানসকলকো শক্তি দিয়ক। এই মন্তব্য মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাৰ। আজি বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাত আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ চলোৱাৰ অৰ্থে অনুষ্ঠিত ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী ড°শৰ্মাই আকৌ কয় যে পাকিস্তানীবিলাক যেনেকৈ সন্ত্ৰাসবাদী তেনেকৈ আমাৰ অসমত, ভাৰতত আনকি নিজৰ ঘৰতো বহু পাকিস্তানী আছে। এই কেইদিনত ফেচবুক, ছ'চিয়েল মিডিয়াত পাকিস্তান জিন্দাবাদ দিয়া মানুহ পাইছো। ৩০ জন ল'ৰাক এৰেষ্ট কৰিছো। যিসকলে ভাৰতৰ নিমখ খাই পাকিস্তানৰ গুণ-গান গায়। এইসকলৰ কাকো এৰি দিয়া নহ'ব। সবৰে ঠেং ভঙা হ'ব। এইখন লাচিতৰ দেশ। চিলাৰায়ৰ দেশ। এইখন দেশক যিয়ে আক্ৰমণ কৰিব লাচিত, চিলাৰায়ে যেনেকৈ কচু কটা দিছিল আমিও কচু কটা দিম। ভাৰতবৰ্ষক সন্ত্ৰাসবাদৰ পৰা মুক্ত কৰিব লাগিব। তেওঁ ভাষণত আকৌ কয় যে লাচিতৰ যি দৰে সুবিশাল প্ৰতিমূৰ্তি যোৰহাটত নিৰ্মাণ কৰা হৈছে তেনেদৰে বঙাইগাঁৱত ১০০ ফুটতকৈ অধিক উচ্চতাৰ চিলাৰায়ৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ সিদ্ধান্ত লোৱা বুলি জানিবলৈ দিয়ে। যাতে চিলাৰায়ৰ শৌৰ্য-বীৰ্য, প্ৰেৰণা নৱপ্ৰজন্মৰ বাবে পাথেও হৈ পৰে। সাংসদ ফণীভূষণ চৌধুৰী, বিধায়িকা দীপ্তিময়ী চৌধুৰী, বিজেপিৰ জিলা সভাপতি উজ্জ্বলকান্তি ৰায়, সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক, প্ৰাক্তন বিধায়ক ভূপেন ৰায় আদি উপস্থিত থকা সভাখনত অভয়াপুৰীত এশ কোটি টকা ব্যয়সাপেক্ষ চিকিৎসালয় স্থাপনৰ সিদ্ধান্ত লোৱাৰ বিষয়ে জানিবলৈ দিয়াৰ লগতে বঙাইগাঁৱৰ তিনিটা সমষ্টিত ৪ হাজাৰকৈ অৰুণোদয় হিতাধিকাৰী বঢ়োৱা হ'ব বুলিও কয় । উত্তৰ শালমাৰাৰ দহ সহস্ৰাধিক বিজেপি-অগপ সমৰ্থনৰ উপস্থিতিত অনুষ্ঠিত নিৰ্বাচনী সভাখনৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত পঞ্চায়ত নিৰ্বাচনত ৪-৫ জিলাৰ বাহিৰে বাকী সকলো জিলা পৰিষদ অগপ বিজেপি দলে গঠন কৰিব বুলিও দাবী কৰে। আনপিনে লোকসভা, ৰাজ্যসভাতকৈও পঞ্চায়ত নিৰ্বাচনত ৰাইজৰ উৎসাহ অধিক বুলি মন্তব্য কৰে। তদুপৰি সাংসদ গৌৰৱ গগৈৰ প্ৰসংগত কয় যে গৌৰৱ গগৈৰ দুয়োটা ল'ৰা-ছোৱালী নাবালক। দুয়োকে ভাৰতীয় কৰি ৰখা নাই। যদি ভাৰতীয় হয় বুলি প্ৰমাণ দিব পাৰে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিব বুলিও কয়। আনপিনে এটা পৰিয়ালৰ চাৰিজনৰ তিনিজনে বিদেশী ৰাষ্ট্ৰৰ নাগৰিক। গৌৰৱ গগৈয়ে ভাৰতত পৰ্যটক হিচাপেহে আছে। কোন দিনা গুচি যায় তাৰ ঠিকনা নাই। আনপিনে গৌৰৱ গগৈয়ে ১৫ দিন পাকিস্তানত থাকি অহা বুলি অথচ পৰ্যটন ক্ষেত্ৰ নাই এই কথা অসমৰ ৰাইজক জনাব লাগে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তুলিৰাম ৰংহাঙক ক্লীনশ্বীট ভাৰতীয়

কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ নিৰ্মীয়মাণ অট্টালিকা আৰু দুৰ্নীতিক লৈ বিৰোধী সৰৱ হৈ পৰাৰ বিপৰীতে আজি তুলিৰাম ৰংহাঙক ক্লীনশ্বীট দিয়ে কাৰ্বি আংলং জিলা বিজেপিয়ে। এখন সংবাদমেলৰ জৰিয়তে জিলা বিজেপি উপ-সভাপতি লংছিং টকবি, দলৰ জ্যেষ্ঠ মুখপাত্ৰ চমাং ক্ৰ', লাইছান ইংলেং, ছেলাৰৰ বে'কে ধৰি কেইবাগৰাকী নেতাই বাজ্যিক সংবাদ মাধ্যম আৰু কংগ্ৰেছে কাৰ্বি আংলং জিলাৰ উন্নয়ন আৰু জনজাতীয় নেতাৰ উত্থান দেখি সহ্য কৰিব নোৱাৰা বুলি উল্লেখ কৰি তুলিৰাম ৰংহাঙৰ নেতৃত্বত দুয়োখন পাৰ্বত্য জিলাত সৰ্বদিশত উন্নয়নৰ ধল বোৱা বুলি উল্লেখ কৰে। এএছডিচিৰ শাসনকালত ডাঃ জয়ন্ত বংপিৰ বাসগৃহটোক লৈ ৰাজনীতি কৰি ৰংপিক দুৰ্নীতি সম্ৰাট সজাইছিল অসমৰ সংবাদ মাধ্যমে। এই অভিযোগ এসময়ৰ চিপিআই (এমএল) নেতা তথা বৰ্তমানৰ বিজেপি দলৰ মুখপাত্ৰ ছেলাৰৰ বে'ৰ। বিজেপি দলৰ জনপ্ৰিয় নেতা তুলিৰাম ৰংহাঙৰ ঘৰক লৈ পাহাৰত এতিয়া পিছ দুবাৰেদি কংগ্ৰেছে ৰাজনৈতিক মুনাফা লুটাৰ চেষ্টা কৰা বুলি বিজেপি নেতাকেইগৰাকীয়ে দাবী কৰে। বিজেপি দলৰ উপ-সভাপতি লংছিং টকবিয়ে কাৰ্বি আংলঙত উন্নয়ন দেখিব নোৱাৰা, জিলাখনৰ বাহিৰৰ একাংশ তীব্ৰ জাতীয়তাবাদী লোকে ৰংহাঙৰ বিৰুদ্ধে কুচক্ৰান্ত ৰচনা কৰা বুলি অভিযোগ কৰে। তুলিৰাম ৰংহাঙৰ নেতৃত্বত দুয়োখন পাৰ্বত্য জিলাৰ বিভিন্ন স্থানত চলি থকা ৰাস্তা-ঘাটকে ধৰি বিভিন্ন উন্নয়নমূলক আঁচনি, ডিফুৰ উৰণ সেতু, এটা বিধানসভা সমষ্টিৰ বৃদ্ধি হোৱা আদি সহ্য নোহোৱাৰ বাবে ৰংহাঙৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হোৱাৰ অভিযোগ তোলে। লাইছান ইংলেঙে কংগ্ৰেছ দলৰ নেতা ৰতন ইংতি আৰু জগতছিং ইংতিৰো ডিফুত কেইবা কোটিটকীয়া বাসগৃহ আছে বুলি উল্লেখ কৰি নিজৰ বাসগৃহসমূহ অন্ধকাৰত ৰাখি আনৰ বাসগৃহক লৈ নেতাকেইজনে ৰাজনীতি কৰা বুলি অভিযোগ কৰে। ইংলেঙে কয় যে ৰকিবুল হুছেইনৰ সম্পত্তিৰ কথা কংগ্ৰেছ দলে উল্লেখ কৰিবলৈ সাহস আছেনে বুলিও প্ৰশ্ন কৰে। তুলিৰাম ৰংহাঙৰ পুত্ৰ প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ সেয়ে এটা বাসগৃহ নিৰ্মাণ কৰিছে। ইয়াত তুলিৰাম ৰংহাঙৰ কি অপৰাধ হৈছে বুলিও প্ৰশ্ন কৰে। কংগ্ৰেছ সভাপতি ভূপেন বৰাই ৰংহাঙক মুখ্যমন্ত্ৰীয়ে বিদেশলৈ লৈ যোৱা সন্দৰ্ভত ইংলেঙে কয় যে জনজাতীয় নেতা এগৰাকীক মুখ্যমন্ত্ৰীয়ে বিদেশলৈ নিয়াত ঈৰ্শাবোধ কৰিছে কংগ্ৰেছ নেতাগৰাকীয়ে। পূৰ্বে কংগ্ৰেছৰ সময়ত বহু কেইগৰাকী মুখ্য কাৰ্যবাহী সদস্য আছিল। তেওঁলোকক তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে বিদেশ দূৰৈৰে কথা নতুন দিল্লীলৈও লগত লৈ যোৱা নাছিল। জনজাতীয় নেতা এগৰাকী এনে জনপ্ৰিয় হোৱাটো কংগ্ৰেছে বিচৰা নাই। পূৰ্বে কথা দিও বহুবাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ জিলাখনলৈ অহা নাছিল। বৰ্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা দুই-তিনিদিন ডিফুত বাহৰ পাতি বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰি জিলাখনৰ উন্নয়নৰ বাবে সকলো প্ৰদান কৰা বুলি ইংলেঙে  দাবী কৰে । ইংলেঙে  লগতে কয় যে বৰ্তমান জিলাখনৰ শান্তি প্ৰতিষ্ঠাক মুখ্যমন্ত্ৰী আৰু তুলিৰাম ৰংহাঙৰ যথেষ্ট বৰঙনি আছে। কংগ্ৰেছৰ শাসনত ভাতৃঘাতী সংঘৰ্ষত ছাৰছিম-প্ৰিছেকত ৪১ গৰাকী কাৰ্বি লোকক হত্যা কৰাৰ ঘটনা কাৰ্বি আংলঙৰ জনসাধাৰণে পাহৰা নাই বুলিও কটাক্ষ কৰে। জ্যেষ্ঠ মুখপাত্ৰ চমাং ক্ৰ'ৱে তুলিৰাম ৰংহাঙৰ ঘৰটো ৩০-৪০ লাখ টকাৰ হ'ব বুলি দাবী কৰি জনজাতি বিৰোধী একাংশই ঘৰটো ২০০ কোটি টকা হ'ব বুলি অপপ্ৰচাৰ চলাই ৰংহাঙৰ ভাবমূৰ্তি জনমানসত হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা কৰা বুলি অভিযোগ তোলে। ক্ৰ'ৱে কংগ্ৰেছ আৰু প্ৰাক্তন সকলো মন্ত্ৰী, বিধায়ক, কাৰ্যবাহী সদস্য, মুখ্য কাৰ্যবাহী সদস্যৰ সম্পত্তিৰ তালিকা ৰাজহুৱা কৰাৰো দাবী তোলে।

# ন-পাম বাৰুৱতী গাঁও পঞ্চায়ত শান্তিপূৰ্ণভাৱে ভোটদান সম্পন্ন

**ই-সংবাদ, গেলেকী, ২ মে':** ৯৭ নং নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন গাঁও পঞ্চায়তত আজি পুৱা ৭.৩০ মিনিটৰ পৰা ভোটদান প্ৰক্ৰিয়া আৰম্ভ হয়। পুৱা বহু লোক ওলাই আহে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ। পুৰুষৰ তুলনাত যথেষ্ট মহিলা ওলাই আহে ভোটদান কৰিবলৈ। ন-পাম বাৰুৱতী গাঁও পঞ্চায়তৰ অন্তৰ্গত কেইবাটাও ভোট কেন্দ্ৰত পুৱাৰে পৰা ভিৰ হোৱা পৰিলক্ষিত হয়। পুৱা বতৰ কিছু ডাৱৰীয়া আছিল যদিও পৰৱৰ্তী সময়ত প্ৰচণ্ড ৰ'দৰ বাবে বহু লোক ভোটদান কৰিবলৈ ওলাই আহিব নোৱাৰা আৱস্থা হয়। আবেলি ৩.৩০ বজালৈকে নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়তৰ ভোটদানৰ হাৰ আছিল ৫৬.৭৪%। এইবাৰ শিৱসাগৰ জিলাখনত মুঠ পঞ্চায়ত সংখ্যা ৮২ খন, জিলা পৰিষদ ১২ খন আৰু প্ৰাৰ্থীৰ সংখ্যা ৩৭ গৰাকী। ইয়াৰ সমান্তৰালকৈ আঞ্চলিক পঞ্চায়ত ৫ খন, প্ৰাৰ্থী ২১৬ গৰাকী। ৱাৰ্ডৰ সংখ্যা ৮২০ টা। ৱাৰ্ড সদস্য পদৰ প্ৰাৰ্থী ২,০৩৮ (সৰ্বমুঠ প্ৰাৰ্থী ২২৯১ গৰাকী।) মুঠ ভোটাৰ ৫০১১৫১ গৰাকী। ইয়াৰে পুৰুষ ২৪৮২৫৩ জন, মহিলা ২৫২৮৯৫ গৰাকী, তৃতীয় লিংগ ৩ গৰাকী। মুঠ ভোট কেন্দ্ৰ ৮৫৮ টা। ইয়াৰে মহিলা পৰিচালিত মুঠ ভোট কেন্দ্ৰ ১৫৭ টা। বিনা প্ৰতিদ্বন্দ্বিতাৰে ৱাৰ্ড সদস্য নিৰ্বাচিত হয় ১৫ জন। আজিৰ নিৰ্বাচন প্ৰায় শান্তিপূৰ্ণ আছিল বুলি জনা যায়।

## শুৱালকুছিত নির্বাচনী প্ৰচাৰ সভাত বিৰোধীক কটাক্ষ মুখ্যমন্ত্ৰীৰ

# বিৰোধীতকৈ চাৰ্কাছ পাৰ্টিয়েই ভাল, বিৰোধীৰ কোনো গাম্ভীৰ্যতা নাই

**ই-সংবাদ, শুৱালকুছি, ২ মে':** "ভুপেন বৰা অখিল গগৈয়ে নির্বাচন আহিলে নিজকে চাৰ্কাছ টাইপ কৰি দিয়ে। লিলি হোটেলত বহি চাহ খাব, ইজনে সিজনৰ লগত কাজিয়াও কৰিব। চাৰ্কাছ পাৰ্টিও ইয়াতকৈ ভাল।" আজি শুৱালকুছিৰ মাজতোলৰ সেউজ বালিচৰৰ ভুপেন হাজৰিকা মঞ্চত দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নির্বাচন উপলক্ষে আয়োজিত বিশাল নির্বাচনী প্ৰচাৰ সভাত ভাগ লৈ ১৭ নং পৃষ্ঠাত




গোৱালপাৰাত 'বিজয় সংকল্প সমাৰেশ'ত অংশ লৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ নির্বাচনী প্ৰচাৰ, ফটোঃ ই-সংবাদ, গোৱালপাৰা

# যোৰহাটত ভোটগ্ৰহণ কৰি থাকোঁতেই অসুস্থ প'লিং বিষয়া

**ই-সংবাদ, পশ্চিম যোৰহাট, ২ মে':** যোৰহাট জিলাৰ উত্তৰ-পশ্চিম যোৰহাট উন্নয়ন খণ্ডৰ ৪৪ নং মধ্য সৰুচৰাই গাঁও পঞ্চায়ত এলেকাৰ ৬৫৫ নং গায়ন-ঘৰফলীয়া প্ৰাথমিক বিদ্যালয়ত প্ৰতিষ্ঠিত টীয়ক বিধানসভা সমষ্টিৰ ৪৪ শেষাংশ ৯ পৃষ্ঠাত

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শৰণাচাৰ্য কমল বৰাৰ বিয়োগ

**ই-সংবাদ, কামপুৰ, ২ মে':** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কামপুৰ জিলা শাখাৰ একনিষ্ঠ সাধক শৰণাচাৰ্য কমল বৰা(৮৫)ৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত আজি পৰলোকপ্ৰাপ্তি ঘটে। বৃহত্তৰ কামপুৰ অঞ্চলৰ বিভিন্ন সামাজিক শেষাংশ ১৭ পৃষ্ঠাত

# ইখনৰ পিছত সিখন নির্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী পীযুষ হাজৰীকা

**ই-সংবাদ, ২ মে':** দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নির্বাচনলৈ মাজত মাত্ৰ আৰু ৬ টা দিনহে বাকী। পঞ্চায়ত নির্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসকীয় দল বিজেপিয়ে নির্বাচনী প্ৰচাৰ তুংগত কৰি তোলা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মন্ত্ৰী শেষাংশ ৮ পৃষ্ঠাত

# দুৰ্নীতিত লুতুৰি-পুতুৰি প্ৰাক্তন পঞ্চায়ত প্ৰতিনিধিৰ পুনৰ প্ৰতিদ্বন্দ্বিতা

**ই-সংবাদ, মোৰাঝাৰ, ২ মে':** দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নির্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে দলীয় আৰু নির্দলীয় প্ৰাৰ্থীসকলে নির্বাচনী প্ৰচাৰ অভিযান তুংগত কৰি তুলিছে। ৬২ নং বিন্নাকান্দি সমষ্টিতো চলিছে মাৰাথন প্ৰচাৰ অভিযান। সমষ্টিটো এআইইউডিএফৰ দখলত আছে। একেদৰে ২ নং বিন্নাকান্দি আঞ্চলিক পঞ্চায়ত কংগ্ৰেছৰ দখলত আছিল। ১৭ নং পৃষ্ঠাত

# ৰাইদঙীয়াৰ সোণাইপৰীয়া ৰঙালী বিহু উৎসৱৰ সামৰণি

**ই-সংবাদ, বেৰেজীয়া, ২ মে':** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ ক'ৰ্‌চুং সত্ৰ ৰাস মন্দিৰ প্ৰাংগণত বিগত বৰ্ষবোৰৰ দৰে এইবেলিও দুদিনীয়াকৈ আয়োজিত 'বিহু বিনন্দীয়া' শীৰ্ষক সোণাইপৰীয়া ৰঙালী শেষাংশ ১৮ পৃষ্ঠাত

## প্ৰচাৰ সভাত নোমল মমিনৰ মন্তব্যত হতভম্ব ৰাজ্যবাসী

# 'মোদীৰ টকা খাই মোদীক গালি দিয়া মানুহক ঈশ্বৰে মুঠেই ক্ষমা নকৰে'

**ই-সংবাদ, গোৱালপাৰা, ২ মে':** সমাগত পঞ্চায়ত নির্বাচনক লৈ প্ৰতিগৰাকী দলীয় আৰু নির্দলীয় প্ৰাৰ্থীসকলে নিজ নিজ এলেকাত ভোটাৰক আকৰ্ষণ কৰিবলৈ ব্যাপকভাৱে প্ৰচাৰ-প্ৰচাৰণা আৰম্ভ কৰিছে। মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলো এই প্ৰচাৰত পিছপৰি থকা নাই। তেওঁলোকৰ মূল লক্ষ্য হৈছে— অসমৰ ৰাজনৈতিক মানচিত্ৰৰ পৰা বিৰোধীক একেবাৰে আঁতৰাই পেলোৱা। গোৱালপাৰা জিলাখনত শেষাংশ ১৭ পৃষ্ঠাত

# মঙলদৈ সাহিত্য নগৰ সাহিত্য সভাৰ সোণালী জয়ন্তী উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ বিশেষ, মঙলদৈ, ২ মে' :** দৰং জিলা সাহিত্য সভাৰ এটা অন্যতম শতদল শাখা মঙলদৈৰ সাহিত্য নগৰ সাহিত্য সভাই পঞ্চাশ বৰ্ষ অতিক্ৰম কৰা উপলক্ষে সোণালী জয়ন্তী উদযাপনৰ বাবে শেষাংশ ১৮ পৃষ্ঠাত

# ১ টকা দৰত শ শ বিঘা মাটি গটাব বণিক গোষ্ঠীক!

**ই-সংবাদ, মির্জা, ২ মে':** চৰকাৰে পলাশবাৰী ৰাজহ চক্ৰৰ ৰামপুৰ মৌজাৰ ১ নং ৰামপুৰ আৰু ২ নং ৰামপুৰ গাঁৱৰ গো-চৰণীয়া পথাৰ (VGR) ৰ ৬১০ নং দাগৰ অংশ ৮৩ বিঘা ২ কঠা ১৪ লেচা আৰু ২৪৪ নং দাগৰ অংশ ৬৬ বিঘা ২ কঠা ৬ লেছা মুঠ ১৫০ বিঘা জমী AIDC Ltd.ৰ দ্বাৰা Logistic park by M/s New Kolkata International Development Pvt. Ltd. স্থাপনৰ কাৰণে ব্যৱস্থা কৰিবলৈ বিচৰাক লৈ জাঙুৰ খাই উঠিছে বৃহত্তৰ ৰামপুৰ অঞ্চলটোৰ ৰাইজৰ লগতে দক্ষিণ কামৰূপৰ বিভিন্ন দল-সংগঠন, প্ৰকৃতিপ্ৰেমী, বিশিষ্ট চিন্তাবিদ, কুমাৰ শিল্পীকে ধৰি গো-পালক আৰু মৎস্যজীৱীসকল। অসমৰ মানচিত্ৰত থকা দক্ষিণ কামৰূপ তথা শেষাংশ ৯ পৃষ্ঠাত

## ৰামপুৰৰ দৰাবিলক ৰক্ষা কৰিবলৈ ৰাইজৰ জংগী আন্দোলন লাগিবইঃ কৃষক নেতা দীনেশ দাস

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাষ্ট্ৰপতিলৈ চিঠি কংগ্ৰেছৰ

বিশ্ব শৰ্মা। অসম ৰাজ্যিক প্ৰদেশ কংগ্ৰেছৰ নেতা-কৰ্মীৰ লগতে ৰাষ্ট্ৰীয় কংগ্ৰেছৰ নেতায়ো হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। আজি হিমন্ত বিশ্ব শৰ্মাৰ চাকৰিৰ বিনিময়ত সতীত্ব হৰণ মন্তব্যক লৈ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেত্ৰীয়ে ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মুক এখন পত্ৰ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীৰ মন্তব্যই অসমত মহিলাৰ মৰ্যাদাৰ প্ৰতি অপমান বুলি উল্লেখ কৰি শীঘ্ৰে বিষয়টোক লৈ হস্তক্ষেপ কৰাৰ দাবী জনাইছে। লগতে মুখ্যমন্ত্ৰীক চৰ্তহীন ৰাজহুৱা ক্ষমা প্ৰাৰ্থনাৰ দাবী জনাইছে। ৰাষ্ট্ৰপতিলৈ লিখা পত্ৰত সৰ্বভাৰতীয় মহিলা কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি অলকা লাম্বাই ঢেকীয়াজুলিৰ বৰছলাৰ ৰাজহুৱা সভাত মহিলা সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্য গভীৰ আপত্তিজনক আৰু অৱমাননামূলক বুলি কৈ তীব্ৰ গৰিহণা দিয়ে। সামাজিক আৰু ৰাজনৈতিক মঞ্চসমূহত বহুলভাৱে প্ৰচাৰিত আৰু সমালোচিত এই মন্তব্যক কেৱল অসমত মহিলাৰ মৰ্যাদাৰ প্ৰতি অপমান নহয়, লগতে ভাৰতীয় নাৰীৰ প্ৰতিও অপমান বুলি সমালোচনা কৰা হৈছে। অলকা লাম্বাই কয় যে এই মন্তব্য কেৱল মহিলাৰ সততা আৰু মৰ্যাদাৰ প্ৰতি এক গুৰুতৰ অপমান নহয়, দেশৰ সমগ্ৰ মহিলাৰ প্ৰতি অৱমাননা কৰাৰ এক বিদ্বেষপূৰ্ণ প্ৰয়াস। "সাংবিধানিক পদত অধিষ্ঠিত ব্যক্তিৰ বাবে-বিশেষকৈ মুখ্যমন্ত্ৰীয়ে এনে ভাষা ব্যৱহাৰ কৰাটো নিন্দনীয় আৰু গ্ৰহণযোগ্য নহয়। মহিলা কংগ্ৰেছৰ সভাপতিগৰাকীয়ে আৰু কয় যে ভাৰতীয় সংবিধানত সন্নিবিষ্ট লিংগ সমতা আৰু মহিলা সবলীকৰণৰ নীতিসমূহক অসন্মান কৰা হৈছে। সমগ্ৰ দেশৰ কন্যা, মহিলা আৰু মাতৃসকলৰ আত্মসন্মানৰ ওপৰত ইচ্ছাকৃত আক্ৰমণ বুলি অভিহিত কৰে। তাৎক্ষণিক ৰাষ্ট্ৰপতিৰ হস্তক্ষেপ বিচাৰি কংগ্ৰেছ নেত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা এক আনুষ্ঠানিক আৰু চৰ্তহীন ৰাজহুৱা ক্ষমা প্ৰাৰ্থনা দাবী কৰাৰ লগতে বিষয়টোৰ পুংখানুপুংখ তদন্ত আৰু ফলাফলৰ ওপৰত আধাৰিত কৰি উপযুক্ত সাংবিধানিক পদক্ষেপ ল'বলৈ দাবী জনাইছে। তেওঁ ৰাষ্ট্ৰপতি নিজে এগৰাকী মহিলা আৰু এগৰাকী সাংবিধানিক অভিভাৱক বুলি উল্লেখ কৰি কয় যে বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ আৰু ৰাজহুৱা আলোচনাত মহিলাৰ মৰ্যাদাৰ পৱিত্ৰতা বজাই ৰাখিবলৈ প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰিবলৈ আহ্বান জনায়। এনে ধৰণৰ লাঞ্ছনাজনক আৰু প্ৰতিক্ৰিয়াশীল মন্তব্যৰ সভ্য গণতন্ত্ৰত কোনো স্থান নাই। উল্লেখ্য যে কংগ্ৰেছৰ দিনত সংঘটিত অসম লোকসেৱা আয়োগৰ নিযুক্তি পৰীক্ষাত সংঘটিত কেলেংকাৰীৰ তদন্ত কৰিবলৈ বিজেপি চৰকাৰে গঠন কৰিছিল বিপ্লৱ সমিতি আয়োগ। আয়োগৰ প্ৰতিবেদনত তদানীন্তন লোকসেৱা আয়োগৰ অধ্যক্ষ ৰাকেশ পালক লৈ উল্লেখ আছিল এক ভয়ংকৰ অভিযোগ। ৰাকেশ পালে চাকৰিৰ বিনিময়ত যুৱতীৰ সৈতে শাৰীৰিক সম্পৰ্ক কৰা বুলি এজন অভিযুক্তই প্ৰকাশ কৰা বুলি প্ৰতিবেদনত উল্লেখ আছিল। পঞ্চায়ত নিৰ্বাচনত বৰছলাত এখন সভাত মুখ্যমন্ত্ৰীয়ে এই প্ৰতিবেদনৰ দোহাই দি কংগ্ৰেছ চৰকাৰৰ দিনত অসমৰ বোৱাৰী-ছোৱালীয়ে চাকৰিৰ বাবে সতীত্ব হৰণ কৰিবলগীয়া বুলি কৈ কংগ্ৰেছক আক্ৰমণ কৰিছিল। ইতিমধ্যে কংগ্ৰেছে গুৱাহাটীত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে।

# হিমন্ত বিশ্ব শৰ্মাই মোক ৩৬ বাৰ জে'ললৈ পঠিয়াইছে, মই ১০০ বাৰ জে'লত দিমঃ অখিল গগৈ

## দলগাঁও সমষ্টিৰ বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ ৰাইজৰ দলৰ

**ই-সংবাদ, খাৰুপেটীয়া, ২ মে':** দৰং জিলাৰ দলগাঁও সমষ্টিত বিধায়ক ৰাইজৰ দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ বিধায়ক অখিল গগৈৰ। বিধায়ক অখিল গগৈয়ে আজি আবেলি দলগাঁও সমষ্টিৰ ধুলা, শ্যামটিলাৰ পাণবাৰী, বিহুদিয়াৰ অচিনতলা আৰু বুঢ়ী গাঁৱত ভোটাৰ ৰাইজৰ ব্যাপক সঁহাৰি তথা উপস্থিতিত পঞ্চায়ত নিৰ্বাচনী প্ৰচাৰৰ সভাত সাম্প্ৰদায়িক দ'ল বিজেপি আৰু এই আই ইউ ডি এফক প্ৰত্যাখ্যান কৰি ৰাইজৰ দলক ভোট প্ৰদানৰ আহ্বান জনায়। হিন্দু-মুছলমানৰ  ৰাজনীতি কৰি থকা সাম্প্ৰদায়িক দল বিজেপি আৰু এ আই ইউ ডি এফক ৰাজনীতিৰ পৰা বিদায় দিয়াৰ হুংকাৰ দিয়ে বিধায়ক অখিল গগৈয়ে। সাম্প্ৰদায়িকতাৰ ৰাজনীতি কৰা বিজেপি চৰকাৰে ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি সাধাৰণ ৰাইজৰ পৰা জি এছ টি, মূল্যবৃদ্ধি, কৰৰ বোজাই ৰাইজক কোঙা কৰি পেলাইছে বুলি কটাক্ষ কৰে। নিৰ্বাচনী প্ৰচাৰ সভাত বিজেপি চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰি ৰাইজৰ দলৰ দলগাঁও সমষ্টিৰ অপৰিয়া শ্যামটিলা জিলা পৰিষদৰ প্ৰাৰ্থী ময়ূৰী বেগম আৰু বিহুদিয়া জিলা পৰিষদৰ প্ৰাৰ্থী আহম্মদ আলীৰ হৈ ভোট ভিক্ষা খুজি নিৰ্বাচিনী প্ৰচাৰ চলায়। বিহুদিয়া জিলা পৰিষদৰ অন্তৰ্গত অচিনতলত নিৰ্বাচনী প্ৰচাৰ সময়ত ২০২৬ ৰ বিধানসভা নিৰ্বাচনত ৰাইজক বিজেপিক ব্ৰহ্মপুত্ৰত দলিয়াই দিয়াৰ আহ্বান জনায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰি কয় যে ক্ষমতাত আহিলে হিমন্ত বিশ্ব শৰ্মাই মোক ৩৬ বাৰ জে'লত পঠাইছে মই ১০০ বাৰ জে'লত দিম। আজি দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমানকো ক্ষুৰধাৰ সমালোনা কৰি কয় যে তেওঁ দিনত থাকে দিলীপ শইকীয়াৰ লগত আৰু ৰাতি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগত। তেওঁৰ বিজেপিৰে গভীৰ বন্ধুত্ব আছে। প্ৰচাৰৰ সময়ত তেওঁক সংগ দিয়ে ৰাইজৰ দলৰ নেতা আৱৰ আলী আৰু জিলা, ৰাজ্যিক পৰ্যায়ৰ নেতৃবৃন্দই।

# বেলতলাত আৰক্ষীৰ জালত আলফা স্বাধীনৰ লিংকমেন

**ই-সংবাদ, গুৱাহাটী, ২ মে':** উত্তৰ-পূৰ্বাঞ্চলত বিদ্ৰোহীবিৰোধী অভিযান অব্যাহত থকাৰ সময়তে গুৱাহাটীত অসম আৰক্ষীয়ে অভিযান চলাই এজন আলফাৰ লিংকমেনক জালত পেলাবলৈ সক্ষম হৈছে। বিশ্বজিৎ ৰয়ক বেলতলা তিনিআলিৰ পৰা নিশা গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। বিশেষ খবৰৰ ভিত্তিত গুৱাহাটী মহানগৰীৰ বেলতলাৰ তিনিআলিত চলোৱা অভিযানত বিশ্বজিৎ ৰয় নামৰ আলফা স্বাধীনৰ লিংকমেনজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নিষিদ্ধ আলফা স্বাধীনৰ সৈতে সম্পৰ্ক থকাৰ সন্দেহত বিশ্বজিৎ ৰয়ক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰখা বুলি জানিব পৰা গৈছে। বৰ্তমান গুৱাহাটী আৰক্ষীৰ ক্ৰাইম ব্ৰাঞ্চৰ জ্যেষ্ঠ আৰক্ষী বিষয়াৰ তত্বাৱধানত জেৰা চলিছে। আৰক্ষীৰ সূত্ৰ জনোৱা মতে, বিশ্বজিৎ ৰয়ে বেলতলা তিনিআলিত এখন ক্ষুদ্ৰ দোকান চলাই আছিল। বিশ্বজিৎ ৰয়ক গ্ৰেপ্তাৰৰ লগতে মুঠ চাৰিজনক সোধা-পোছাৰ বাবে আটক কৰা হৈছে। তিনিজন নাগালেণ্ডৰ, এজন বাক্সাৰ। গুৱাহাটীস্থিত ক্ৰাইম ব্ৰাঞ্চৰ কাৰ্যালয়ত ভাৰতীয় গোচৰ সংস্থাই জেৰাত যোগদান কৰিছে। গুৱাহাটী মহানগৰীত অপৰিকল্পিত কুটাঘাত সংঘটিত কৰিবলৈ ষড়যন্ত্ৰ ৰচনাৰ সন্দেহ কৰা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে সন্দেহ কৰা মতে, গুৱাহাটীত বিদ্ৰোহীৰ প্ৰৱেশে সম্ভাব্য কুটাঘাতৰ আশংকাৰ সৃষ্টি কৰিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ইখনৰ পিছত সিখন নিৰ্বাচনী প্ৰচাৰ

পীযুষ হাজৰীকাই সমষ্টিয়ে সমষ্টিয়ে গৈ ইখনৰ পিছত সিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈছে। মন্ত্ৰীগৰাকীয়ে প্ৰতিখন প্ৰচাৰ সভাত বিৰোধী দল কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰাৰ লগতে উন্নয়ন, বিকাশ আৰু সমৃদ্ধিৰ বাবে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনাইছে। আগন্তুক পঞ্চায়ত নিৰ্বাচন উপলক্ষে মন্ত্ৰীগৰাকীয়ে আজিও কেবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। শক্তিশালী পঞ্চায়তীৰাজ, সমৃদ্ধিশালী অসমৰ লক্ষ্যৰে ভাৰতীয় জনতা পাৰ্টিৰ বৰলীয়া ব্লক মণ্ডলৰ উদ্যোগত তৰণীস্থিত আৰিমত্ত মিনি ষ্টেডিয়ামত আজি অনুষ্ঠিত বিজেপি মিত্ৰজোঁটৰ এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰীগৰাকী উপস্থিত থাকি ৰাইজক সম্বোধন কৰে। কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে ৬০ বছৰে শাসনৰ গাদীত বহা কংগ্ৰেছ দলে অসমৰ উন্নয়নৰ বাবে একো নকৰিলে বুলি উল্লেখ কৰে। কংগ্ৰেছ দলে অসমত ৬০ বছৰ শাসন কৰি মাত্ৰ ৬ খনহে মেডিকেল কলেজ বনোৱা বুলি ভাষণত উল্লেখ কৰে। ইয়াৰ বিপৰীতে ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে প্ৰায় ১০ বছৰত অসমত ১৮ খন মেডিকেল কলেজ বনোৱা বুলি উল্লেখ কৰে। আনহাতে, চাংচাৰিস্থিত এইমছখনক লৈ অসমত বিজেপি চৰকাৰে ১৯ খন মেডিকেল কলেজ বনোৱা বুলি কয়। ভাষণৰ মাজতে মন্ত্ৰীগৰাকীয়ে অহা আগষ্ট মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শতবৰ্ষ জয়ন্তী উদ্বোধন কৰিবলৈ অসমলৈ আহিব বুলি উল্লেখ কৰি সেইদিনাই প্ৰধানমন্ত্ৰীয়ে দৰঙত মেডিকেল কলেজৰ আধাৰশিলা স্থাপন কৰিব বুলি জানিবলৈ দিয়ে। ইয়াকে লৈ অসমত মেডিকেল কলেজ হ'ব ২০ খন হ'ব বুলি মন্ত্ৰীগৰাকীয়ে অৱগত কৰে। তেওঁ কয় যে আগতে এই অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজৰ চিকিৎসাৰ ক্ষেত্ৰত যথেষ্ট কষ্ট হৈছিল। চিকিৎসা গ্ৰহণৰ বাবে এই অঞ্চলৰ ৰাইজে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ যাব লাগিছিল। কিন্তু আজি সেই পৰিৱেশ নাই, মাত্ৰ ৯ বছৰৰ ভিতৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সেই পৰিৱেশ নোহোৱা কৰিলে। মাত্ৰ ৯ বছৰত এই ব্যাপক পৰিৱৰ্তন হ'ল বুলি মন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে এনেদৰে বিজেপি চৰকাৰৰ দিনত ৰঙিয়াত হোৱা উন্নয়নমূলক কামৰ খতিয়ান দাঙি ধৰে। ৰাস্তা-ঘাটৰ উপৰি ৰঙিয়াত আইন মহাবিদ্যালয়, পিজি কলেজ, ষ্টেডিয়াম, আই টি আই আদি হোৱা তেওঁ বুলি কোৱাৰ লগতে ৰঙিয়া অঞ্চলৰ গৰাখহনীয়া সমস্যাও সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। মন্ত্ৰীগৰাকীয়ে অসমৰ শিক্ষাৰ ক্ষেত্ৰততো আমূল পৰিৱৰ্তন বিজেপি চৰকাৰে অনা বুলি উল্লেখ কৰে। তেওঁ কয় যে আগতে অসমত ৫ খনহে বিশ্ববিদ্যালয় আছিল, কিন্তু এতিয়া জিলাই জিলাই বিশ্ববিদ্যালয় হ'ল। বিজেপি চৰকাৰৰ দিনত ৰাজ্যখনৰ ক'ত ক'ত বিশ্ববিদ্যালয় নিৰ্মাণ কৰা হৈছে তাৰ তথ্যও মন্ত্ৰীগৰাকীয়ে ভাষণত দাঙি ধৰে। মন্ত্ৰীগৰাকীয়ে কৃষক ৰাইজক সকাহ দিয়াৰ কাৰণে ন্যূনতম সমৰ্থন মূল্যত চৰকাৰে ধান ক্ৰয় কৰাৰ কথাও উল্লেখ কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰীয়ে ৬ মাহ যুঁজ দি ধানত এম এছ পি দিলে। ধানৰ লগতে মাকৈ, সৰিয়হ, ঘেহুতো এম এছ পি দিয়া হ'ল। যাৰ ফলত কৃষক ৰাইজ যথেষ্ট লাভান্বিত হৈছে বুলি তেওঁ উল্লেখ কৰে। এইদৰে বিজেপি চৰকাৰে ৰাইজৰ কাৰণে কাম কৰিছে বুলি উল্লেখ কৰি আৰু অধিক কাম কৰাৰ মন্ত্ৰীগৰাকীয়ে প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ সমান্তৰালকৈ মন্ত্ৰীগৰাকীয়ে চৰকাৰী বিভিন্ন উন্নয়নমূলক আঁচনি যেনে অৰুণোদয়, নিযুত মইনা আদিৰ কথা উল্লেখ কৰাৰ লগতে আয়ুষ্মান কাৰ্ড, ৰেচন কাৰ্ড থাকিলে কি কি সুবিধা লাভ কৰে সেই বিষয়ে ব্যাখ্যা দাঙি ধৰে। এইখন চৰকাৰে এটকা এটা নিদিয়াকৈ চৰকাৰী চাকৰি পাব পৰাৰ সুবিধা কৰি দিয়াৰ কথাও উল্লেখ কৰি তেওঁ কয় যে কংগ্ৰেছ চৰকাৰৰ দিনত চাকৰি ল'বলৈ যাওঁতে অসমীয়া ছোৱালীৰ সতীত্ব হানি হৈছিল। এতিয়া এনেকুৱা ঘটনা ক'ৰবাত সংঘটিত হৈছে নেকি বুলি তেওঁ ৰাইজক প্ৰশ্ন কৰে। তেওঁ কয় যে এক লাখ চাকৰি দিয়া কথাটো কোনেও ভাবিবই নোৱাৰে, যিটো কাম মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰি দেখুৱালে। এটকাৰো দুৰ্নীতি নোহোৱাকৈ চৰকাৰী চাকৰি দিয়াৰ ব্যৱস্থা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰিলে বুলি তেওঁ কয়। আনহাতে, মন্ত্ৰীগৰাকীয়ে এপ্ৰিল মাহৰ পৰা চৰকাৰে বিদ্যুতৰ বিল হ্ৰাস কৰাৰ বিষয়ে উল্লেখ কৰি আগতে কংগ্ৰেছৰ দিনত বিদ্যুতৰ বিল কমিছিল নেকি বুলিও প্ৰশ্ন কৰে। তেওঁ কয় যে এতিয়া আমি লাইটৰ বিল দুবাৰ দুবাৰ কমাও। গতিকে এইদৰে আমি ৰাইজক সেৱা কৰিছো আৰু এইদৰে আমি সেৱা কৰি যাম বুলি তেওঁ ভাষণত উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ ধনেৰে মহিলাসকলক ব্যৱসায় কৰিবলৈ আহ্বান জনাই নিজকে স্বাৱলম্বনৰ দিশত আগবাঢ়ি যাবলৈ কয়। মন্ত্ৰীগৰাকীয়ে বিজেপি দলৰ প্ৰাৰ্থীসকলক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনাই কয় যে কংগ্ৰেছক জিকাই লাভ নাই। অৱশ্যে এনেও কংগ্ৰেছ নিজিকে বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে। য'ত কংগ্ৰেছে জিকিব বুলি ভাবে জিলা পৰিষদৰ প্ৰাৰ্থীৰ পৰা ৩০ লাখ কৈ টকা লোৱা বুলি মন্ত্ৰীগৰাকীয়ে অৱগত কৰে। তেওঁ কয় যে এইবোৰ কাৰণতে নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ গাড়ী ভাঙিছে টকা দিও টিকট নোপোৱা প্ৰাৰ্থীয়ে। এই বিষয়ে সংবাদ মাধ্যমত বাতৰি ওলাই গৈছে। ইয়াৰ পাছত ভূপেন বৰাই কমিটী বনাই দিছে। কমিটী বনাই ১৮ টা তেনেকুৱা অভিযোগ অহা বুলি ভূপেন বৰাই কৈছে। কংগ্ৰেছক কটাক্ষ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে যিয়ে কমিটী বনাইছে, এতিয়া তেওঁলোকেও টকা খাব। কংগ্ৰেছৰ কমিটীৰ কোনো মূল্য নাই। এই সভাত স্থানীয় বিধায়ক ভৱেশ কলিতা, অসম যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মাসহ বহুকেইগৰাকী দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়ী কৰিবলৈ ৰাইজক আহ্বান জনায়। উল্লেখ্য যে এই সভাতে ভাৰতীয় জনতা পাৰ্টিৰ নীতি-আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ বহুসংখ্যক ব্যক্তিয়ে বিজেপি দলত যোগদান কৰে। ইপিনে, মন্ত্ৰীগৰাকীয়ে আজি সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰি কংগ্ৰেছ দলৰ সাংসদ গৌৰৱ গগৈক পুনৰ আক্ৰমণ কৰে। দেশৰ সংসদৰ বিৰোধী উপ-দলপতি হৈয়ো এগৰাকী সাংসদৰ সন্তানে যদি ভাৰতীয় নাগৰিকত্ব নলয়, তেন্তে নৈতিকভাৱে বহুতো প্ৰশ্ন উত্থাপন হোৱাটো স্বাভাৱিক বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। জনতাৰ মনত উদয় হোৱা এনে প্ৰশ্নৰ যথোচিত উত্তৰ সাংসদজনে দিয়াটো অতিকৈ গুৰুত্বপূৰ্ণ বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে কমলপুৰ বিধানসভা সমষ্টিৰ সাজেই-দগাঁও চক আৰু বৰগাঁও খেলপথাৰত বিজেপি-অগপ মিত্ৰজোঁটৰ দুখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ৰাইজৰ ব্যাপক উৎসাহ আৰু পাৰভঙা সহাঁৰি দেখি মন্ত্ৰীগৰাকী অভিভূত হৈ পৰে। জনতাৰ এই পাৰভঙা সহাঁৰিয়ে বিজেপিৰ নিশ্চিত বিজয়ৰ ইংগিতকে প্ৰদান কৰা বুলি তেওঁ ভাষণত উল্লেখ কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমি ৰাজ্যৰ সকলো স্তৰত উন্নয়নৰ যাত্ৰা অব্যাহত ৰাখিছোঁ। আজিৰ সভা দুখনত ৰাইজৰ বিপুল সঁহাৰি, সমৰ্থন তথা বিজেপি মিত্ৰজোঁটৰ প্ৰতি থকা আস্থা-বিশ্বাস প্ৰত্যক্ষ কৰি মই অভিভূত হৈছোঁ। সভাত বিধায়ক দিগন্ত কলিতা, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা, অসম যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মাসহ বহুসংখ্যক দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে দক্ষিণ কামৰূপৰ সাতপাৰাৰ দুৰ্গা পূজা মন্দিৰ প্ৰাংগণ আৰু লোহাৰঘাট সাপ্তাহিক বজাৰত আন দুখন বিজেপি মিত্ৰজোঁটৰ পঞ্চায়ত নিৰ্বাচনী সভাত উপস্থিত থাকি ভাষণ দাঙি ধৰে। সভাত অংশ লৈ ৰাইজক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে চৰকাৰে গ্ৰহণ কৰা জনকল্যাণমূলক আঁচনি, সুবিধাসমূহৰ বিষয়ে সকলোকে অৱগত কৰে। ৰাজ্যৰ তৃণমূল পৰ্যায়ত উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে বিজেপি মিত্ৰজোঁট সমৰ্থিত প্ৰাৰ্থীসকলক ভোট দি জয়ী কৰিবলৈ মন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনায়। সভাত বিধায়ক হেমাংগ ঠাকুৰীয়া, প্ৰাক্তন বিধায়ক প্ৰণৱ কলিতা, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি অঞ্জন গোস্বামী, অসম যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মা, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিমাংশু শেখৰ বৈশ্যসহ যথেষ্টসংখ্যক দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# যোৰহাটত ভোটগ্ৰহণ কৰি থাকোঁতেই

নং মধ্য সৰুচৰাই গাঁও পঞ্চায়তৰ ২ নং ৱাৰ্ডৰ ভোট গ্ৰহণ কেন্দ্ৰটোত আজি ভোট গ্ৰহণ কৰি থাকোঁতেই প্ৰথম প'লিং বিষয়া লক্ষী শইকীয়া অসুস্থ হৈ পৰাত ততাতৈয়াকৈ ১০৮ যোগে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। নকছাৰীৰ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আছিল লক্ষী শইকীয়া। দিনৰ প্ৰায় ১০ বজাৰ পৰাই ব্যক্তিজন ক্ৰমাৎ অসুস্থ হোৱাত ১১.৫৩ বজাত ১০৮ লৈ ফোন কৰি অৱগত কৰাৰ পিছতে মৃত্যুঞ্জয় সেৱাযোগে লক্ষী শইকীয়াক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। এই ঘটনা সংঘটিত হোৱাত কিছু সময়ৰ বাবে ভোট গ্ৰহণ কেন্দ্ৰটোত ভোটদান প্ৰক্ৰিয়া প্ৰায় অচল হৈ পৰে। ৭৫৯ গৰাকী ভোটাৰ থকা ৱাৰ্ডটোত সদস্যৰূপে জ্যোতিকা গগৈ, ৰুবিমণি গায়ন, পম্পী কলিতা গায়নে পঞ্চায়তখনৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰাৰ লগতে পঞ্চায়তখনৰ আঞ্চলিক সদস্য পদৰ বাবে বিজেপিৰ পৰা মৃদুল খাউণ্ড, অগপৰ পৰা প্ৰশান্ত দত্ত আৰু কংগ্ৰেছৰ পৰা চন্দ্ৰ শইকীয়াই প্ৰাৰ্থিত্ব আগবঢ়াইছিল। তদুপৰি, যোৰহাট জিলা পৰিষদৰ ১ নং সৰুচৰাই-পৰ্বতীয়াৰ সদস্য পদৰ প্ৰাৰ্থী ৰূপে বিজেপিৰ ললিতা পেগু, অগপৰ মীনাক্ষি পাটিৰ আৰু কংগ্ৰেছৰ পৰা ক্ষীৰদা কুটুম দাৱে প্ৰাৰ্থিত্ব আগবঢ়াইছিল। লক্ষী শইকীয়াক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ পিছত যোৰহাট জিলা প্ৰশাসনৰ তৰফৰ পৰা আন এগৰাকী ব্যক্তিক প্ৰথম প'লিং বিষয়া হিচাপে কেন্দ্ৰটোলৈ প্ৰেৰণ কৰে। বাতৰি যুগুত কৰাৰ সময়লৈকে কেন্দ্ৰটোত ভোট গ্ৰহণ কৰি থকা হৈছে। উল্লেখ্য, উক্ত ঘটনাটো সংঘটিত হোৱাৰ পিছতে ভোট গ্ৰহণ কেন্দ্ৰটোত বিচ্ছৃংখল পৰিৱেশৰ সৃষ্টি হৈছিল যদিও প্ৰিজাইডিং বিষয়া আৰু নিৰাপত্তাৰক্ষীৰ বুজনিত পৰিস্থিতি নিয়ন্ত্ৰণ হয় আৰু সুকলমে ভোটদান প্ৰক্ৰিয়া চলি থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ১ টকা দৰত শ শ বিঘা মাটি গটাব

ৰামপুৰ অঞ্চলটোৰ হৃদপিণ্ডস্বৰূপ এই দৰাবিল চিৰদিনৰ বাবে বহিৰাগত বণিয়াক গতাব খোজা হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে আজি ৰামপুৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। ৰামপুৰ অঞ্চলটোৰ অৱসৰপ্ৰাপ্ত শিক্ষক অশ্বিনী মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পৰিৱেশকৰ্মী তথা বন্যবন্ধুৰ সদস্য, লেখক দীপাংকৰ ঠাকুৰীয়াই। তেওঁ দৰাবিলৰ ৰাইজৰ বাবে থকা প্ৰয়োজনীয়তা সন্দৰ্ভত মত ব্যক্ত কৰে। দৰাবিলে ৰামপুৰেই নহয়, সমগ্ৰ দক্ষিণ কামৰূপৰ এক অনবৈদ্য অৱদান আগবঢ়াই আহিছে বুলি কয়। কিন্তু দৰাবিলক চৰকাৰে বহিৰাগত বণিয়াক গতাব বিচৰাত অঞ্চলটোৰ জৈৱ-বৈচিত্ৰ্যত যথেষ্ট আঘাত হ'ব বুলি উল্লেখ কৰে। এই ঘটনা ৰোধ কৰিবলৈ ইতিমধ্যেই ৰাইজে জিলা আয়ুক্তক অভিযোগ দি আহিছে। এই কাৰ্য ৰোধ কৰিবৰ বাবে একগোট হোৱাৰ গত্যন্তৰ নাই বুলি ঠাকুৰীয়াই উল্লেখ কৰে। সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ অৱনী কুমাৰ দাসে অংশগ্ৰহণ কৰি চৰকাৰে ৰামপুৰৰ জৈৱ-বৈচিত্ৰ্যৰ ভাণ্ডাৰ দৰাবিলক বহিৰাগত বণিয়াক গতাব খোজা হঠকাৰী কাৰ্যত ক্ষোভ প্ৰকাশ কৰে। এই ঘটনা ৰোধ কৰিবলৈ উচ্চ ন্যায়ালয়ৰ কাষ চাপিব লাগিব বুলি তেওঁ কয়। সভাত সংগ্ৰামী কৃষক-শ্ৰমিক সংঘৰ সাধাৰণ সম্পাদক দীনেশ দাসে অংশগ্ৰহণ কৰি দৰাবিল ৰক্ষা কৰিবলৈ গণ আন্দোলন লাগিবই বুলি উল্লেখ কৰে। চৰকাৰে ৰামপুৰৰ দৰাবিলৰ ভূমি ১৫০ বিঘা নহয়, ৪০০ বিঘা ভূমি বহিৰাগত বণিয়াক গতাব বুলি খবৰ পোৱা গৈছে। তেওঁ কয়, গো-চৰণীয়া পথাৰ, গো-পালকৰ বাবে আৰু দৰাবিল মৎস্যজীৱী লোকৰ বাবেহে। কোনো কলিকতীয়া বহিৰাগত বণিয়াৰ নহয়। আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি লক্ষ্য ৰাখি দৰাবিলক যিকোনো প্ৰকাৰে হ'লেও সুৰক্ষা দিবই লাগিব। অন্যথা ঘৰতেই অঘৰী হ'ব লাগিব। শেহতীয়াভাৱে ৰাণী উন্নয়ন খণ্ড স্থানান্তৰ নোহোৱা বিষয়ত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু বিধায়ক হেমাংগ ঠাকুৰীয়াই ৰাইজক আশ্বাস দিছিল যদিও তেওঁলোকৰ কথা চৰকাৰে নুশুনিলে বুলি বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু হেমাংগ ঠাকুৰীয়াক কটাক্ষ কৰে। পঞ্চায়ত নিৰ্বাচনত বিজেপিক পৰাভূত কৰিব নোৱাৰিলে আমাৰ সম্পদবোৰ বিজেপিয়ে বিক্ৰী কৰি আমাক দেউলীয়া কৰিব বুলি উল্লেখ কৰে দীনেশ দাসে। সভাত পৰিৱেশকৰ্মী তথা বন্যবন্ধুৰ সম্পাদক প্ৰসন্ন কলিতাই দৰাবিলৰ সুৰক্ষাৰ বাবে ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে কয়। তেওঁ কয়, জৈৱ-বৈচিত্ৰ্যৰ এই সমাহাৰস্বৰূপ দৰাবিল অঞ্চলটোৰ এটি হৃদপিণ্ড। দৰাবিল আমাৰ পৰা কোম্পানীৰ হাতলৈ যোৱা মানেই আমাৰ ৰাইজৰ বিপদ অনিবাৰ্য। আনকি মৎস্যকুল, জীৱকুলৰ প্ৰতি আহিব প্ৰচণ্ড ভাবুকি। এই বিলখন ৰক্ষা কৰিবলৈ ৰাইজ নিশ্চিতভাৱে ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিব লাগিব। ইতিমধ্যেই তেওঁলোকে জিলা আয়ুক্তৰ হাতত এই বিলখন বহিৰাগত বণিয়াক গতোৱাৰ আপত্তিত স্মাৰক-পত্ৰ প্ৰদান কৰি আহিছে। বিভিন্ন পৰিৱেশকৰ্মী, সচেতন লোক, বুদ্ধিজীৱীৰ লগতো এই বিষয়ত কথা পাতি আহিছে বুলি উল্লেখ কৰে। এই সভাত লগতে কবি, সাহিত্যিক মইনা গোস্বামী, কবি-লেখক সুৰেশ কলিতা, সাংবাদিক-কবি মিলন মহন্ত, সচেতন লোক অমিয় দাস, কুমাৰ সম্প্ৰদায়ৰ হৈ জয়মতী কুমাৰী, নিজামুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক কনক দাস,শিক্ষক বিমল কলিতা,অবিনাশ কলিতা আদি বহুসংখ্যক লোকে ভাষণ প্ৰদান কৰি যিকোনো প্ৰকাৰে এই দৰাবিল চৰকাৰী হাতোৱাৰ পৰা বচাব লাগিবই বুলি কয়। ইয়াৰ বাবে ৰাইজ ঐক্যবদ্ধ হৈ যুঁজ দিব লাগিব। উল্লেখ যে প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ এই আৰ্দ্ৰভূমিৰ চৰকাৰী নথি মতে থকা গো-চৰণীয়া পথাৰৰ ১৫০ বিঘা ভূমি এডভান্টেজ আছাম ২.০ ৰ যোগেদি বিঘাই প্ৰতি ১ টকা দৰত কলিকতাৰ লজিষ্টিক কোম্পানীক হস্তান্তৰ কৰিব বিচাৰিছে চৰকাৰে। ফলত অঞ্চলটোৰ লোক, দল সংগঠনৰ লোকে ক্ষোভ প্ৰকাশ কৰে। লগতে বিধায়ক হেমাংগ ঠাকুৰীয়াক এই হঠাকাৰী সিদ্ধান্তৰ পৰা আঁতৰি থাকিবলৈ কয়। আনহাতে বিধায়ক হেমাংগ ঠাকুৰীয়াই সাংগোপাংগক লগত লৈ নিজ বক্তব্যৰে এই দৰাবিলত লজিষ্টিক পাৰ্ক হলে ৰামপুৰৰ ৰাইজৰ কোনো আপত্তি নাই বুলি কোৱা কথাত সভাই ক্ষোভ প্ৰকাশ কৰে। বিধায়ক হেমাংগ ঠাকুৰীয়াই এই কথাবোৰ ৰাইজৰ মাজত থাকি ক'ব পাৰিবনে বুলি প্ৰশ্ন তোলে কেইবাজনো লোকে। আজিৰ সভাত এই দৰাবিল সুৰক্ষাৰ ক্ষেত্ৰত যিকোনো সভা-সমিতি অনুষ্ঠিত কৰাৰ বাবে ১১ জনীয়া সদস্যসহ আৰু প্ৰায় অৰ্ধশতাধিক লোকক সামৰি এখন আহ্বায়ক সমিতিৰ গঠন কৰা হয়। লগতে ১৮ এপ্ৰিলত ৰামপুৰ খেলপথাৰত এই দৰাবিল বণিয়াক গতোৱাৰ বিৰোধিতাত এখন ৰাজহুৱা সভাৰো আয়োজন কৰিছে আহ্বায়কমণ্ডলীয়ে। আজিৰ সভাতে আৰ্দ্ৰভূমি দৰাবিলৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ত বন্যবন্ধুৰ হৈ প্ৰসন্ন কলিতা, দীপাংকৰ ঠাকুৰীয়া, মানৱ মেধি, জ্যোতিষ কুমাৰ দাস, কল্পজ্যোতি কলিতা, হিতেশ মালী, কিশোৰ নাথ, ভৱেশ দাস,পৰশমণি ৰাভা আৰু ঋষভ জৈনৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত এখনি গোহাৰি-পত্ৰ বিতৰণ কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## মুকলি ঠাইত জ্বলাব নোৱাৰিব জুই, কঠোৰ নিৰ্দেশ

# জেৰুজালেমত অব্যাহত জৰুৰী অৱস্থা

**জেৰুজালেম, ২ মে':** অৱশেষত নিয়ন্ত্ৰণলৈ আহিল জেৰুজালেমৰ ভয়ংকৰ দাবানল। ৩০ ঘণ্টাৰ যুঁজৰ পাছত ইউৰোপৰ পৰা সহায় অহাৰ লগে লগে ইজৰাইলৰ অগ্নি নিৰ্বাপণ বাহিনীয়ে জুই নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হোৱা বুলি প্ৰকাশ কৰিছে। বুধবাৰে চহৰখনৰ উপকণ্ঠৰ পাহাৰবোৰত জুই জ্বলিবলৈ আৰম্ভ কৰাৰ পাছত ৩,০০০ একৰ বনাঞ্চলকে ধৰি প্ৰায় ৫,০০০ একৰ মাটি ভস্মীভূত হৈছিল। প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে আন্তঃৰাষ্ট্ৰীয় সাহায্যৰ বাবে অনুৰোধ জনাই পৰিস্থিতিটোক ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা বুলি ঘোষণা কৰে। গ্ৰীচ, চাইপ্ৰাছ, ক্ৰোৱেছিয়া আৰু ইটালীৰ অগ্নিনিৰ্বাপক বিমানসমূহ এই অগ্নিকাণ্ডৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰেৰণ কৰা হৈছিল। জানিব পৰা মতে ইউক্ৰেইন, স্পেইন, ফ্ৰান্স আৰু আন বহু ৰাষ্ট্ৰও সাহায্য প্ৰেৰণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। জুইলগাৰ কাৰণ স্পষ্ট নহয় যদিও জুই লগোৱাৰ সন্দেহত ১৮ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইফালে বনজুই



নিয়ন্ত্ৰণৰ প্ৰচেষ্টা অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই ৭ মে'লৈকে মুকলি এলেকাত জুই জ্বলোৱাৰ ওপৰত দেশজুৰি নিষেধাজ্ঞা আৰোপ কৰিছে যাতে অধিক প্ৰাদুৰ্ভাৱ প্ৰতিহত কৰিব পাৰি। ইতিমধ্যে জুইৰ সংস্পৰ্শলৈ অহা প্ৰায় ১২ জন লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ২০১০ চনত উত্তৰ ইজৰাইলৰ মাউণ্ট কাৰমেলত চাৰি দিন ধৰি এক ভয়ংকৰ বনজুইৰ সূত্ৰপাত হৈছিল, যাৰ ফলত ৪৪ জন লোকৰ মৃত্যু হৈছিল আৰু প্ৰায় ১২,০০০ একৰ মাটি ধ্বংস হৈছিল, যাৰ বেছিভাগেই কাঠনি আছিল।



অসমৰ জাপিৰে সজাই তোলা হৈছে কেদাৰনাথ মন্দিৰৰ মূল দুৱাৰ, ফটো শুকুৰবাৰৰ

# চিলী-আৰ্জেণ্টিনাত ৭.৪ প্ৰাবল্যৰ ভূমিকম্পৰ পাছত ছুনামীৰ আশংকা

**ছাণ্টিয়াগ', ২ মে':** আজি ৭.৪ প্ৰাবল্যৰ এক শক্তিশালী ভূমিকম্পই কঁপাই গ'ল চিলী আৰু আৰ্জেণ্টিনাৰ দক্ষিণ উপকূল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ জিঅ'লজিকেল ছাৰ্ভেৰ এক বিবৃতিত প্ৰকাশ পাইছে এই তথ্য। স্থানীয় সময় অনুসৰি পুৱা ৯:৫৮ বজাত কেপ হৰ্ন আৰু এণ্টাৰ্কটিকাৰ মাজত মাত্ৰ ১০ কিলোমিটাৰ গভীৰতাত ভূমিকম্পটো সংঘটিত হৈছিল আৰু তাৰ পাছত কেইবাটাও সৰু আফটাৰশ্বক হৈছিল। চিলিৰ কৰ্তৃপক্ষই দেশখনৰ দক্ষিণতম অঞ্চলসমূহৰ বাবে চুনামিৰ সতৰ্কতাও জাৰি কৰিছে বুলি জানিব পৰা গৈছে। চিলিৰ ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন আৰু সঁহাৰি সেৱাই প্ৰকাশ কৰিছে যে চুনামিৰ আশংকাৰ বাবে দেশৰ দক্ষিণ প্ৰান্তৰ মাগালানেছ অঞ্চলৰ উপকূলীয় অঞ্চলটো খালি কৰিব লাগিব। চিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়েল বৰিকে অঞ্চলটোৰ জনসাধাৰণক মাগালানেছ অঞ্চলৰ উপকূলীয় অঞ্চল খালি কৰিবলৈ আহ্বান জনায়।

# অমৰাৱতীৰ বিকাশৰ লক্ষ্যৰে ৫৮ হাজাৰ কোটি টকাৰ প্ৰকল্প মুকলি

**অমৰাৱতী, ২ মে':** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰ প্ৰদেশত ৰাজ্যখনৰ উন্নয়নৰ এক ঐতিহাসিক মুহূৰ্তত উপস্থিত থাকি অমৰাৱতীত ৫৮,০০০ কোটি টকাতকৈও অধিক মূল্যৰ একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে আৰু উদ্বোধন কৰে। তেওঁ অমৰাৱতীৰ বিধানসভা, সচিবালয়, উচ্চ ন্যায়ালয় আৰু ন্যায়িক আৱাসিক কোৱাৰ্টাৰ নিৰ্মাণকে ধৰি ৪৯,০০০ কোটি টকাৰ ৭৪ টা প্ৰকল্পৰ ভেটি স্থাপন কৰে। অন্ধ্ৰ প্ৰদেশৰ গ্ৰীণফিল্ড ৰাজধানী হিচাপে অমৰাৱতীৰ পুনৰ পৰিকল্পনাৰ নেতৃত্ব প্ৰথমবাৰৰ বাবে ২০১৪ চনত মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৰ চৰকাৰে আগবঢ়াইছিল। বিভাজনৰ সময়ত হায়দৰাবাদ তেলেংগানালৈ যোৱাৰ লগে লগে নাইডুৱে অমৰাৱতীক ভৱিষ্যতৰ ৰাজধানী হিচাপে প্ৰস্তাৱ কৰে, যি বিজয়ৱাড়া আৰু গুণ্টুৰৰ মাজত অৱস্থিত। দিনটোৰ আৰম্ভণিতে তেওঁ আনুষ্ঠানিকভাৱে কেৰালাৰ ভিজিঞ্জাম আন্তঃৰাষ্ট্ৰীয় সাগৰ বন্দৰ মুকলি কৰে, যিটো আনুমানিক ৮,৮৬৭ কোটি টকা ব্যয়েৰে সম্পূৰ্ণ কৰা হৈছে।

# দিল্লীত ধুমুহা-বৰষুণৰ ফলত ৪ জনৰ মৃত্যু

**নতুন দিল্লী, ২ মে':** প্ৰবল বৰষুণ আৰু ধুমুহা বতাহত বিপৰ্যস্ত ৰাজধানী দিল্লী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহ। বিগত ২৪ ঘন্টাত দিল্লী এনচিআৰত বতৰৰ দুৰ্যোগৰ বাবে ৪জন লোকে প্ৰাণ হেৰুৱায়। বিমানসেৱা আৰু ৰে'লসেৱাতো ব্যাঘাত জন্মিছে। হথাতে হোৱা বানপানীৰ বাবে বহু পথ ৰুদ্ধ হৈ পৰে। উল্লেখ্য, আজি পুৱাই ৰাজধানীত ধুমুহা বতাহ বলিবলৈ আৰম্ভ কৰিছিল যি পিছলৈ প্ৰায় ঘূৰ্ণীৰ ৰূপ লয়। ধুমুহাৰ সৰ্বোচ্চ গতিবেগ আছিল প্ৰতি ঘণ্টাত ৭৮ কিলোমিটাৰ। আন অঞ্চলতো মুষলধাৰে বৰষুণ দি আছে। দিল্লীৰ দ্বাৰকাত প্ৰচণ্ড বতাহত এটা ঘৰ ভাঙি পৰে। ঘৰৰ ভিতৰত তিনিটা শিশু আৰু এগৰাকী মহিলা আছিল। চাৰিওজন লোকৰে মৃত্যু হয়। বৰষুণৰ ফলত বহু ৰাস্তা-ঘাট জলমগ্ন হৈ পৰিছে।

## মাংগালোৰত বজৰং দলৰ প্ৰাক্তন সদস্যক হত্যা

**মাংগালোৰ, ২ মে':** কালি নিশা কৰ্ণাটকৰ মাংগালুৰুত বজৰং দলৰ প্ৰাক্তন সদস্য সুহাশ শেঠীক হত্যা কৰা হয়। নিশা সুহাশ আৰু পাঁচজন সংগী এখন গাড়ীত গৈ থকাৰ সময়তে দুখন গাড়ীত ৫-৬জন আক্ৰমণকাৰীয়ে তেওঁলোকক আগভেটি ধৰে। সুহাশক তৰোৱাল আৰু চোকা অস্ত্ৰৰে আঘাত কৰি দলটোৱে পলায়ন কৰে। ঘটনাস্থলীৰ পৰা তেওঁক এ.জে. চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসাৰ সময়ত তেওঁৰ মৃত্যু হয়।

# ভাৰতত চাইবাৰ আক্ৰমণৰ চেষ্টা পাক হেকাৰৰ

**নতুন দিল্লী, ২ মে':** ভাৰতত চাইবাৰ আক্ৰমণৰ এক নিৰন্তৰ প্ৰচেষ্টা চলাই আছে পাকিস্তানে। পাকিস্তানৰ পৃষ্ঠপোষকতাত হেকাৰ কেইটামান গোটে বৃহস্পতিবাৰে ভাৰতীয় ৱেবছাইটসমূহ ব্ৰেক কৰাৰ কেইবাটাও প্ৰচেষ্টা বিফল হয়। এই হেকিং প্ৰচেষ্টাবোৰ ভাৰতীয় চাইবাৰ সুৰক্ষা সংস্থাৰ দ্বাৰা দ্ৰুততাৰে নিষ্ক্ৰিয় কৰা হৈছিল। এটা ঘটনাত 'চাইবাৰ গ্ৰুপ HOAX1337' আৰু 'নেচনেল চাইবাৰ ক্ৰু'কে ধৰি হেকাৰ গোটে জম্মুৰ আৰ্মি পাব্লিক স্কুলৰ ৱেবছাইটসমূহক লক্ষ্য কৰি লৈছিল, শেহতীয়া পহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ভুক্তভোগীসকলক উপহাস কৰি বাৰ্তাৰে তেওঁলোকক বিকৃত কৰাৰ চেষ্টা কৰিছিল। আন এটা চাইবাৰ আক্ৰমণত প্ৰাক্তন সৈনিকসকলৰ এটা ৱেবছাইট বিকৃত কৰিছিল হেকাৰে। আনহাতে আৰ্মি ইনষ্টিটিউট অব হোটেল মেনেজমেণ্ট আৰু ভাৰতীয় বায়ু সেনাৰ ৱেবছাইটো লক্ষ্য কৰি লোৱা হৈছিল। লগতে হেকা শিশু, বৃদ্ধ লোকসকলক টাৰ্গেট কৰিছে।

## নেইষ্টৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সুৰেন্দ্ৰ নাথ বৰাৰ মৃত্যু

**ই-সংবাদ, পশ্চিম যোৰহাট, ২ মে':** নেইষ্টৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, পৰ্বতীয়া গাঁও নিৱাসী সুৰেন্দ্ৰ নাথ বৰাৰ ৩০ এপ্ৰিলৰ পুৱা ৭.২০ বজাত যোৰহাট মিছন হাস্পতালত মৃত্যু হয়। শাৰীৰিক অসুস্থতাৰ বাবে পৰিয়ালৰ লোকে তেওঁক আগদিনা চিকিৎসালয়খনত ভৰ্তি কৰিছিল। ১৯৫২ চনৰ ৯ অক্টোবৰত জন্মগ্ৰহণ কৰা সুৰেন্দ্ৰ নাথ বৰাই শিক্ষা গ্ৰহণৰ পাছত ১৯৭৪ চনৰ ১৯ ছেপ্টেম্বৰত পূৰ্বৰ আঞ্চলিক গৱেষণাগাৰ বৰ্তমান উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান(নেইষ্ট)-ত যোগদান কৰি প্ৰতিষ্ঠানখনৰ পৰাই ২০১২ চনৰ ৩১ অক্টোবৰত অৱৰস গ্ৰহণ কৰে। তেওঁ গাঁওখনৰ নামঘৰৰ লগতে সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ সৈতেও জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ-বোৱাৰী, এগৰাকী নাতিৰ লগতে ককাই-ভাই, আত্মীয়-স্বজন, বহু শুভাকাংক্ষীক এৰি থৈ যায়।

## চেংেলীয়াঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চোৰৰ চাফাই অভিযান

ই-সংবাদ, দুনী ২ মে': দৰঙৰ ছিপাঝাৰ থানাৰ অন্তৰ্গত চেংেলীয়াঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বৃহস্পতিবাৰে নিশা চোৰে দৰ্জা খুলি বহু সামগ্ৰী চুৰি কৰি লৈ যায়। স্বাস্থ্য কেন্দ্ৰটোৰ বহু সামগ্ৰী চুৰি কৰি নিয়াৰ লগতে বহু সামগ্ৰী লণ্ড-ভণ্ড কৰে। জানিব পৰা মতে, স্বাস্থ্য কেন্দ্ৰটোৰ দক্ষিণ দিশৰ দৰ্জাৰ হুক খুলি চোৰ ভিতৰত প্ৰৱেশ কৰে আৰু কেন্দ্ৰটোৰ ভিতৰৰ পৰা সৌৰ শক্তিৰ বেটাৰী ৮ টা, ইনভাৰ্টেৰৰ বেটাৰীসহ ইনভাৰেটাৰ মেচিনটোৰ উপৰি লেৱৰেটৰীৰ ইউ পি এছ ২ টা চুৰি কৰি লৈ যায়। লগতে কেন্দ্ৰটোৰ ভিতৰত থকা সা-সামগ্ৰীসমূহ লণ্ড-ভণ্ড কৰে। পুৱা স্বাস্থ্য কেন্দ্ৰলৈ অহা স্বাস্থ্যকৰ্মীয়ে চুৰি কাৰ্যৰ বিষয়ে জানিব পাৰে। লগে লগে স্থানীয় ৰাইজক খবৰ দিয়াৰ লগতে স্বাস্থ্য কেন্দ্ৰটোৰ স্বাস্থ্য বিষয়াই বুঢ়া আৰক্ষী চকীক অৱগত কৰি ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰে। ঘটনাৰ খবৰ পাই বুঢ়া আৰক্ষী স্বাস্থ্য কেন্দ্ৰটোত উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে। উল্লেখ্য যে, ঘটনাৰ খবৰ পাই পাথৰিঘাট মহকুমা স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়াগৰাকীয়ে স্বাস্থ্য কেন্দ্ৰটোত উপস্থিত হৈ ঘটনাৰ বুজ লয়। পিছ পৰা অঞ্চল এটাৰ প্ৰায় ১২/১৫ খনমান গাঁৱৰ ৰাইজৰ চিকিৎসাৰ সম্বল স্বাস্থ্য কেন্দ্ৰটোত চিকিৎসাৰ সকলোখিনি সা-সামগ্ৰী উপলব্ধ হোৱাত ৰোগীসকলে সহজতে বিনামূলীয়াকৈ ৰোগৰ পৰীক্ষা-নিৰীক্ষা, ঔষধ-পাতি লাভ কৰি আহিছিল।

## নিৰ্বাচনী প্ৰচাৰতে জ্যেষ্ঠ কংগ্ৰেছী নেতাৰ বিজেপিত যোগদান

# বটদ্ৰৱাত অখিলক চোকা সমালোচনা বিধায়ক ৰূপক শৰ্মাৰ

**ই-সংবাদ, বেবেজীয়া, ২ মে':** অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামানদিনহে বাকী থকা অৱস্থাত সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো শাসকীয় বিজেপি দলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। ইয়াৰ অংশ হিচাপে বৃহস্পতিবাৰে নিশা জিলাখনৰ বটদ্ৰৱাত নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই নিৰ্বাচনী প্ৰচাৰ অভিযান চলায়। নৱগঠিত নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱাত কাছমাৰী জিলা পৰিষদৰ সদস্য পদৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰাঞ্জল দাস আৰু ৰাইদঙীয়া-বটদ্ৰৱা আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী স্মিতা বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহন কৰে বিধায়ক ৰূপক শৰ্মাই। সেই অনুসৰি বটদ্ৰৱাৰ সৰুহিছা মুকলি মঞ্চত অনুষ্ঠিত হোৱা নিৰ্বাচনী প্ৰচাৰ সভাখনত অংশগ্ৰহণ কৰি বিধায়কগৰাকীয়ে বটদ্ৰৱাৰ ভিন্ন অঞ্চলত বিগত সময়ত বিজেপি চৰকাৰে কৰা উন্নয়নমূলক কাম-কাজৰ খতিয়ান দাঙি ধৰে। তেওঁ ৰাইজৰ সৰ্বাংগীণ উন্নয়নৰ কাৰণে সমাগত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দি ৰাইজৰ সেৱা কৰিবলৈ সুবিধা দিবলৈ সকলোকে আহ্বান জনায়। পিছত বিধায়কগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে অখিল গগৈৰ জাতি মাটি ভেটিৰ লগত নাই। অখিল গগৈয়ে ধিং, লাহৰিঘাট, ৰূপহীৰ দৰে ঠাইতহে ৰাইজক শপত খুৱাব পাৰে। অখিল গগৈয়ে অসমীয়াৰ উন্নয়ন নিবিচাৰে। তেওঁ মাত্ৰ নিজৰ মুনাফাৰ বাবে কাম কৰে। অখিলে ব্লেক মেইলিং কৰি দুপইচা মুনাফাৰ বাবেহে ৰাজনীতি কৰে। লগতে বিধায়ক ৰূপক শৰ্মাই অসমৰ ৰাজনীতিত অখিলৰ দৰে ব্যক্তি থকাটো দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰে। কেইবাশতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা উক্ত সভাতে বটদ্ৰৱাৰ কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা যোগেন শইকীয়াই আনুষ্ঠানিকভাৱে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে।



শুৱালকুছিত মুখ্যমন্ত্ৰীৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ, ফটোঃ ই-সংবাদ, শুৱালকুছি

# গোৰেশ্বৰৰ অৱসৰী শিক্ষক সমাজকৰ্মী বিপিন ডেকাৰ পৰলোকপ্ৰাপ্তি

**ই-সংবাদ, গোৰেশ্বৰ, ২ মে':** গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মহৰিপাৰাৰ যোগী সত্যানন্দ ছোৱালী হাইস্কুলৰ অৱসৰী শিক্ষক, মহৰিপাৰা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা বাঁওপন্থী আন্দোলনৰ সক্ৰিয় কৰ্মী বিপিন ডেকাৰ (৬৬) কালি নিশা হৃদক্ৰিয়াত আক্ৰান্ত হৈ মৃত্যু হোৱা ঘটনাই এলেকাটোত গভীৰ শোকৰ ছাঁ পেলায়। জানিব পৰামতে দীৰ্ঘদিনৰ পৰা হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা অৱসৰী শিক্ষক ডেকাই ৰামছাঝাৰৰ নিজ ঘৰত কালি নিশা প্ৰস্ৰাৱাগাৰত অচেতন হয়। পৰিয়ালৰ লোকে ততাতৈয়াকৈ তেওঁক কিছু নিলগৰ নাওকাটা ক্ষুদ্ৰ চিকিৎসালয়লৈ লৈ যায়। তাত চিকিৎসকে পৰীক্ষা-নিৰীক্ষা কৰি হৃদক্ৰিয়াত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি প্ৰকাশ কৰে। তেওঁ স্থানীয় যোগী সত্যানন্দ ছোৱালী হাইস্কুলত শিক্ষকতাৰ উপৰি মহৰিপাৰা অঞ্চলৰ বিভিন্ন সামাজিক কামত জড়িত আছিল। বিশেষকৈ বাঁওপন্থী আন্দোলনৰ লগত একাণপটীয়াভাৱে জড়িত আছিল। আজি পুৱা তেওঁৰ নশ্বৰদেহ নিজ বাসভৱনৰ পৰা চি পি আই(এম)ৰ মহৰিপাৰা আঞ্চলিক কাৰ্যালয়লৈ অনা হয় আৰু তাত দলীয় ৰক্ত পতাকাৰে শেষ শ্ৰদ্ধা জনায় পাৰ্টিৰ ৰাজ্যিক সদস্য কৰুণা ভুঞা, জিলা কমিটীৰ সম্পাদক বাপু বড়ো, জিলা সদস্য ৰমেশ নাথ, ৰাজ্যিক সদস্য প্ৰবীণ দাস, জিলা সমিতিৰ সম্পাদকমণ্ডলীৰ সদস্য দ্বীজেন্দ্ৰ দেৱনাথ, শংকৰ চৌধুৰী, বুদ্ধি ডেকা, ৰবীন বড়ো, নিকুঞ্জ বড়ো, মহিলা নেত্ৰী মনোমতী ডেকা, আৰক্ষী ডেকা, ডি ৱাই এফ আইৰ জিলা সম্পাদক দ্বিজেন কুমাৰ ৰয়, কৰুণা ৰাজবংশী, আচান আলী, শ্ৰমিক ইউনিয়নৰ নেতা খগেন ডেকা, কৃষক নেতা গহীন বড়ো, নিৰ্মল ডেকা, দেখি কলিতা, সত্য বড়ো, উত্তৰ বেতনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কবীন বড়ো, পুব কামৰূপ জনতা হাইস্কুলৰ প্ৰধান শিক্ষক আতাউৰ ৰহমান, উত্তৰ বেতনা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন কলিতা, যোগী সত্যানন্দ ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মইনুল হকৰ লগতে শতাধিক পুৰুষ মহিলাই। ইয়াৰ পিছত নশ্বৰদেহ জ্যেষ্ঠ নাগৰিক সমিতিৰ মহৰিপাৰা আঞ্চলিক কাৰ্যালয় আৰু যোগী সত্যানন্দ ছোৱালী হাইস্কুললৈ লৈ যোৱা হয়। তাতো জ্যেষ্ঠ নাগৰিক আৰু বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী-ছাত্ৰীয়ে পুষ্পাঞ্জলি অৰ্পণেৰে শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ-বোৱাৰী-নাতি আৰু এজনী কন্যাক ইহসংসাৰত এৰি যায়।

## ১১ মে'ত বৰিমাখা আঞ্চলিক (শতদল শাখা) সাহিত্য সভাৰ অধিৱেশন

ই-সংবাদ, মুছলপুৰ, ২ মে': অসম সাহিত্য সভাৰ এটি উল্লেখযোগ্য শাখা বৰিমাখা আঞ্চলিক (শতদল শাখা) সাহিত্য সভাৰ ২৬ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি এইবেলি বাক্সাৰ আনন্দপুৰত অনুষ্ঠিত হ'ব। এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অহা ১১ মে'ত আনন্দপুৰস্থিত আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ কলামঞ্চত অনুষ্ঠিতব্য অধিৱেশনৰ বাবে ইতিমধ্যে গঠিত অভ্যৰ্থনা সমিতিয়ে প্ৰস্তুতি চলাইছে। কাৰ্যসূচী অনুসৰি ১১ মে'ত পুৱা ৯ বজাত বৰিমাখা আঞ্চলিক সাহিত্য সভাৰ সভাপতি উপেন চন্দ্ৰ দাসে অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰ পাচতে আৰম্ভ হ'ব দিনজোৰা কাৰ্যসূচী। দিনৰ ১২ বজাত অনুষ্ঠিত হ'ব মুকলি সভা। অসম সাহিত্য সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক নয়নমণি চৌধুৰীয়ে উদ্বোধন কৰিবলগীয়া উক্ত মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা, মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো। উল্লেখ্য যে এই সভাতে উন্মোচন হ'বলগীয়া বৰিমাখা আঞ্চলিক সাহিত্য সভাৰ মুখপত্ৰ 'মিলনজ্যোতি' উন্মোচন কৰিব বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত স্মৃতি তৰ্পণ, কবিতা আবৃত্তি প্ৰতিযোগিতা, সাধু কোৱা প্ৰতিযোগিতা আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। প্ৰতিটো কাৰ্যসূচী সফল ৰূপায়ণত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে বৰিমাখা আঞ্চলিক সাহিত্য সভাৰ সম্পাদক মনোহৰ ৰাজবংশীয়ে।



গোলকগঞ্জত মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ সভাত উপস্থিত লোকৰ একাংশ, ফটোঃ ই-সংবাদ, গোলকগঞ্জ

### বিজ্ঞান শাখাত এশ শতাংশ উত্তীৰ্ণ, কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

## উচ্চতৰ মাধ্যমিকত উজলিল তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়

**ই-সংবাদ, তামুলপুৰ, ২ মে':** সদ্য ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উজলিল তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকাই জনোৱা মতে বিদ্যালয়খনৰ পৰা এইবাৰ বিজ্ঞান শাখাত মুঠ ৬০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈ ৬০ গৰাকীয়ে উত্তীৰ্ণ হবলৈ সক্ষম হয়। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। ইয়াৰে ২০ গৰাকীয়ে প্ৰথম বিভাগ আৰু ৪০ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। কলা শাখাত অৱতীৰ্ণ মুঠ ২৭০ গৰাকী পৰীক্ষাৰ্থীৰ ২৫৯ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৯৫.৯ শতাংশ। ইয়াৰে ১০১ গৰাকী ছাত্ৰ-ছাত্ৰী প্ৰথম বিভাগ, ১২৯ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ২৯ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। আনপিনে, বিদ্যালয়খনৰ পৰা কাৰিকৰী শাখাত অৱতীৰ্ণ ২৯ গৰাকী পৰীক্ষাৰ্থীৰ ২১ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণহয়। উত্তীৰ্ণৰ হাৰ ৮০.৭৬ শতাংশ। ইয়াৰে দুগৰাকী প্ৰথম বিভাগ, ১২ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৭ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ পৰা বিজ্ঞান শাখাত এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাত আজি বিদ্যালয়খনত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বিদ্যালয়খনৰ পৰা প্ৰথম বিভাগত উত্তীণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক আজি বিদ্যালয়ৰ পৰা গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ পৰা কলা শাখাত নিকিতা দাস আৰু বিজ্ঞান শাখাত অংকুৰ শৰণীয়াই সৰ্বাধিক নম্বৰ লাভ কৰাত দুয়োকে বিদ্যালয়ৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে।

## বিধ্বস্ত বাঘমাৰা-শিমলীতোলা পাৰঘাটৰ বাঁহ-কাঠৰ দলং

**ই-সংবাদ, শিমলীতোলা, ২ মে':** যোৱা কিছু দিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত হঠাৎ বৃদ্ধি পাইছে জলজলী নদীৰ জলস্তৰ। যাৰ ফলত প্ৰায় আধা কিলোমিটাৰৰ অধিক দৈৰ্ঘ্য তুলুঙা নাৱেৰে বিপদসংকুল যাত্ৰা কৰিবলীয়া হৈছে চৰাঞ্চলৰ লক্ষাধিক লোকে। প্ৰবল বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ সুঁতি জলজলী নৈৰ বাঢ়নি পানীয়ে ইতিমধ্যে উটুৱাই নিছে বাঘমাৰা চৰ-শিমলীতোলা বজাৰ সংযোগী পথত থকা এখন বৃহৎ কাঠ-বাঁহৰ দলং। যাৰ ফলত চৰাঞ্চলৰ লক্ষাধিক লোকৰ যাতায়াত ব্যৱস্থা একেবাৰে ব্যাহত হৈ পৰাৰ লগতে বিপদসংকুল যাত্ৰাৰ কৰিবলগীয়া হৈছে ৰাইজে। ৰাইজৰ সহযোগত বাঘমাৰা-শিমলীতোলা পাৰঘাটত লেচীয়ে দিয়া কাঠ-বাঁহৰ দলংখন উটুৱাই নিয়াত নাৱেৰে পাৰাপাৰৰ ব্যৱস্থা কৰিছে যদিও অতি বিপজ্জনক হৈ পৰিছে যাতায়াত ব্যৱস্থা। এনেদৰে প্ৰায় ৬-৭ মাহ কাল বিপদসংকুলভাৱে নাৱেৰে যাতায়াত কৰিব লাগিব চৰাঞ্চলৰ লক্ষাধিক লোকে।

সাম্প্ৰতিকপৰিস্থিতিত চেঙা উন্নয়ন খণ্ডৰ কাৰ্যালয় বাঘমাৰা চৰত হোৱাৰ উপৰি চৰাঞ্চলত কেবাখনো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, থানা, মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়, বিভিন্ন স্কুল-কলেজলৈ যাতায়াত কৰাত ছাত্ৰ-ছাত্ৰী, ৰাইজে সমস্যাৰ সন্মুখীন হ'ব। আনহাতে, বাঘমাৰা সমবায় সমিতিয়ে প্ৰতিমাহে বৃহৎ পৰিমাণৰ চাউল নাওৰে নদী পাৰ কৰি আনোতে যথেষ্ট কষ্টৰ সন্মুখীন হোৱাৰ লগতে আৰ্থিক লোকচানৰ সন্মুখীন হ'ব। পূব গোৱালপাৰা আৰু দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ লাখ লাখ লোকে দৈনন্দিন জীৱনত প্ৰয়োজীয় কামৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট সময় অপচয় হোৱাৰ লগতে নিদিষ্ট সময়ত গন্তব্য স্থানত উপস্থিত হ'ব নোৱাৰিব। ইয়াৰ উপৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ৰোগী সময়মতেচিকিৎসালয় পোৱাৰ আগতেই মৃত্যুক আঁকোৱালি ল'ব লগা হ'ব। দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ ৰাইজৰ যাতায়াত ব্যৱস্থা অধিক সুনিশ্চিত কৰি তোলাৰ স্বাৰ্থত বাঘমাৰা-শিমলীতোলা সংযোগী জলজলী নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণৰ দীৰ্ঘদিনীয়া দাবী বাস্তৱায়িত কৰিবলৈ চৰকাৰক বিভিন্ন মহলে দাবী জনাই অহাৰ পিছতো ৰাইজৰ এনে ন্যায্য দাবীৰ প্ৰতি চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই বিগত সময়ছোৱাত কোনোধৰণৰ গুৰুত্ব আৰোপ নকৰাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজে চৰম হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছে। ভুক্তভোগী ৰাইজে শীঘ্ৰে বাঘমাৰা-শিমলীতোলা বজাৰ সংযোগ কৰি জলজলী নদীৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দাবী জনাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# শিৱসাগৰ জিলা সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ কাৰ্যনিৰ্বাহক সভা

**ই-সংবাদ, গেলেকী, ২ মে':** শিৱসাগৰ জিলা সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ কাৰ্যনিৰ্বাহক সভাখনি গড়গাঁৱৰ নৰশ্যাম মেচৰ বাসগৃহত অনুষ্ঠিত হয়। ৰামধেনু উপ-সমিতিৰ আহ্বায়ক দীতিমণি দত্তই উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতেই সভাখনিত সভাপতিত্ব কৰে উপ-সমিতিৰ কাৰ্যকৰী সভাপতি নৰশ্যাম মেচে। সভাত শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক মনোজ কুমাৰ গগৈ আৰু অসম সাহিত্য সভাৰ যুৱ সংসদৰ সদস্য মনোৰঞ্জন টায়ে উপস্থিত থাকি দিহা পৰামৰ্শ আগবঢ়ায়। শিৱসাগৰ জিলা সাহিত্য সভাৰ সহঃ সম্পাদক দেৱযানী শইকীয়া গগৈ আৰু ৰামধেনু উপ-সমিতিৰ উপ-সভাপতি সুৰেশ ভুঞাই উপ-সমিতিখনে কি কি আঁচনি গ্ৰহণ কৰি কেনেধৰণে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সেৱা আগবঢ়াব পৰা হ'ব এই সম্পৰ্কত মন্তব্য আগবঢ়ায়। অনাগত দিনত উপ-সমিতিৰ সৌজন্যত ৩৫ অনুৰ্ধসকলৰ কল্যাণকামী কেইবাটাও পদক্ষেপ গ্ৰহণ কৰাৰ সিদ্ধান্ত কৰা হয়। মুখ্যতঃ সুপ্ত-প্ৰতিভাসমূহ বিকাশ সাধনৰ বাবে পৰিৱেশ সৃষ্টি কৰা সম্পৰ্কত আলোচনা কৰা হয়। সাহিত্য-সমাজ-সাংস্কৃতিক আদি ক্ষেত্ৰত অহৰ্নিশে সেৱা আগবঢ়াই সুখী হোৱা উপ-সমিতিৰ বিষয়ববীয়াসকলৰ আনৰ বাবে কল্যাণকামী কৰ্ম কৰাৰ সদিচ্ছাই আশাৰ ৰেঙনিৰ সৃষ্টি কৰিছে বুলি জিলা সম্পাদক মনোজ কুমাৰ গগৈয়ে মন্তব্য কৰে আৰু কৰ্মত আগবাঢ়িবলৈ পৰামৰ্শ আগবঢ়ায়।

# ৰণদিয়া সাহিত্য সভাৰ 'সত্য অন্বেষণৰ দিন'

**ই-সংবাদ, ৰঙিয়া, ২ মে':** বৰ্তমান সমাজত নৱ প্ৰজন্মৰ প্ৰায় আশী শতাংশই ড্ৰাগছ নাইবা আন নিচাযুক্ত দ্ৰব্য সেৱন কৰি জাতীয় জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মজিয়াত নেতৃত্বত থাকি আমি অন্ততঃ তিনি চাৰি লাখ নৱ প্ৰজন্মৰ যুৱক-যুৱতীক এনে মাৰাত্মক ব্যধিৰ কবলৰ পৰা আঁতৰাই ৰাখিবলৈ সক্ষম হৈছো। লগে লগে এটি পৰিশীলিত জীৱন ধাৰণৰ লগতে মহাপুৰুষ শংকৰদেৱ গুৰুজনাৰ সাহিত্য-সংস্কৃতিৰ লগতে আদৰ্শ সমগ্ৰ অসমৰ উপৰি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ জৰিয়তে বিশ্বসভাত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত কায় মনোবাক্যে অহোপুৰুষাৰ্থ কৰি থকা হৈছে।- এই বক্তব্য ৰঙিয়াৰ বিশিষ্ট শিক্ষাবিদ তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰনাথ ডেকাৰ। ৰঙিয়াৰ ৰণদিয়া (শতদল) সাহিত্য সভাৰ উদ্যোগত বৃহস্পতিবাৰে সন্ধিয়া বিশিষ্ট শিক্ষাবিদ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভৱেন্দ্ৰনাথ ডেকাৰ ৮২ সংখ্যক জন্মদিনটো "সত্য অন্বেষণৰ দিন" হিচাপে উদযাপন কৰা হয়। ৰঙিয়াৰ ঐতিহ্যমণ্ডিত ৰাইজমেল কৃষক শ্বহীদ ভৱনত আয়োজিত অনুষ্ঠানটিত সংগীত শিল্পী নমিস্মিতা বৈশ্য মহন্তই পৰিৱেশন কৰা বৰগীতেৰে শুভাৰম্ভ কৰা হয়। সম্পাদক চৈয়দ মোস্তাফা আহমেদে আঁত ধৰা মনোজ্ঞ অনুষ্ঠানটি সঞ্চালনা কৰে সভাপতি পংকজ পল্লৱ শৰ্মাই। নিজৰ জন্মদিনত ৰণদিয়া (শতদল) সাহিত্য সভাৰ উদ্যোগত আয়োজিত এক অতি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জীৱন কালতে ৰাজহুৱাভাৱে জন্মদিন পালন কৰি তেখেতক শুভেচ্ছা জনোৱা কাৰ্যই তেখেতক সঞ্জীৱনী প্ৰদান কৰিছে বুলি উল্লেখ কৰি সাহিত্য সভাৰ অতি সক্ৰিয় শাখাটিৰ কৰ্মকৰ্তাসকলৰ কামৰ শলাগ লয় পদাধিকাৰ ডেকাই। ৰঙিয়াত সাহিত্য সভাৰ প্ৰতি ৰাইজৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰ বিগত কেইবা দশক ধৰি একপ্ৰকাৰ নিস্প্ৰভ হৈ যোৱাৰ পিছত সাহিত্য কৰ্মী তথা শাখাটিৰ প্ৰতিষ্ঠাপক সম্পাদক হেমন্ত কলিতাৰ নেতৃত্বত ইয়াক আকৌ গণমুখীকৰণত প্ৰভূতঃ বৰঙণি যোগোৱাৰ উপৰি ৰঙিয়া সাহিত্য চৰ্চাৰ পৰিৱেশ পুনৰুদ্ধাৰ কৰাত ৰণদিয়া (শতদল) সাহিত্য সভাৰ অন্যতম প্ৰতিষ্ঠাতা তথা সদ্য প্ৰাক্তন সভাপতি জয়ন্ত জিৎ কলিতা তথা বৰ্তমানৰ সভাপতি, সম্পাদক সহিতে কৰ্মকৰ্তাসকলৰ শলাগ লয় অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা পদাধিকাৰ ডেকাই। অনুষ্ঠানটিত গামোচা, চেলেং, ফুলাম জাপি, কিতাপৰ টোপোলা আৰু মানপত্ৰৰে অনুষ্ঠানটিৰ মধ্যমণি ভৱেন্দ্ৰনাথ ডেকাক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে ৰণদিয়া (শতদল) সাহিত্য সভাই। জোৎস্না ৰাজবংশীয়ে ভজন পৰিৱেশন কৰি পৰিৱেশটি অতি মনোৰম কৰি তোলে। সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰঙিয়া জিলাৰ মূলৰ সদস্য হৰেশ্বৰ ডেকা, ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজিৎ নাথ, বিশিষ্ট সাংস্কৃতিক কৰ্মী জ্যোতিৰ্ময় কলিতা, অসম লেখিকা সমাজৰ ৰঙিয়া জিলা সমিতিৰ সভানেত্ৰী সবিতা বৰ্মন মজুমদাৰ প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে শিক্ষাবিদ ভৱেন্দ্ৰনাথ ডেকাক জন্মদিনৰ শুভেচ্ছা জনাই তেখেতৰ বৰ্ণময় জীৱনৰ কিছু কথাৰে বক্তব্য ৰাখে। অসম সাহিত্য সভাৰ বিগত কাৰ্যকালৰ কেন্দ্ৰীয় আহ্বায়ক হেমন্ত কলিতাই ডেকাৰ দৰে এজন পুৰোধাৰ জন্মদিন পালন কৰি গুৰুবন্দনাৰে নৱ নিৰ্বাচিত সমিতিখনৰ প্ৰথমটো কাৰ্যসূচী ৰূপায়ণ কৰা হেতু ৰণদিয়া (শতদল) সাহিত্য সভাৰ শলাগ লয় আৰু নিজৰ শিক্ষাগুৰুজনক এনেকৈ ৰাজহুৱাভাৱে জন্মদিনৰ শুভেচ্ছা জনোৱাৰ লগতে আশীৰ্বাদ ল'বলৈ পাই নিজৰ জীৱন ধন্য হোৱা বুলি মন্তব্য আগবঢ়ায়। অনুষ্ঠানত আন এজন শংকৰদেৱ সংঘৰ কৰ্মকৰ্তা নাগেশ্বৰ দাসে ভৱেন্দ্ৰনাথ ডেকাৰ জীৱন কীৰ্তিৰ বিষয়ত স্বৰচিত কবিতা পাঠ আৰু বিশিষ্ট লেখিকা ৰুণুমী দত্ত ডেকাই ঘোষা গাই ডেকাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। ভাজপাৰ কৃষক মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি নিবাৰণ লহকৰেও গামোচা আৰু ফুলাম জাপিৰে পদাধিকাৰ ডেকাক জন্মদিনৰ শুভেচ্ছা জনাই আশিস লয়। নীলাভ প্ৰতীম কাশ্যপে পৰিৱেশন কৰা ভূপেন্দ্ৰ সংগীতে অভ্যাগতসকলক মনোৰঞ্জন দিয়ে। অনুষ্ঠানত ৰঙিয়া প্ৰেছ ক্লাবৰ তৰফৰ পৰা জ্যেষ্ঠ সাংবাদিক তাপস সমাদ্দাৰ, অংকুৰ কলিতা, ভাস্কৰ কলিতা, ৰঙিয়া মহাবিদ্যালয়ৰ তৰফৰ পৰা জ্যোতিষ ডাউকা, সাৰথি শান্তি নিৱাসৰ সঞ্চালক বিপুল কলিতা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ যতীন চন্দ্ৰ ডেকা, সাংবাদিক ফাৰুক হুছেইনক গামোচা আৰু বিভিন্ন সামগ্ৰীৰে জন্মদিনৰ ওলগ জনায়। জাতীয় সংগীতেৰে অনুষ্ঠানসূচীৰ সফল সামৰণি পৰে।

# অভয়াপুৰী সমজিলাত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি

**ই-সংবাদ, অভয়াপুৰী, ২ মে':** ৰাজ্যিক নিৰ্বাচন আয়োগে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা অনুসৰি বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাত দ্বিতীয় পৰ্যায়ত ২৮৪ টা ভোট গ্ৰহণ কেন্দ্ৰত ৭ মে' ত ভোট গ্ৰহণ অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। অভয়াপুৰীস্থিত জনসংযোগ বিভাগৰ এক প্ৰেছ বিবৃতিত উল্লেখ কৰা মতে, পঞ্চায়ত নিৰ্বাচনৰ বাবে অভয়াপুৰী সমজিলাত সৰ্বমুঠ ভোটাৰৰ সংখ্যা ২০৪৬২৬ গৰাকী। ইয়াৰ ভিতৰত ১০৫০২০ গৰাকী পুৰুষ, ৯৯৬০১ গৰাকী মহিলা আৰু অন্যান্য ভোটাৰ ৫ গৰাকী। সমজিলাখনত মুঠ চাৰিখন জিলা পৰিষদ আসনৰ ভিতৰত টাপাট্ৰাৰী, যোগীঘোপা, মাণিকপুৰ আৰু বইটামাৰী। টাপাট্ৰাৰী জিলা পৰিষদত সৰ্বমুঠ ৫৭৭৮৫ গৰাকী ভোটাৰৰ ভিতৰত ২৯৯৭৬ গৰাকী পুৰুষ আৰু ২৭৮০৯ গৰাকী মহিলা ভোটাৰ। যোগীঘোপা জিলা পৰিষদত সৰ্বমুঠ ৫২৩৪৪ গৰাকী ভোটাৰৰ ২৭১৪৮ গৰাকী পুৰুষ, ২৫১৯৩ গৰাকী মহিলা আৰু অন্যান্য ভোটাৰৰ সংখ্যা চাৰিগৰাকী। একেদৰে মাণিকপুৰ জিলা পৰিষদত সৰ্বমুঠ ৫২১২২ গৰাকী ভোটাৰৰ বিপৰীতে ২৬৪৪৬ গৰাকী পুৰুষ, ২৫৬৭৫ গৰাকী মহিলা আৰু অন্যান্য ভোটাৰ এগৰাকী। বইটামাৰী জিলা পৰিষদত সৰ্বমুঠ ৪২৩৭৫ গৰাকী ভোটাৰৰ ভিতৰত ২১৪৫১ গৰাকী পুৰুষ আৰু ২০৯২৫ গৰাকী মহিলা ভোটাৰ। টাপাট্ৰাৰী, বইটামাৰী আৰু যোগীঘোপা জিলা পৰিষদত ছটাকৈ গাঁও পঞ্চায়ত অন্তৰ্ভুক্ত হোৱাৰ লগতে মাণিকপুৰ জিলা পৰিষদত সাতটা গাঁও পঞ্চায়ত আছে। তেনেদৰে টাপাট্ৰাৰী, যোগীঘোপা আৰু বইটামাৰী জিলা পৰিষদত ৬০ টাকৈ ৱাৰ্ড অন্তৰ্ভুক্ত কৰাৰ লগতে মাণিকপুৰ জিলা পৰিষদত ৭০ টা ৱাৰ্ডক সামৰি লোৱা হৈছে। উল্লেখযোগ্য যে চাৰিটা জিলা পৰিষদৰ বাবে ১৪ গৰাকী প্ৰাৰ্থী, ২৫ টা আঞ্চলিক পঞ্চায়তৰ পদৰ বাবে ৬৮ গৰাকী আৰু ২৫০ টা গাঁও পঞ্চায়ত সদস্য পদৰ বাবে ৭১৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। পঞ্চায়ত নিৰ্বাচনৰ বাবে অভয়াপুৰী সমজিলাত মুঠ মুঠ ভোট গ্ৰহণ কেন্দ্ৰৰ সংখ্যা হৈছে ২৮৪ টা।



নলবাৰীত প্ৰচাৰত ব্যস্ত দিলীপ শইকীয়া, ফটো শুকুৰবাৰৰ

# অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজ হিতৈষী জয়নুৰ আহমেদৰ বিয়োগ

**ই-সংবাদ, নলবাৰী, ২ মে':** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কুন্দৰগাঁও নিবাসী তথা লাটিমা মজলীয়া বিদ্যালয় বৰ্তমান বিশ্বনাথ শৰ্মা মজলীয়া বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে ১৯৯৮ চনত চৰকাৰী নিয়ম অনুসৰি জয়নুৰ আহমেদে অৱসৰ গ্ৰহণ কৰে। আহমেদে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লগত জড়িত আছিল। তেওঁ কুন্দৰগাঁৰৰ বড়মছজিদৰ প্ৰাক্তন সভাপতি আছিল। তেওঁ এগৰাকী শান্ত আৰু অমায়িক স্বভাৱৰ ভাল শিক্ষক আছিল। ৰসাল কথাৰে ছাত্ৰ-ছাত্ৰীসকলক পঢ়াৰ প্ৰতি আকৃষ্ট কৰিব পাৰিছিল। সদা হাস্য বদনে থাকি ভাল পোৱা আহমেদে ৰসাল কথাৰে আন দহজনকো হহুঁৱাব পাৰিছিল। অধ্যয়নৰত সময়ত আনকি শিক্ষকতা কৰা সময়লৈকে তেওঁ খোলা নাটকত অভিনয় কৰি দৰ্শকক আমোদ দিব পাৰিছিল। তেওঁ এগৰাকী ভাল খেলুৱৈও আছিল। দীৰ্ঘদিন ধৰি তেওঁ মধুমেহ ৰোগত আক্ৰান্ত হৈ আছিল। দুদিনমান পূৰ্বে তেওঁ অসুস্থ অনুভৱ কৰাত পৰিয়ালৰ লোকে নলবাৰী মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰায় যদিও কলি নিশাৰ ভাগত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। মৃত্যুৰ সময়ত তেওঁ চাৰি পুত্ৰ-বোৱাৰী, তিনি গৰাকী বিবাহিতা কন্যাকে ধৰি নাতি-নাতিনীসহ যথেষ্ট সংখ্যক আত্মীয়ক এৰি থৈ যায়। তেওঁক গুৱাকুছি শাখা সাহিত্য সভাৰ লগতে বিভিন্নজনে শেষ শ্ৰদ্ধা নিবেদন কৰে। অজস্ৰ লোকৰ উপস্থিতিত ৰাজহুৱা কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।



মোমায়েকলৈ আদঁৰ! নিৰ্বাচনী প্ৰচাৰ সভাত এনেকৈয়ে বাট চাই ৰোৱা এগৰাকী ভাগিন

# হাতীচোং সঞ্জীৱনী সংস্কৃত টোলত শ্ৰীশ্ৰী দেৱদামোদৰ দেৱৰ তিৰোভাৱ তিথি

**নগাঁও, ২ মে':** নগাঁও জিলাৰ হাতীচোং মৌজাৰ চকলাঘাটৰ ক্ষেত্ৰীগাঁৱত অৱস্থিত হাতীচোং সঞ্জীৱনী সংস্কৃত টোল প্ৰাংগণত মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ নগাঁও জিলা সমিতিৰ উদ্যোগত ২৮ এপ্ৰিলত মহাপুৰুষ শ্ৰীশ্ৰী দেৱদামোদৰ দেৱৰ ৪২৭ সংখ্যক তিৰোভাৱ তিথিভাগ বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। এই উপলক্ষে পুৱা স্বচ্ছতা অভিযান, ধৰ্মধ্বজা উত্তোলন আৰু বন্তি প্ৰজ্বলনৰ পিছতে গছ পুলি ৰোপণ কাৰ্যসূচী সমাপন কৰা হয়। প্ৰবীণ পুৰোহিত মনোৰঞ্জন শৰ্মা আৰু প্ৰবীণ শিক্ষাবিদ ত্ৰৈলোক্য ভট্টাচাৰ্যই গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। দুপৰীয়া মাংগলিক অনুষ্ঠান, বন্তি প্ৰজ্বলন, নাম-প্ৰসংগ, প্ৰসাদ বিতৰণ আৰু আলোচনা সভা আদি হয়। হাতীচোং সঞ্জীৱনী সংস্কৃত টোল প্ৰাংগণত অৱস্থিত হাতীচোং কেন্দ্ৰীয় ব্ৰাহ্মণ সমাজৰ বিষ্ণু মন্দিৰত শ্ৰীমৎ দেৱদামোদৰ সংঘৰ নগাঁও জিলা সমিতিৰ সংঘাধিকাৰ তথা শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা সভাত জিলা সংঘাধিকৰ্তা, গো-মাতা সেৱা সমাজৰ ৰাজ্যিক উপ-সভাপতি তথা নাট্যকাৰ ৰাজু গোস্বামী, সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক তথা পূব হাতীচোং সন্মিলিত চ'ৰাৰ সম্পাদক সমীৰ হাজৰিকা আৰু জ্যেষ্ঠ পুৰোহিত মনোৰঞ্জন শৰ্মা আদিয়ে মহাপুৰুষ শ্ৰীশ্ৰী দেৱদামোদৰ দেৱৰ দৰ্শন সন্দৰ্ভত বক্তব্য ৰখাৰ লগতে শ্ৰীমৎ দেৱদামোদৰ সংঘৰ জিলাৰ সাংগঠনিক দিশৰ ওপৰত আলোচনা কৰে। আজিৰ অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী হৰি শৰ্মা, ৰঞ্জু শৰ্মা, অৰুণী শৰ্মা, বিপুল আগমাচাৰ্য, শিৱৰঞ্জন বৰুৱা, কনক কটকী, গীতা গোস্বামী, প্ৰশান্ত কুমাৰ শৰ্মা, পবিত্ৰ কটকী আৰু নিৰঞ্জন বৰা আদিৰ লগতে ভালেসংখ্যক ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকি সহায়-সহযোগিতা আগবঢ়ায়।

# মহানগৰীৰ ভিন্ন প্ৰান্তত বিশেষ অভিযান, ২৪ ঘণ্টাত নিৰুদ্দিষ্ট ৪ কিশোৰ-কিশোৰীক উদ্ধাৰ

## নুনমাটি আৰক্ষীৰ সফলতা, জালত পৰিল অপহৰণকাৰী

**ই-সংবাদ, ২ মে':** গুৱাহাটী আৰক্ষীয়ে সফল অভিযান চলাই গুৱাহাটীৰ পৰা নিৰুদ্দেশ হোৱা চাৰি নাবালকক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। ২৪ ঘণ্টাৰ ভিতৰত মহানগৰীৰ ভিন্ন প্ৰান্তৰ পৰা নিৰুদ্দেশ তথা অপহৰণৰ বলি চাৰিগৰাকী কিশোৰ-কিশোৰীক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে মহানগৰ আৰক্ষীয়ে। আমছিং যোৰাবাট, পাথৰকোৱেৰী আৰু পানীখাইতীৰ পৰা নিৰুদ্দেশ হোৱা কিশোৰ-কিশোৰীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আনহাতে বজালীৰ পৰা এগৰাকী কিশোৰীক নুনমাটি আৰক্ষীয়ে মঠঘৰীয়াৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। অপহৰণ কাণ্ডৰ সৈতে জড়িত দুই অপহৰকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে আৰক্ষী। অপহৰণকাৰী দুজন হৈছে হোজাইৰ ইদ্ৰিছ আলী আৰু আনজন অভিযুক্ত নাবালক। উল্লেখ্য যে সাতগাঁও আৰক্ষী থানাৰ অন্তৰ্গত আমছিং যোৰাবাটৰ এগৰাকী ১৫ বছৰীয়া ছাত্ৰী বুধবাৰে নিৰুদ্দেশ হয়। নিশা ইদ্ৰিছ আলী নামৰ যুৱকজনে প্ৰলোভন দি অপহৰণ কৰি নিয়াৰ সন্দেহ লাভ কৰে আৰক্ষীয়ে। পৰিয়ালে দাখিল কৰা এজাহাৰৰ ভিত্তিত সাতগাঁও আৰক্ষীয়ে ডিমাপুৰত অভিযান চলাই অপহৃত কিশোৰীগৰাকীক উদ্ধাৰ কৰাৰ লগতে ইদ্ৰিছ আলীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আনহাতে মহানগৰী পাথৰকোৱেৰীৰ পৰা সন্ধানহীন হোৱা অষ্টম শ্ৰেণীৰ ছাত্ৰজনক নুনমাটি আৰক্ষীয়ে কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পঢ়া-শুনাৰ ইচ্ছা নথকা বাবে ঘৰৰ পৰা পলাই লৈ যোৱা বুলি আৰক্ষীৰ আগত উল্লেখ কৰে। ইপিনে বুধবাৰে বজালীৰ পৰা সন্ধানহীন এগৰাকী কিশোৰীক নুনমাটি আৰক্ষীয়ে নুনমাটিৰ মঠঘৰীয়াৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। লগতে অপহৰণ কাণ্ডত জড়িত এজন কিশোৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি বজালী আৰক্ষীক গতাই দিয়ে। আনহাতে পানীখাইতীৰ পৰা বুধবাৰে সন্ধানহীন কিশোৰী তথা ছাত্ৰীক নগাঁৰৰ পৰা মহানগৰ আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পৰিয়ালৰ লগত হোৱা সংঘাতৰ বাবেই ঘৰৰ পৰা পলাই অহা বুলি আৰক্ষীৰ কয় ছাত্ৰজনে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# খাৰুপেটীয়া আজমল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলত কৃতী বিদ্যাৰ্থীক সম্বৰ্ধনা

**ই-সংবাদ, খাৰুপেটীয়া, ২ মে':** দৰং জিলাৰ খাৰুপেটীয়াত আজি সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২১১ গৰাকী কৃতী বিদ্যাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। সমগ্ৰ ৰাজ্যৰ লগতে দৰং জিলাৰ খাৰুপেটীয়া অঞ্চলতো শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা খাৰুপেটীয়া আজমল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ বিদ্যাৰ্থীয়ে সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফলাফলত দৰং জিলাৰ ভিতৰতে উৎকৃষ্ট ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। এশ শতাংশ উত্তীৰ্ণ হোৱা বিদ্যালয়খনৰ অধ্যক্ষ দেলোৱাৰ হুছেইন, খাৰুপেটীয়া মহাবিদ্যালয়ৰ আৰবী বিভাগৰ মুৰব্বী অধ্যাপক জাকিৰ হুছেইন, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু বিদ্যাৰ্থীসকলৰ উপস্থিতিত আজি আবেলি বিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ বিদ্যাৰ্থী কলক একোখন ফুলাম গামোচা, কলম, জাপি আদিৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে বিদ্যালয়খনৰ পৰা বাণিজ্য কলা আৰু বিজ্ঞান শাখাত মুঠ ২১১ গৰাকী পৰীক্ষাৰ্থীৰ এশ শতাংশই উত্তীৰ্ণ হয়। অসমীয়া বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হয় বিদ্যালয়খনৰ পৰা আব্দুল আওৱালে। বিদ্যালয়খনৰ পৰা সৰ্বোচ্চ নম্বৰ লাভ কৰে কলা শাখাৰ ছাত্ৰ চুলতান আহমেদে। উল্লেখ্য যে বিদ্যালয়খনৰ পৰা ১৫ গৰাকী পৰীক্ষাৰ্থীয়ে ডিষ্টিংছন লাভ কৰে। আজি বিদ্যালয় প্ৰাংগণতে অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত অতিথিসকলৰ লগতে অভিভাৱকসকলেও বিদ্যালয়খনৰ বিদ্যাৰ্থীৰ ফলাফলত খুবেই সন্তুষ্ট বুলি উল্লেখ কৰি শিক্ষাৰ্থীসকলৰ ভৱিষ্যত উজ্জ্বল কামনা কৰে।

# আজি পুলিবৰত ৰঙালী বিহু সন্মিলন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২ মে':** বৃহত্তৰ পশ্চিম যোৰহাট ৰঙালী বিহু সন্মিলন ৰাষ্ট্ৰীয় পথৰ কাষৰ পুলিবৰত কাইলৈ অনুষ্ঠিত হ'ব। পুৱা ৮ বজাত উদযাপন সমিতিৰ সভাপতি অঞ্জন দত্তই পতাকা উত্তোলন কৰাৰ পাছতে কাৰ্যকৰী সভাপতি সঞ্জীৱ (কাজু) বৰুৱাই স্মৃতি তৰ্পণ কৰিব। উক্ত স্থানতে হুঁচৰি প্ৰদৰ্শন কৰা হ'ব। প্ৰথম-সপ্তম শ্ৰেণীলৈ, অষ্টম-দ্বাদশ শ্ৰেণীলৈ দুটা শাখাত ৯.৩০ বজাৰ পৰা চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আগ্ৰহীসকলে বিহুস্থলীতে নামভৰ্তি কৰি প্ৰতিযোগিতাত যোগদান কৰিব পাৰিব। দিনৰ ১১ বজাৰ পৰা আমন্ত্ৰিত দলে হুঁচৰি প্ৰদৰ্শন কৰাৰ পাছতে সন্ধিয়া বন্তি প্ৰজ্বলন, সম্বৰ্ধনা অনুষ্ঠান আৰু প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব। তিতাবৰৰ ৰংমন হুঁচৰি দলে নিশাৰ সাংস্কৃতিক অনুষ্ঠান শুভাৰম্ভ কৰাৰ পাছতে সংগীত শিল্পী ৰিচা ভৰদ্বাজে গীত পৰিৱেশন কৰিব। ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# ৰঙিয়াত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান মন্ত্ৰী পীযুষ হাজৰিকাৰ

ই-সংবাদ, ৰঙিয়া, ২ মে': ৰঙিয়াত আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলায় মন্ত্ৰী পীযুষ হাজৰিকাই। পাণ্ডুৰী জিলা পৰিষদৰ প্ৰাৰ্থী নিপন ভূঞাৰ হৈ তৰণীস্থিত আৰিমত্ত মিনি ষ্টেডিয়ামত নিৰ্বাচনী সভা সম্বোধন কৰে মন্ত্ৰীগৰাকীয়ে। স্থানীয় বিধায়ক ভৱেশ কলিতাৰ উপস্থিতিত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী পীযুষ হাজৰিকাই কংগ্ৰেছ দলক ক্ষুৰধাৰ সমালোচনা কৰে। ভাষণ প্ৰসংগত কংগ্ৰেছ দলৰ নেতৃবৃন্দই ধনৰ বিনিময়ত টিকট দিয়া বুলি উল্লেখ কৰি আগন্তুক নিৰ্বাচনত বিজেপিৰ জয় নিশ্চিত বুলি কয়। কিন্তু কিমান বেছি ভোটত জয়লাভ কৰে সেয়া আমাৰ লক্ষ্য বুলিও দোহাৰে মন্ত্ৰী পীযুষ হাজৰিকাই। বিজেপি নেতা ৰাতুল শৰ্মা, প্ৰকাশ দাস, মহিলা মৰ্চাৰ নেত্ৰী পূৰবী ৰয় প্ৰমুখ্যে নেতৃবৃন্দই অংশগ্ৰহণ কৰা সভাখনত বিভিন্ন দলৰ পৰা ভালেসংখ্যক কৰ্মীয়ে আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে। প্ৰখৰ ৰ'দকো নেওচি ভিন্ন প্ৰান্তৰ পৰা সহস্ৰাধিক দলীয় নেতা-কৰ্মী তথা সমৰ্থকে সভাত অংশগ্ৰহণ কৰে। ইফালে, সভাৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি মন্ত্ৰী হাজৰিকাই কয় যে মই সমগ্ৰ অসমখন ঘূৰিছো, ফলাফল খুব ভাল হ'ব। বিজেপি-এজিপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সকলো ঠাইতে জিকিব। কিছু ঠাইত আমাৰ কৰ্মী কম যদিও কংগ্ৰেছ দলে টকাৰ বিনিময়ত টিকট দিছে। টকাৰ বিনিময়ত টিকট দিয়াতো দুৰ্নীতি বুলি অভিহিত কৰি মন্ত্ৰী হাজৰিকাই কয় যে মানুহে এতিয়া বুজি উঠিছে। কংগ্ৰেছক যে ভোট দিব সন্দেহ আছে। গতিকে বিজেপি দলৰ জয় নিশ্চিত বুলিও উল্লেখ কৰে মন্ত্ৰী হাজৰিকাই। ইফালে, গৌৰৱ গগৈৰ



সন্তানৰ নাগৰিকত্ব সন্দৰ্ভত ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীৰ বক্তব্যৰ আঁত ধৰি সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী হাজৰিকাই কয় যে এইটো অত্যন্ত গুৰুত্বপূৰ্ণ কথা। আমাৰ হাতত যিখিনি তথ্য আছে গৌৰৱ গগৈ ডাঙৰীয়াৰ দুই সন্তান ব্ৰিটিছৰ নাগৰিক। এগৰাকী ছোৱালীয়ে জন্মসূত্ৰে ইংলেণ্ডৰ নাগৰিকত্ব গ্ৰহণ কৰাৰ বিপৰীতে আন এগৰাকীয়ে ভাৰতবৰ্ষৰ নাগৰিকত্ব ত্যাগ কৰি ব্ৰিটিছৰ নাগৰিকত্ব গ্ৰহণ কৰিছে। এয়া শুনিবলৈ পোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে ভাৰতৰ মূল বিৰোধী দলৰ উপ-দলপতিৰ ল'ৰা-ছোৱালী যদি বাল্য অৱস্থাত ভাৰবৰ্ষৰ নাগৰিকত্ব বাদ দিয়ে তেন্তে এইটো অতি দুঃখজনক বুলিও দোহাৰে মন্ত্ৰীগৰাকীয়ে।

# পশ্চিম যোৰহাট অঞ্চলৰ ২৭১ টা কেন্দ্ৰত ভোটদান প্ৰক্ৰিয়া সুকলমে সম্পন্ন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২ মে':** টীয়ক বিধানসভা সমষ্টিৰ যোৰহাট জিলা পৰিষদৰ ১ নং সৰুচৰাই-পৰ্বতীয়াত ১০ খন, ২ নং খঙীয়াত ৭ খন, ৩ নং চাৰিগাঁৱত ৫ খন, ৪ নং টীয়কত ৫ খনসহ মুঠ ২৭ খন পঞ্চায়তৰ ২৭০ টা কেন্দ্ৰত আজি ভোটদান প্ৰক্ৰিয়া সুকলমে সম্পন্ন হোৱাৰ লগতে যোৰহাট বিধানসভা সমষ্টিৰ উত্তৰ নামনি চৰাইবাহী গাঁও পঞ্চায়তৰ ১০ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান প্ৰক্ৰিয়া সুকলমে সম্পন্ন হয় যদিও নেফা গেটস্থিত ভোটগ্ৰহণ কেন্দ্ৰটোত বাতৰি যুগুত কৰাৰ পৰলৈকে ভোটদান প্ৰক্ৰিয়া হৈ আছে। উল্লেখ্য যে, উক্ত ভোটগ্ৰহণ কেন্দ্ৰটোৰ অধিক সংখ্যক ভোটাৰেই দৈনিক হাজিৰা-শ্ৰম কৰা লোক বাবে ভোটদান প্ৰক্ৰিয়া সম্পন্ন হ'বলৈ প্ৰায় আধা ঘণ্টা থকা সময়ত ভোটাৰসকল কেন্দ্ৰটোত উপস্থিত হোৱাৰ বাবেই ভোটগ্ৰহণ প্ৰক্ৰিয়াত বিলম্ব হোৱা বুলি জানিব পৰা গৈছে। অঞ্চলটোত ভোটদানৰ হাৰ ৭৫ শতাংশ।

# দুমুনিচকীত শ্ৰমিক দিৱসত বি আৰ ডি কাৰ্যালয় মুকলি

**ই-সংবাদ, দুমুনিচকী, ২ মে':** দৰং জিলাৰ দুমুনিচকীত শ্ৰমিক দিৱসৰ লগত সংগতি ৰাখি কালি কুৰুৱাৰ বি আৰ ডি নামৰ বেচৰকাৰী সংস্থাই অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰক সমিতিৰ জৰিয়তে ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰক সমিতি(এন এ চি অ)ৰ টি আই প্ৰকল্প "আৰোগ্য"ৰ আঁচনিৰ অন্তৰ্গত এটা স্থায়ী কাৰ্যালয়ৰ শুভ উদ্বোধন কৰা হয়। কাৰ্যালয়ৰ দ্বাৰ মুকলি কৰে কুৰুৱা গাঁৱৰ গাঁও প্ৰধান দুলাল চন্দ্ৰ মেধিয়ে। উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে চিকিৎসা কৰ্মী প্ৰদীপ চন্দ্ৰ গোস্বামীয়ে। একেদৰে উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ডাঃ সমৰ জ্যোতি শইকীয়া, শশীন্দ্ৰ দাস প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তি। অনুষ্ঠানত উপস্থিত থকা "পোহৰ" এনজি অ'ৰ সভাপতি আব্দুল মতিন, সহঃ সম্পাদক ইন্তাজ আলী, মেৰাজুল হক প্ৰমুখ্যে স্থানীয় ব্যক্তিসকলৰ সহযোগিতাই সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত দুই প্ৰাৰ্থীৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা

**ই-সংবাদ, পশ্চিম দৰং, ২ মে':** দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তখন কংগ্ৰেছৰ ভোট বেংক হিচাপে চিহ্নিত হোৱাৰ পাছত এইবেলি গাঁও পঞ্চায়তখন বিজেপিৰ দখললৈ নিয়াৰ বাবে পঞ্চায়তখনত গেৰুৱা দলটোৱে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। উল্লিখিত গাঁও পঞ্চায়তখনত সংখ্যালঘু সম্প্ৰদায়ৰ ভোটাৰসকলে প্ৰাৰ্থীৰ জয়-পৰাজয়ত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি অহাত এইবেলি বিজেপিয়ে সংখ্যালঘু সম্প্ৰদায়ৰ মোস্তাক হুছেইন নামৰ এজন যুৱ সমাজকৰ্মীক প্ৰাৰ্থিত্ব দি আঞ্চলিক পঞ্চায়তৰ আসনখন গেৰুৱা দলৰ হাতলৈ নিয়াৰ বাবে কৌশলী ৰাজনৈতিক পন্থা গ্ৰহণ কৰা বুলি চৰ্চা হৈছে। ইতিমধ্যে গাঁও পঞ্চায়তখনৰ সংখ্যালঘু লোক থকা ঠাইত স্থানীয় বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী মোস্তাক হুছেইনৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। ইফালে, বিজেপি মিত্ৰজোঁটৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী মোস্তাক হুছেইনেও সমৰ্থকসকলক লগত লৈ ভোটাৰ ৰাইজৰ ঘৰে ঘৰে গৈ নিজৰ প্ৰচাৰ অব্যাহত ৰাখিছে। কিন্তু লক্ষণীয় কথাটো হ'ল যে পঞ্চায়তখনৰ বাঘমাৰাত বিজেপিৰ প্ৰচাৰ সভাত বিধায়কৰ হাতেৰে পদুমৰ টুপি পিন্ধাই দললৈ আদৰা একাংশ লোক কেইটামান দিনৰ পিছত উল্লিখিত গাঁওখনতে অনুষ্ঠিত হোৱা কংগ্ৰেছৰ এক প্ৰচাৰ সভাত উপস্থিত থকাৰ বিপৰীতে কোনোবাজনক সভাৰ হৰ্তাকৰ্তাৰ ৰূপতো দেখা পৰিলক্ষিত হোৱা বিষয়টোৱে বিশেষভাৱে চৰ্চা লাভ কৰিছে। আনহাতে, বিৰোধী কংগ্ৰেছে স্থানীয় মণ্ডল কংগ্ৰেছৰ সভাপতি তথা যুৱ সমাজ সংগঠক আহমদ আলীক উল্লিখিত গাঁও পঞ্চায়তখনৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী হিচাপে প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। প্ৰথম অৱস্থাত প্ৰাৰ্থীগৰাকীৰ প্ৰচাৰ মিত্ৰজোঁটৰ তুলনাত কিছু পৰিমাণে কম আছিল যদিও এতিয়া জোৰদাৰ হৈ পৰিছে আহমদ আলীৰ প্ৰচাৰ অভিযান। প্ৰাৰ্থীগৰাকীৰ হৈ বাঘমাৰাত অলপতে জিলা কংগ্ৰেছৰ নেতাসকলে নিৰ্বাচনী প্ৰচাৰ চলাই যোৱাৰ পিছত গৰম হৈ পৰিছে নিৰ্বাচনী বতাহ। তদুপৰি এক কৌশলী ৰাজনৈতিক পন্থা অৱলম্বন কৰি ডাঙৰ ডাঙৰ প্ৰচাৰ সভা অনুষ্ঠিত নকৰি ভোটাৰৰ ঘৰে ঘৰে গৈ গোহাৰি পত্ৰ হাতত দি কৰযোৰে সমৰ্থন, মৰম বিচাৰি নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে প্ৰাৰ্থীগৰাকীয়ে। জানিব পৰা মতে, পঞ্চায়তখনৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী বিজেপি মিত্ৰজোঁটৰ মোস্তাক হুছেইন আৰু কংগ্ৰেছৰ আহমদ আলী দুয়োগৰাকী যুৱক অঞ্চলটোৰ সকলোৰে লগত চিনাকি থকা প্ৰাৰ্থী হোৱাত নিৰ্বাচনী ভোট যুদ্ধ আকৰ্ষণীয় হৈ পৰাৰ সম্ভাৱনাই দেখা দিছে।

# অসমত বিজেপি মিত্ৰজোঁটে ৭০-৭৫% শতাংশ জিলা পৰিষদ জিকিব

**ই-সংবাদ, বৰপেটাৰোড, ২ মে':** প্ৰথম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ শেষ হোৱাৰ পিছতেই নামনিত গৰম হৈ পৰিছে পঞ্চয়ত নিৰ্বাচনৰ বতাহ। শাসক-বিৰোধী নামি পৰিছে নিৰ্বাচনী প্ৰচাৰত। বৰপেটাৰোডৰ সমীপৰ সংখ্যালঘু প্ৰধান এলেকা কাটাঝাৰ দুমনিত বগৰীগুৰি জিলা পৰিষদৰ এক নিৰ্বাচনী সভাত পাঁচ সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত হৈ কয় যে বৰ্তমান মুছলমানসকল বিজেপিৰ প্ৰতি আকৃষ্ট হৈছে, কাৰণ নৰেন্দ্ৰ মোদী, সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আজিলৈকে কোনো এখন মুছলমান গাঁৱত সংঘৰ্ষ হোৱা নাই। কোনো মুছলমান হত্যাৰ বলি হোৱা নাই, কোনো এখন মুছলমান গাঁৱত অগ্নি সংযোগৰ ঘটনা সংঘটিত হোৱা নাই। নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আজিলৈকে মুছলমান হত্যা, ঘৰ জ্বলোৱাতো দূৰৰ কথা মুছলমানৰ নোম এডালো লৰাব পৰা নাই আৰু এয়াই বিজেপি বুলি বৰপেটাৰোডৰ সমীপৰ বগৰীগুৰি গাঁও পঞ্চায়তৰ নিৰ্বাচনী প্ৰচাৰ সভাৰ অন্তত সংবাদ মাধ্যমৰ আগত মন্ত্ৰী দাসে মন্তব্য কৰে। তেওঁ কয় যে মুছলমান মানুহৰ ঘৰ জ্বলিছিল কংগ্ৰেছৰ দিনত। বিজেপিয়ে দিয়া আঁচনিৰ ক্ষেত্ৰত কেতিয়াও হিন্দু-মুছলমান চাই আঁচনি দিয়া হোৱা নাই। সকলোৱে সমানকৈ সুবিধা পাইছে, সেই কথা মুছলমানসকলে এতিয়া বুজি উঠিছে। যাৰ বাবে মুছলমানসকল বিজেপিৰ প্ৰতি আকৃষ্ট হৈছে। বিজেপি শাসন ক্ষমতাৰ বাবে নাহে, সেৱাৰ বাবেহে আহে বুলি কয় মন্ত্ৰী ৰঞ্জিত দাসে। আনহাতে, মন্ত্ৰী ৰঞ্জিত দাসে নিৰ্বাচনী সভাত কয় যে এইবাৰ সমগ্ৰ অসমত বিজেপি মিত্ৰজোঁটে ৭০-৭৫% শতাংশ জিলা পৰিষদ জিকিব। বৰপেটা জিলাত বিজেপি মিত্ৰজোঁটে জিলা পৰিষদ গঠন কৰিব বুলিও তেওঁ কয়। আনহাতে, মন্ত্ৰীগৰাকীক মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী পথটো কেতিয়া মেৰামতি কৰিব বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে ২০২৬ চনত তেওঁ বিজেপিৰ MLA হ'লেহে মেৰামতি কৰিব পাৰিব বুলি কয়। তেওঁ কয় যে ৰাইজে বেলেগক জয়ী কৰাই ভুল কৰিলে, যোৱা ৪ বছৰে ভুল কৰিলে। গতিকে আৰু এক বছৰ ধৈৰ্য্য ধৰিব লাগিব। পৰ্যটকসকল এতিয়াৰে পৰা সৰুপেটাহৈ মানাহলৈ যাব পাৰিব। এই পথেৰে পৰ্যটকসকলক আহিবলৈ বাধা দিছো কাৰণ পথটোৰ বাবে মোৰো বেয়া লাগে, কাৰণ মই যিহেতু পৰ্যটন মন্ত্ৰী।- মন্ত্ৰী ৰঞ্জিত দাসে কয়। বৰপেটাৰোড মানাহ সংযোগী পথটো ২৬ চনৰ পিছতহে নিৰ্মাণ কৰা হ'ব বুলি জনায় মন্ত্ৰীগৰাকীয়ে। তেওঁ লগতে কয় যে ক্ষুদ্ৰ খেতিয়কসকলে বজাৰত সামগ্ৰী বিক্ৰী কৰিবলৈ আহিলে ১ জুলাইৰ পৰা কোনো কৃষকে কোনো খাজনা দিব নালাগে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## নলবাৰীৰ জিলমিল হওঁক সকলোৰে আদৰ্শ

**ই-সংবাদ, নলবাৰী, ২ মে':** ভৱিষ্যতে এগৰাকী নিকা ভাবমূৰ্তিৰ ন্যায়াধীশ হোৱাৰ সপোন পুহি ৰখা এইগৰাকী ছাত্ৰী বহুজনৰ আদৰ্শস্বৰূপ। হয়, এইগৰাকী ছাত্ৰীৰ আছে বহু ঘাত-প্ৰতিঘাতেৰে পৰিপূৰ্ণ বেদনাদায়ক পৰিঘটনা । সৰ্বগুণসম্পন্না এইগৰাকী ছাত্ৰীৰ বিষয়ে জানিলে আপুনিও আপোনাৰ সন্তানক দিব পাৰিব সঠিক পথৰ সন্ধান। ভাল মানুহ হিচাপে গঢ়ি তুলিবলৈ অনুপ্ৰেৰণাৰ সমল বিচাৰি পাব। আহকচোন চমুকৈ জানি লওঁ ছাত্ৰীগৰাকীৰ অদম্য সাহসৰ ফলত নিজকে ক্ৰমান্বয়ে সফলতাৰ জখলাৰে কেনেকৈনো বগাই গৈ আছে উন্নতিৰ শিখৰলৈ। পঢ়ি চাওঁ আহক এই বিশেষ প্ৰতিবেদন। দুবছৰ দহমাহ পূৰ্বে অনাকাংক্ষিতভাৱে মাতৃহীনা হৈছিল ছাত্ৰীগৰাকী। আকস্মিকভাৱে দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ ছাত্ৰীগৰাকীক মমতাৰ আচলেৰে বা দি অহা সেই মমতাময়ী মাতৃ চিৰদিনৰ বাবে গুচি গৈছিল অজান দেশলৈ। হাইস্কুল শিক্ষান্ত পৰীক্ষালৈ মাত্ৰ কেইটামান মাহ থকা অৱস্থাত ঘৰখনলৈ নামি অহা ধুমুহাজাকে হেঁপাহৰ ঘৰখন তচনচ কৰিছিল যদিও চৈধ্য বছৰীয়া কিশোৰীগৰাকীয়ে বজ্ৰকঠিন হৃদয়েৰে পণ লৈছিল সেই ধুমুহাৰ মুখামুখি হ'বলৈ। প্ৰয়াত মাতৃৰ তিনি কন্যাৰ ভিতৰৰ কনিষ্ঠ কন্যাগৰাকীয়ে মাতৃৰ মুখাগ্নি কৰি প্ৰতিজ্ঞা কৰিছিল মাতৃয়ে তেওঁৰ মাজেৰে দেখা সপোন দিঠকলৈ ৰূপান্তৰিত কৰাৰ। সেইমতে নিজকে সাজু কৰা জিলমিল শৰ্মা নামৰ মেধাৱী ছাত্ৰীগৰাকীয়ে মাতৃ বিয়োগৰ কেইমানমাহ পিছত অৱতীৰ্ণ হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত নলবাৰীৰ এখন বিদ্যালয়ৰ পৰা আটাইকেইটা বিষয়তে লেটাৰ নম্বৰসহ প্ৰায় ৯০ শতাংশ নম্বৰেৰে উত্তীৰ্ণ হয়। বিগত দুটা বছৰতো একেই প্ৰত্যাহ্বান ছাত্ৰীগৰাকীৰ সন্মুখত। নিজৰ লগতে পৰিয়ালৰ সমস্ত কাম-কাজৰ বোজা। ইয়াৰ লগে লগে অধ্যয়নৰ তাগিদা। পূৰ্বৰ ৰিজাল্টৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ মানসিক চাপ আছিলেই। কিন্তু দৃঢ়মনা জিলমিলে হাঁহিমুখে সকলোখিনি গ্ৰহণ কৰিলে। দেখুৱাই দিবলৈ আপ্ৰাণ চেষ্টাত ব্ৰতী হ'ল যে লক্ষ্য যদি ঈগলৰ দৰে হয়, তেন্তে আকাশ স্পৰ্শ কৰাটো কঠিন নহয়। সেইমতেই প্ৰস্তুতি চলাই যোৱা মেধাৱী ছাত্ৰীগৰাকীয়ে কালি ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ কলা শাখাত আটাইকেইটা বিষয়তে লেটাৰ নম্বৰসহ প্ৰায় ৮৮ শতাংশ নম্বৰেৰে উত্তীৰ্ণ হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিৰোধীতকৈ চাৰ্কাছ পাৰ্টিয়েই ভাল,

বিৰোধী মিত্ৰজোঁট সন্দৰ্ভত এই মন্তব্য কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনী প্ৰচাৰৰ বাবে শুৱালকুছিৰ সেউজ বালিচৰত আৰু শিঙিমাৰীত অনুষ্ঠিত দুখনকৈ নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। নিজ সমষ্টি তথা বৰ্তমানৰ হাজো-শুৱালকুছি সমষ্টিৰ শুৱালকুছিত প্ৰথমখন সভাত হেলিকপ্টাৰেৰে আবেলি শুৱালকুছি বালিচৰত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰি হাজো-শুৱালকুছি সমষ্টিৰ ৰাইজক নিৰ্বাচনী ভাষণত তেওঁ পূৰ্বৰ উন্নয়ন খতিয়ান দাঙি ধৰি আগন্তুক দিনতো উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ পুনৰ বিজেপিক পঞ্চায়ত নিৰ্বাচনত ভোট দিবলৈ ৰাইজক আহ্বান জনায়। আনহাতে কাশ্মীৰৰ পেহেলগামৰ ঘটনাৰ বাবে এইবাৰ নিৰ্বাচনত দুখ প্ৰকাশ কৰি নাচ-গানৰ পৰা বিৰত আছে মুখ্যমন্ত্ৰীগৰাকী। সংবাদ মাধ্যমৰ আগত এই মন্তব্য মুখ্যমন্ত্ৰীৰ। বাংলাদেশৰ এগৰাকী প্ৰাক্তন সেনা বিষয়াই উত্তৰ-পূব ভাৰতৰ ৭ ৰাজ্য দখল কৰিব বুলি হুংকাৰ দিয়া সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া কৰি কয় যে বাংলাদেশৰ কোনো শক্তিয়েই নাই, এয়া একাংশ সংবাদ মাধ্যমৰ সৃষ্টিহে বুলি মন্তব্য কৰে। আনহাতে নলবাৰীত গৌৰৱ গগৈক ক'লা পতাকা প্ৰদৰ্শন সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ বিৰত থাকে মুখ্যমন্ত্ৰীগৰাকী। কাশ্মীৰৰ পেহেলগামৰ নৰসংহাৰৰ ঘটনাত গভীৰ দুখ প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত জড়িত এজনকো কোনোপধ্যে সাৰি যাব নিদিয়ে। পেহেলগাম কাণ্ডত পাকিস্তানক সমৰ্থন কৰা কোনো লোককে ৰেহাই দিয়া নহ'ব। ভাৰতৰ নিমখ খাই পাকিস্তানক সমৰ্থন কৰাসকলক কোবাই ঠেং ভাঙি দিয়া হ'ব বুলি মন্তব্য কৰাৰ লগতে আইনৰ মাজত থাকি যি কৰিব লাগে আমি সেয়া কৰিম বুলি মুখ্যমন্ত্ৰীয়ে সেইসকল লোকক সকীয়াই দিয়ে। আনহাতে দ্বিতীয়খন নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীয়ে শুৱালকুছিৰ পৰা পথেৰে যাত্ৰা কৰি পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয়খন প্ৰচাৰ সভাস্থলী শিঙিমাৰীত উপস্থিত হৈ দলীয় কৰ্মীসকলক উদ্দেশ্যি নিৰ্বাচনী বক্তব্য প্ৰদান কৰি তেওঁ ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত এখন কংগ্ৰেছমুক্ত পঞ্চায়ত গঠন কৰিবলৈ ভোটাৰক আহ্বান জনায়। সভাৰ অন্তত তেওঁ শান্তিপূৰ্ণভাৱে প্ৰথম পৰ্যায়ৰ নিৰ্বাচন সমাপ্ত হোৱাৰ লগতে প্ৰথম পৰ্যায়ত বিজেপি দলৰ ভাল ফলাফল হ'ব বুলি সংবাদ মাধ্যমত মন্তব্য কৰে। আনহাতে কংগ্ৰেছে জিলাই জিলাই মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে তৰা গোচৰ সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "মোৰ বিৰুদ্ধে গোচৰ দিলে কি হ'ব সেই গোচৰ তৰুণ গগৈলৈহে যাব। কাৰণ ৰাকেশ পালক তৰুণ গগৈয়েহে নিযুক্তি দিছিল" বুলি কয়। ইপিনে অখিল গগৈক মুখ্যমন্ত্ৰীয় জে'ললৈ পঠিওৱা সন্দৰ্ভতো প্ৰতিক্ৰিয়া কৰি কয়, "অখিল গগৈক মই এবাৰো জে'ললৈ পঠিওৱা নাই। মুখ্যমন্ত্ৰী হোৱাৰ পিছত তেওঁ ভিটামিনহে পাইছে, ভালদৰে চলি আছে। ৩৬০ বাৰ মই জে'ললৈ যাব লাগিলে আৰু ৫০ বছৰ বয়সলৈ মই জীয়াই থাকিব লাগিব। অখিল গগৈয়ে মোৰ দীৰ্ঘায়ু কামনা কৰিছে, মই তেওঁ ধন্যবাদ জনাইছোঁ" বুলিও মন্তব্য কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'মোদীৰ টকা খাই মোদীক গালি দিয়া

মিত্ৰজোঁটে বিভিন্ন সভা-সমিতিৰ জৰিয়তে বিৰোধী দলৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰি ভোটাৰক মোহিত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। মিত্ৰজোঁটৰ নেতা-নেত্ৰীসকলে প্ৰতিশ্ৰুতি দিছে যে পঞ্চায়তৰ তিনিওটা স্তৰতে জয়ী হৈ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক শক্তিশালী কৰাৰ দিশে কাম কৰি যাব। এই ক্ষেত্ৰতে আজি গোৱালপাৰা চহৰৰ মৰিয়ম নগৰত ৮ নং ভালুকডুবি জিলা পৰিষদৰ এন ডি এৰ প্ৰাৰ্থী আব্দুৰ ৰহিম জিব্ৰান আৰু স্মিতা নাথৰ সমৰ্থনত এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। সভাত অংশগ্ৰহণ কৰি অসম বিধানসভাৰ উপাধ্যক্ষ ড° নোমাল মোমিনে ভাষণ প্ৰদান কৰে। তেওঁ কয়, "মোদীৰ হাতত দেশ, মোদীৰ হাতত উন্নয়ন। মোদীৰ ঘৰত থাকি, মোদীৰ টকা খাই, মোদীৰ শৌচালয় ব্যৱহাৰ কৰি আকৌ মোদীকেই গালি দিয়া এটা শ্ৰেণী আছে। সঁচা অৰ্থত, এনেধৰণৰ অকৃতজ্ঞ মানুহক ঈশ্বৰে কেতিয়াও ক্ষমা নকৰে।" মোমিনে আশা প্ৰকাশ কৰে যে আগন্তুক '২৬ৰ নিৰ্বাচনত এন ডি এই অসমত পুনৰ চৰকাৰ গঠন কৰিব আৰু এশৰো অধিক আসনত জয়লাভ কৰিব। সভাত এন ডি এ প্ৰাৰ্থী ৰহিম জিব্ৰানৰ লগতে বিজেপি, অগপ দলৰ বহু নেতা-কৰ্মী উপস্থিত থাকে। সভাখনত প্ৰায় ৫০০ ৰো অধিক স্থানীয় ৰাইজ উপস্থিত থাকি তেওঁলোকৰ প্ৰাৰ্থীক সমৰ্থন জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দুৰ্নীতিত লুতুৰি-পুতুৰি প্ৰাক্তন পঞ্চায়ত

একেদৰে সমষ্টিৰ ২৪ খন গাঁও পঞ্চায়তৰ ২২ খন কংগ্ৰেছৰ দখলত, এখন অগপৰ আৰু এখন এআইইউডিএফৰ দখলত আছিল। তথ্য অনুসৰি পঞ্চায়তসমূহত ইমানেই দুৰ্নীতি হৈছে যে যমুনা আৰু বৰহাওৰ গাঁও পঞ্চায়তৰ সভাপতি জে'ললৈ যাবলগীয়া হৈছিল আৰু চৰকাৰী আৱাস কেলেংকাৰীত জড়িত থকাৰ অভিযোগত মোৰাঝাৰ আৰু জয়নগৰ পঞ্চায়তৰ জিপিচিৰ চাকৰিও গৈছিল। কেৱল ইমানেই নহয় খোদ বিন্নাকান্দি উন্নয়ন খণ্ডৰ বিষয়া শেফালী চক্ৰৱৰ্তীয়েও দুৰ্নীতি নিবাৰণ শাখাৰ হাতত গ্ৰেপ্তাৰ হৈছিল। তাৰ পাছতো প্ৰাক্তন জনপ্ৰতিনিধিসকল শাসনৰ গাদীৰ লোভ এৰিব পৰা নাই। এইবেলি ৩৩ নং জয়নগৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰুনা লায়লা নজৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আছে। এইবাৰো ৰুনাই পঞ্চায়তখনৰ ৯ নং ৱাৰ্ডত প্ৰতিদ্বন্দ্বিতা কৰিছে। মোৰাঝাৰ গাঁও পঞ্চায়তৰ সভাপতি হিফজুৰ ৰহমানে তেওঁৰ পত্নী ৰেজমিনা বেগমক ৫ নং ৱাৰ্ডত প্ৰতিদ্বন্দ্বিতাত নমাইছে। সমান্তৰালকৈ যমুনা গাঁও পঞ্চায়তৰ সভাপতি ময়নুল ইছলামে আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। জয়নগৰ গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য আইনুল হকে পুনৰ কংগ্ৰেছৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। একেদৰে অকচেকপথাৰ গাঁও পঞ্চায়তৰ ১নং ৱাৰ্ডত প্ৰাক্তন ৱাৰ্ড সদস্য আদিকুৰ ৰহমানে প্ৰতিদ্বন্দ্বিতা কৰিছে। আতিকুৰৰ বিৰুদ্ধে চৰকাৰী আৱাসৰ পৰা কমিচন লোৱাৰ অভিযোগ আছে। উল্লেখ্য যে দুৰ্নীতিৰ সীমা চেৰাই যোৱা চাৰিং পঞ্চায়তৰ নজমুল ইছলামে তেওঁৰ পত্নী নাজৰানাক ৭ নং ৱাৰ্ডত প্ৰতিদ্বন্দ্বিতাত নমাইছে। ইয়াকে লৈ ভোটাৰৰ মাজত তীব্ৰ অসন্তুষ্টিয়ে বিৰাজ কৰিছে। যাৰ ফলত চাৰিং পথাৰ, বুৰুঙাতলি আৰু অকচেকপথাৰ গাঁও পঞ্চায়তত দলীয় ৰাজনীতিৰ প্ৰতি অতিষ্ঠ হৈ নিৰ্দলীয় ৰূপে আঞ্চলিক পঞ্চায়তত অৱতীৰ্ণ হৈছে কেবাজনো লোক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শৰণাচাৰ্য

তথা ধৰ্মীয় কাম-কাজৰ সৈতে জড়িত কমল বৰাই নগাঁৰৰ দক্ষিণ অঞ্চলত সংঘৰ সাংগঠনিক দিশত ওতঃপ্ৰোতভাৱে জড়িত আছিল। কামপুৰ চাংচকী অঞ্চলৰ সৰবৰহী ব্যক্তি হিচাপে পৰিচিত কমল বৰাৰ মৃত্যুৰ বাতৰি পোৱাৰ পিছতে যথেষ্ট সংখ্যক গুণমুগ্ধ তেওঁৰ বাসগৃহত উপস্থিত হৈ নশ্বৰদেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। তদুপৰি সংঘৰ কামপুৰস্থিত কাৰ্যালয়লৈ তেওঁৰ নশ্বৰদেহ লৈ যোৱা হয় আৰু বৈষ্ণৱ বান্ধৱসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সমাজকৰ্মীগৰাকীৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কামপুৰ জিলা শাখাৰ সভাপতি মুনীন্দ্ৰ নাথ বৰা, সম্পাদক দীগেন বৰা, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, কামপুৰ উন্নতি সাধিনী সভা, নগাঁও জিলা আপকু ৰামধেনু গোষ্ঠী, আৰোহণ, আচপাচকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত শংকৰদেৱ সংঘৰ আজীৱন কৰ্মীগৰাকীয়ে দুই পুত্ৰসহ যথেষ্ট আত্মীয়-স্বজন ইহ সংসাৰত এৰি থৈ যায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৰাইদঙীয়াৰ সোণাইপৰীয়া ৰঙালী বিহু

বিহু উৎসৱৰ বৃহস্পতিবাৰে সফলতাৰে সামৰণি পৰে। এইমৰ্মে, স্থানীয় অঞ্চলজুৰি উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। প্ৰথম দিনা পুৱাৰ ভাগত এক উখল-মাখল পৰিবেশত পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে বন্তি প্ৰজ্বলনৰ অন্তত চিত্ৰাংকণ, কবিতা আবৃত্তি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ লগতে বিয়লি সাধুকোৱা আৰু ভেশচন প্ৰতিযোগিতা আৰু অসমভিত্তিক জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তদুপৰি সন্ধিয়া অনুষ্ঠিত কৰা হয় স্থানীয় আৰু আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। ঠিক সেইদৰে, দ্বিতীয় দিনা পুৱাৰ ভাগত ছাত্ৰ-ছাত্ৰী আৰু মহিলাৰ মাজত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰ লগতে বিয়লি পিঠা-পনা, উৰুলি, বিয়ানাম আৰু জাতীয় সাজপাৰ পৰিধান প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সন্ধিয়া বঁটা বিতৰণী অনুষ্ঠানত বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু কংগ্ৰেছ দলৰ কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে। নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিবলৈ বিভিন্ন প্ৰান্তৰ পৰা বহু লোকৰ সমাগম হয়। সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰে স্থানীয় বিধায়ক ৰূপক শৰ্মাই । ইয়াৰ পিছতে অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত শিৱসাগৰৰ প্ৰগতি বিহুৱা দলে আকৰ্ষণীয় বিহুনৃত্য প্ৰদৰ্শন কৰাৰ লগতে বেহাৰবাৰী আউট প'ষ্টৰ "ডম্বৰু" খ্যাত অভিনেতা ৰাজীৱ দুৱৰীয়ে কৌতুকানুষ্ঠান আৰু দহ বছৰীয়া কণমানি প্ৰতিভাৱান কাৰাটে খেলুৱৈ প্ৰজ্ঞাতজ্যোতি শইকীয়াই ক্ৰীড়াশৈলী প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আপ্লুত কৰিবলৈ সক্ষম হয় । ইয়াৰ পিছতে জনপ্ৰিয় কণ্ঠশিল্পী বিদিশা দেৱীয়ে গীতৰ শৰাই আগবঢ়ায়। প্ৰায় তিনি ঘণ্টাজুৰি পৰিৱেশন কৰা বিদিশাৰ সংগীতানুষ্ঠান দুপৰ নিশালৈকে বিহুপ্ৰেমী জনতাই উপভোগ কৰে। আনকি বহু অত্যুৎসাহী যুৱক-যুৱতীয়ে নাচি-বাগি গীতৰ সোৱাদ লোৱা দেখা যায়। ইফালে, সাংস্কৃতিক অনুষ্ঠানৰ পূৰ্বে সোণাইপৰীয়া ৰঙালী বিহু উৎসৱ উদযাপন সমিতিৰ তৰফৰ পৰা দ্বিতীয়বাৰৰ বাবে আগবঢ়োৱা 'সোণাইপৰীয়া জন হিতৈষী বঁটা' মানৱদৰদী সু-চিকিৎসক পি কে গৌতমক প্ৰদান কৰা হয়। উল্লেখ্য, কৰ্মসূত্ৰে নগাঁৱত বাস কৰা যোৰহাটৰ এইগৰাকী বিশেষজ্ঞ চকু চিকিৎসকে ২০১৬ চনৰ পৰা নিৰৱচ্ছিন্নভাৱে চিকিৎসা সেৱাত জড়িত হৈ আহিছে। বৰ্তমান তেওঁ মধ্য অসমৰ অন্যতম চকু চিকিৎসাৰ অগ্ৰণী প্ৰতিষ্ঠান নগাঁওস্থিত 'ব্ৰহ্মপুত্ৰ আই কেয়াৰ'ত কৰ্মৰত হৈ থকাৰ সমান্তৰালভাৱে দীৰ্ঘদিনৰে পৰা সমাজ-জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত থাকি নিজকে সমাজসেৱাত নিয়োজিত কৰি ৰাখিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মঙলদৈ সাহিত্য নগৰ সাহিত্য সভাৰ

ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে শাখাটোৱ কৰ্মকৰ্তাসকলে। ১৯৭৪ চনত অসম সাহিত্য সভাৰ মঙলদৈ অধিবেশন অনুষ্ঠিত হৈ যোৱাৰ পিছতে গঠন হোৱা শাখাটোৰ প্ৰতিষ্ঠাপক সভাপতি আছিল গীতিকাৰ, শিক্ষক প্ৰয়াত ফজলুল কৰিম, উপ-সভাপতি আছিল সাহিত্যিক প্ৰয়াত ইমৰান আলী দৰঙী আৰু সম্পাদক আছিল মনালিছা আৰু বলিদান নামৰ দুখন আলোচনীৰ সম্পাদক প্ৰয়াত ফুলেশ্বৰ দাস। এই স্বনামধন্য ব্যক্তিসকলৰ প্ৰচেষ্টাত গঢ়ি উঠা এই শাখাটোৱে ২০ আৰু ২১ ডিচেম্বৰত গৌৰৱোজ্জ্বল সোণালী জয়ন্তী উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উপলক্ষে আদৰণী সমিতি গঠনৰ বাবে বৃহস্পতিবাৰে মঙলদৈ শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সাহিত্য নগৰ সাহিত্য সভাৰ সভাপতি তমজিদ আলীৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে মহিলা সদস্যসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটো পৰিৱেশন কৰে। সভাত উদ্দেশ্যে ব্যাখ্যা কৰে শাখাৰ সম্পাদিকা মীৰা হাজৰিকাই। সভাত উপস্থিত থাকি অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, সাহিত্যাচাৰ্য ইদ্ৰিছ আলীয়ে সোণালী জয়ন্তীৰ সৰ্বতোপ্ৰকাৰ সফলতা কামনা কৰে। এই সভাতেই সাহিত্যিক ইদ্ৰিছ আলীৰ ৮৬ সংখ্যক ওপজা দিন পালন কৰা হয়। সভাত মাতৃভাষা ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আহ্বায়ক ৰাণা আলমে সাহিত্য নগৰ সাহিত্য সভাৰ ইতিবৃত্ত বিস্তাৰিতভাৱে ব্যাখ্যা কৰে। সভাত দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল ৰাজবংশীয়ে সাহিত্য সভাৰ দৰে সুশৃংখলাবদ্ধ অনুষ্ঠান ভাৰতবৰ্ষৰ ইতিহাসত বিৰল বুলি উল্লেখ কৰি এই মহান অনুষ্ঠানটোক আগবঢ়াই নিবলৈ যুৱ প্ৰজন্মক সাহিত্য সভাৰ সৈতে সংপৃক্ত কৰাৰ প্ৰয়োজন আছে বুলি কয়। তেওঁ লগতে দৰং জিলাৰ ঐতিহাসিক সমলবোৰ বিজড়িত কৰি গ্ৰন্থ প্ৰণয়ন কৰিলেহে এই অনুষ্ঠানে সাৰ্থকতা লাভ কৰিব বুলি কয়। সভাত দৰং জিলা সাহিত্য সভাৰ উপ-সভাপতি কুঞ্জলতা দেৱী, নৃপেন্দ্ৰ কুমাৰ ডেকা, অৰ্জুন দাস, হেমন্ত কুমাৰ তামুলী, আব্দুল খালেক, আব্দুল কাদিৰ আহমেদ, নৱাব নুৰুল ইছলাম, ড° নুৰ জামান, ড° আচমান আৰা বেগম, ভাৰতী দাস, চাজিদা বড়া আদিয়েও বক্তব্য ৰাখে। সভাত সৰ্বসন্মতিক্ৰমে অৱসৰী সহকাৰী অভিযন্তা তথা সমাজকৰ্মী নৃপেন্দ্ৰ কুমাৰ ডেকাক সভাপতি, মঙলদৈ শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপক হেমন্ত কুমাৰ তামুলীক কাৰ্যকৰী সভাপতি, কবি, সাহিত্যিক আব্দুল কাদিৰ আহমেদ আৰু সাংবাদিক আব্দুল খালেকক যুটীয়াভাৱে সম্পাদক, প্ৰণৱ চহৰীয়া আৰু গোলাপ আলীক সহকাৰী সম্পাদক হিচাপে লৈ এখন আদৰণী সমিতি গঠন কৰা হয়। তদুপৰি স্মৃতিগ্ৰন্থ, সাহিত্য, অভ্যৰ্থনা, খাদ্য, মঞ্চ আৰু তোৰণ, প্ৰচাৰ, সাংস্কৃতিক, পতাকা উত্তোলন আদি কেইবাখনো উপ-সমিতি গঠন কৰা হয়।

# বেবেজীয়া জুনিয়ৰ কলেজৰ ধাৰাবাহিক সফলতা

**ই-সংবাদ, বেবেজীয়া, ২ মে':** নগাঁও জিলাৰ বৃহত্তৰ বেবেজীয়া অঞ্চলৰ ব্যক্তিগত খণ্ডৰ অগ্ৰণী শিক্ষানুষ্ঠান বেবেজীয়া জুনিয়ৰ কলেজে বুধবাৰে ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এইবাৰো উন্নত ফলাফল দাঙি ধৰিবলৈ সক্ষম হৈছে। বিগত বৰ্ষবোৰৰ দৰে সফলতাৰ ধাৰা অব্যাহত ৰাখি এইবাৰো উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এই শিক্ষানুষ্ঠানখনৰ পৰা কলা শাখাত এশ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈ অঞ্চলবাসীক গৌৰান্বিত কৰি তুলিছে জানিব পৰা মতে, শিক্ষানুষ্ঠানখনৰ পৰা এইবাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা ৫৯ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত আটাইকেইগৰাকীয়েই সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। ঘোষিত ফলাফলত শিক্ষানুষ্ঠানখনৰ ১৩ গৰাকীয়ে প্ৰথম বিভাগত, ৩৮ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু ৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। ইয়াৰে উপাংকৰ দেৱনাথ, প্ৰণৱ কুমাৰ মেধী আৰু দীপাংক নাথে ষ্টাৰ নম্বৰ লাভ কৰিছে। তদুপৰি পাঁচজনে অসমীয়া বিষয়ত, চাৰিজনে তৰ্ক আৰু দৰ্শন বিষয়ত, দুজনে ৰাজনীতি বিজ্ঞান বিষয়ত, দুজনে শিক্ষা বিষয়ত আৰু এজনে ঐচ্ছিক হিন্দী বিষয়ত লেটাৰ নম্বৰ পাবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠানখনৰ এনে সফলতাত বৃহত্তৰ অঞ্চলজুৰি আনন্দৰ ঢল বোৱাৰ বিপৰীতে উৎফুল্লিত হৈ পৰা স্থানীয় ৰাইজ তথা অভিভাৱকসকলে অধ্যক্ষৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীক কৃতজ্ঞতা জনাইছে। অনাগত দিনত বিদ্যালয়খনে আৰু ভাল ফল কৰিব বুলি আশা কৰিছে স্থানীয় ৰাইজে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# তামাৰহাটৰ ভিন্ন প্ৰান্তত কংগ্ৰেছৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, তামাৰহাট, ২ মে':** অন্ত পৰিল প্ৰথম পৰ্যায়ৰ ভোটদান প্ৰক্ৰিয়া। ৭ মে'ত অনুষ্ঠিত হ'ব দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ দিন চমু অহাৰ লগে ৰাজনৈতিক দলবিলাকৰ প্ৰাৰ্থীৰ মাজত আৰম্ভ হৈছে ব্যাপক তৎপৰতা। ভোটাৰৰ ঘৰে ঘৰে গৈছে প্ৰাৰ্থী। হাতৰ ছবিত ভোট দিয়াৰ বাবে হাতে হাতে বিলাইছে বেলটৰ নমুনা। ঘৰে ঘৰে গৈ ভোটাৰৰ আশিস লোৱাৰ লগতে ভোট ভিক্ষা কৰিছে গৌৰীপুৰ বিধানসভা সমষ্টিৰ ডিংডিঙা গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী মনজুৰ আলমে। প্ৰায় ভোটাৰৰ চোতালত দেখা যায় প্ৰাৰ্থীক। ব্যতিক্ৰম নহয় তামাৰহাটৰ ডিংডিঙা গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী মনজুৰ আলম। নিজৰ সমৰ্থকক লগত লৈ সৰ্বাংগীণ উন্নয়ন আৰু ভোটাৰৰ সুখে-দুখে সহায়ৰ হাত আগবঢ়োৱা প্ৰতিশ্ৰুতিৰে ভোটাৰৰ চোতালে চোতালে যোৱা পৰিলক্ষিত হৈছে কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীক। ইতিমধ্যে ডিংডিঙা গাঁও পঞ্চায়ত এলেকাত কংগ্ৰেছৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীগৰাকী ভোটাৰৰ মাজত ব্যাপক চৰ্চা লাভ কৰিছে। উল্লেখ্য যে এইবেলি ডিংডিঙা আঞ্চলিক পঞ্চায়ত সদস্যৰ বাবে পাঁচগৰাকীকৈ প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ইয়াৰে কংগ্ৰেছ, বিজেপি, এ আই ইউ ডি এফ আৰু দুগৰাকীকৈ নিৰ্দলীয় প্ৰাৰ্থী নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ডিংডিঙা আঞ্চলিক পঞ্চায়তৰ মূল যুঁজখন কংগ্ৰেছ দলৰ প্ৰাৰ্থী মনজুৰ আলম আৰু নিৰ্দলীয় প্ৰাৰ্থী ছৈয়দ আলী শ্বেখৰ মাজত হ'ব বুলি ভোটাৰ ৰাইজৰ মাজত চৰ্চা আৰম্ভ হৈছে। পিছে কোনে শেষ হাঁহি মাৰে ইয়াৰ বাবে ১১ মে'লৈ অপেক্ষা কৰিব লাগিব।

# চামগুৰিত পুৰণিগুদাম জিলা পৰিষদৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক জিতু গোস্বামীৰ


**ই-সংবাদ, পুৰণিগুদাম, ২ মে':** ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই বঢ়মপুৰ সমষ্টি আৰু চামগুৰি সমষ্টিৰ প্ৰচাৰ অভিযান আকৰ্ষণীয় হৈ উঠিছে। বিশেষকৈ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত পুৰণিগুদাম জিলা পৰিষদৰ অধীনৰ চামগুৰি গাঁও পঞ্চায়ত, উদমাৰী গাঁও পঞ্চায়ত, ভেলেউগুৰি গাঁও পঞ্চায়ত, সুতাৰ খাটোৱাল গাঁও পঞ্চায়ত আৰু ভৰাগুৰি গাঁও পঞ্চায়তকে ধৰি বিভিন্ন পঞ্চায়তসমূহত ভাৰতীয় জনতা পাৰ্টি আৰু অসম গণ পৰিষদ তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলে সাংগঠনিক দিশ সবল কৰিবলৈ তৎপৰতা অব্যাহত ৰাখিছে। পুৰণিগুদাম জিলা পৰিষদৰ বিজেপি মিত্ৰদলৰ প্ৰাৰ্থী মিন্টু শৰ্মাই জিলা পৰিষদৰ অন্তৰ্গত পঞ্চায়তসমূহত প্ৰচাৰ কাৰ্য অব্যাহত ৰখা পৰিলক্ষিত হৈছে। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে পুৰণিগুদাম জিলা পৰিষদৰ প্ৰাৰ্থী মিন্টু শৰ্মাক বিপুল ভোটত জয় কৰাই নিবলৈ পঞ্চায়তসমূহত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে।যোৱা নিশা চামগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত চামগুৰি তিনিআলিৰ সমীপৰ এখন নিৰ্বাচনী সভাত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী আৰু কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত পুৰণিগুদাম জিলা পৰিষদৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মিন্টু শৰ্মা আৰু চামগুৰি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যৰ প্ৰাৰ্থী শ্যাম ৰাভাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি তথা যুৱ নেতা পাৰ্থপ্ৰতিম হাজৰিকা (মামু)ই আঁত ধৰা নিৰ্বাচনী সভাখনত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে কয় যে কংগ্ৰেছ দল এতিয়া দুৰন্ত নাও। তেওঁলোকে এইবাৰ পঞ্চায়ত নিৰ্বাচনত টিকট দিবলৈ মানুহ বিচাৰি পোৱা নাছিল। এইবাৰ পঞ্চায়ত নিৰ্বাচনত বঢ়মপুৰ সমষ্টিৰ তিনিটা জিলা পৰিষদ ভাৰতীয় জনতা পাৰ্টি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ লগতে বহুকেইটা পঞ্চায়তত আঞ্চলিক সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। পুৰণিগুদাম জিলা পৰিষদৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মিন্টু শৰ্মাক আপোনালোকে বিপুল ভোটত জয় লাভ কৰোৱাৰ লগতে চামগুৰি গাঁও পঞ্চায়তৰ শ্যাম ৰাভাক বিপুল ভোটত জয়লাভ কৰাব বুলি আশা কৰিলো। কাৰণ কেন্দ্ৰটো বিজেপি চৰকাৰ ৰাজ্যতো বিজেপি চৰকাৰ গতিকে পঞ্চায়তসমূহত বিজেপি মিত্ৰজোঁট প্ৰাৰ্থীসকল জয়লাভ কৰিলে ৰাইজৰ উন্নয়ন বেছি হ'ব বুলি বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। নিৰ্বাচনী সভাখনত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকি পুৰণিগুদাম জিলা পৰিষদৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মিন্টু শৰ্মা আৰু চামগুৰি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যৰ প্ৰাৰ্থী শ্যাম ৰাভাৰ হৈ ভোট বিচাৰে। সভাখনত কেইবাশতাধিক পুৰুষ-মহিলা উপস্থিত থাকে।

# মঙলদৈত আন্তঃমঙলদৈ ছাত্ৰ সন্থাৰ দ্বিবিংশতিতম অধিৱেশন

**ই-সংবাদ বিশেষ, মঙলদৈ, ২ মে' :** মঙলদৈ বাণিজ্য মহাবিদ্যালয়ৰ সভাগৃহত আজি আন্তঃমঙলদৈ ছাত্ৰ সন্থাৰ দ্বি-বিশংতিতম অধিৱেশনখন আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হয়। অসম আন্দোলনৰ উৎপত্তিস্থল তথা দৰং জিলা ছাত্ৰ সন্থাৰ সদৰ আঞ্চলিক আন্তঃমঙলদৈ ছাত্ৰ সন্থাৰ এই অধিৱেশনখনত প্ৰায় দুশ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। পুৱা ১০ বজাত মঙলদৈ মহাবিদ্যালয় আছু গোটৰ সভাপতি জয়ন্ত নাথ আৰু সম্পাদিকা ভিতালী দেৱীৰ পৰিচালনাত পুৱাৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ হয়। সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে সন্থাৰ সভাপতি কুমাৰ হৃষীকেশ নাৰায়ণ দেৱে। ১০.১৫ বজাত বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে শ্বহীদ তৰ্পণ কৰে সন্থাৰ সাধাৰণ সম্পাদক ৰিপন বৰুৱাই। কাৰ্যসূচীত অংশগ্ৰহণ কৰে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি জ্যোতিষ্মান কলিতা, মঙলদৈ বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি সাধাৰণ সম্পাদক ক্ৰমে চাণক্য শৰ্মা আৰু মৃণাল কুমাৰ ডেকাই। দিনৰ ১২ বজাত সন্থাৰ স্থায়ী সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভা মুকলি কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি তথা আন্তঃমঙলদৈ ছাত্ৰ সন্থাৰ উপদেষ্টা খনীন্দ্ৰ ৰাজবংশীয়ে। প্ৰতিনিধি সভাখনত জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু শৰ্মা আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য পৰাগ চহৰীয়াই সদৌ অসম ছাত্ৰ সন্থাৰ দৃষ্টিভংগীৰ বিষয়ে বক্তব্য ৰাখে। সম্পাদক ৰিপন বৰুৱাই বিগত বৰ্ষৰ প্ৰতিবেদন পাঠ কৰে আৰু জিলাৰ উপদেষ্টাদ্বয় পৰেশ চহৰীয়া আৰু বীৰেন কলিতাও উপস্থিত থাকি বক্তব্য ৰাখে। প্ৰতিনিধি সভাখনৰ আঁত ধৰে আন্তঃমঙলদৈ ছাত্ৰ সন্থাৰ উপদেষ্টা পাৰ্থজ্যোতি ডেকাই। দুপৰীয়া ২.৩০ বজাত অনুষ্ঠিত বিষয়-বাছনি সভাত পুৰণি সমিতিৰ হৈ সভাপতি হৃষীনাৰায়ণ দেৱে পদতাগ কৰে। জিলাৰ ছাত্ৰ সন্থাৰ হৈ শিক্ষা সম্পাদক চাজিচ আলম, কাৰ্যালয় সম্পাদক দীপাংকৰ কলিতা, কাৰ্যনিৰ্বাহক সদস্যদ্বয় পৰাগ হাজৰিকা আৰু নয়নমণি কলিতাৰ পৰ্যবেক্ষণত নতুন সমিতি গঠন বিষয়-বাছনি আৰু শপত গ্ৰহণ কাৰ্য ৰূপায়ণ হয়। বিষয় বাছনি সভাই পাৰ্থজ্যোতি ডেকা আৰু ৰিপণ বৰুৱা, কস্তুৰী শৰ্মা আৰু ৰূপৰেখা দেৱীক উপদেষ্টা, কুমাৰ হৃষীকেশ নাৰায়ণ দেৱক সভাপতি, চাণক্য শৰ্মা, মৃণাল কুমাৰ ডেকা, উপকূল শৰ্মা, নাৰ্গিছ চুলতানা আৰু কৌশিক বৰুৱাক উপ-সভাপতি, মঙলদৈ বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০২২-২৩ বৰ্ষৰ সাধাৰণ সম্পাদক কৃষেণজিৎ শৰ্মাক সাধাৰণ সম্পাদক, অভিনৱ শাণ্ডিল্য, চিৰঞ্জীৱ ডেকা, প্ৰাণজিৎ ডেকা, ভিতালী দেৱী আৰু ডিম্পী বেগমক সহকাৰী সাধাৰণ সম্পাদক, কুঁৱলী দেৱীক শিক্ষা সম্পাদক, পাপৰি ডেকাক সাংস্কৃতিক সম্পাদক, খুৰশ্বিদ জুনাইদ ৰহমানক বিত্ত সম্পাদক, মুন্না আহমেদক ক্ৰীড়া সম্পাদক, ৰিংকুমণি নাথক প্ৰচাৰ সম্পাদক, হৃদয়ানন্দ কলিতাক সাহিত্য সম্পাদক, কিশোৰ হাজৰিকাক তথ্য সম্পাদক, মানসপ্ৰতিম তালুকদাৰক মুখ্য সাংগঠনিক সম্পাদক, হিবজুল আলীক কাৰ্যালয় সম্পাদক সাংগঠনিক সম্পাদক হিচাপে মনোনীত কৰা হয়।

# ইংলেণ্ডত ক্ৰিকেট খেলত প্ৰৱেশ নিষিদ্ধ তৃতীয় লিংগৰ

**লণ্ডন, ২ মে':** ফুটবলৰ পিছত এইবাৰ মহিলা ক্ৰিকেটত তৃতীয় লিংগৰ খেলুৱৈক নিষিদ্ধ কৰাৰ দিশত আগবাঢ়িছে ইংলেণ্ড আৰু ৱেলছ ক্ৰিকেট ব'ৰ্ড। মাত্ৰ এদিন পূৰ্বে ফুটবল এছ'চিয়েশ্যনে ইংলেণ্ডত তৃতীয় লিংগৰ খেলুৱৈক মহিলা ফুটবল খেলত নিষেধাজ্ঞা আৰোপ কৰিছিল। এই ঘোষণাৰ মাত্ৰ ২৪ ঘণ্টাৰ ভিতৰতে দুটা শীৰ্ষ ক্ৰীড়া সংস্থাই ইটোৰ পিছত সিটোকৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰে। উল্লেখ্য যে, ১৫ এপ্ৰিলত ব্ৰিটেইনৰ উচ্চতম ন্যায়ালয়ে “জন্মত মহিলা”ৰ সংজ্ঞাৰ ওপৰত ৰায়দান কৰে। আদালতে কয় যে তৃতীয় লিংগ আৰু “প্ৰাকৃতিকভাৱে জন্ম হোৱা মহিলা”ৰ মাজত শাৰীৰিক পাৰ্থক্য আছে আৰু এই পাৰ্থক্যই ক্ৰীড়াৰ প্ৰতিযোগিতাৰ ভাৰসাম্য বিঘ্নিত কৰিব পাৰে। সেই ৰায়দানৰ পিছতেই ইচিবিয়ে এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰি তৃতীয় লিংগৰ বাবে পৃথক ক্ৰিকেট ঘোষণা কৰিছিল। তেওঁলোকে কয়, "যিসকল জন্মতে নাৰী হয়, তেওঁলোকেহে মহিলা ক্ৰিকেট খেলিব পাৰিব। তৃতীয় লিংগৰ সকলৰ বাবে এটা সুকীয়া গাঁথনি গঢ়ি তোলা হ'ব।" ইতিমধ্যে কাৰ্যকৰী হৈছে নতুন নিয়ম। মন কৰিবলগীয়া যে, কিছুদিন পূৰ্বে ফুটবল সন্থাইও একেধৰণৰ বাৰ্তা দিছিল। তেওঁলোকে কয়, “পূৰ্বতে আমাৰ নীতিত তৃতীয় লিংগক মহিলা দলত খেলিবলৈ অনুমতি দিয়া হৈছিল। কিন্তু সেয়া এতিয়া সম্ভৱ নহয়। জুন মাহৰ পৰা কাৰ্যকৰী হ'ব এই নীতি।” ইচিবিয়ে অৱশ্যে স্পষ্ট কৰি দিয়ে যে প্ৰতিযোগিতাৰ স্বচ্ছতা আৰু ভাৰসাম্য বজাই ৰাখিবলৈ এই সিদ্ধান্ত লোৱা হৈছে। তেওঁলোকে লগতে কয়, “আমি জানো যে এই সিদ্ধান্তই তৃতীয় লিংগৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব। অৱশ্যে এই পদক্ষেপটো খেলখনত ন্যায়পৰায়ণতা অনাৰ বাবে।' অৱশ্যে কোনো ধৰণৰ বৈষম্য সহ্য কৰা হোৱা নাই বুলিও তেওঁলোকে দাবী কৰে। ইফালে এই সিদ্ধান্তৰ বিৰোধিতাও আৰম্ভ হৈছে। ট্ৰেন্স অধিকাৰ কৰ্মী তথা ফুটবল বনাম ট্ৰেন্সফ'বিয়া গোটৰ সদস্য নাটালি ৱাশ্বিংটনে কয় যে, "বহু তৃতীয় লিংগৰ খেলুৱৈয়ে পুৰুষৰ দলত খেলি নিৰাপত্তাহীনতা অনুভৱ কৰে। এনে সিদ্ধান্ত তেওঁলোকক এই খেলৰ পৰা বাদ দিয়াৰ সমান।"



কানছাৰতীৰ ঘাটেৰে ধীৰে ধীৰে নামিছে বৰিষা, ফটোঃ সিদ্ধাৰ্থ চক্ৰৱৰ্তী




আইপিএল ২০২৫: চানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে উইকেট দখলৰ উল্লাস গুজৰাট টাইটানছৰ, শুকুৰবাৰে

## চেম্পিয়নছ ট্ৰফীত সঞ্জু চেমছনৰ অনুপস্থিতিক লৈ বিস্ফোৰক মন্তব্য

# প্ৰাক্তন পেচাৰ এছ্ শ্ৰীসান্তক ৩ বছৰৰ বাবে নিষিদ্ধ কৰিলে কেচিএয়ে

**কোচি, ২ মে':** চেম্পিয়নছ ট্ৰফীত সঞ্জু চেমছনৰ অনুপস্থিতিক লৈ বিস্ফোৰক মন্তব্যৰ বাবে ৩ বছৰৰ বাবে নিষিদ্ধ কৰা হ'ল প্ৰাক্তন ক্ৰিকেটাৰ এছ শ্ৰীসান্তক। কেৰালা ক্ৰিকেট সন্থাই তেওঁক নিষিদ্ধ কৰিছে। সন্থাই জনোৱা মতে, ৩০ এপ্ৰিলত কোচিত অনুষ্ঠিত হোৱা বিশেষ সাধাৰণ সভাত শ্ৰীসান্তৰ মন্তব্যক ভিত্তিহীন, মিছা আৰু অবমাননাকাৰক বুলি সিদ্ধান্ত লোৱা হয়। আৰু এনে মন্তব্যৰ বাবেই তিনি বছৰৰ বাবে তেওঁক ক্ৰিকেট সম্পৰ্কীয় সকলো কামৰ পৰা নিষেধাজ্ঞা আৰোপ কৰা হৈছে। বৰ্তমান শ্ৰীসান্ত কেৰেলা ঘৰুৱা লীগৰ কোল্লাম আৰিছ দলৰ সহ-মালিক। কিন্তু শেহতীয়াকৈ তেওঁ মালয়ালম টেলিভিছন চেনেলত হোৱা বিতৰ্কত কেএছএক পোনপটীয়াকৈ সঞ্জু চেমচনৰ অভিযোগ উত্থাপন কৰে। তেওঁ দাবী কৰে যে চেমচনক ইচ্ছাকৃতভাৱে দলত ৰখা হোৱা নাছিল। আনকি কেৰালাৰ আন প্ৰতিভাৱান ক্ৰিকেটাৰকো স্তব্ধ কৰা হৈছে বুলিও তেওঁ কয়।

এই বিতৰ্কিত মন্তব্যৰ পিছত কে এছ এয়ে তেওঁক কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰে। একে সময়তে কোল্লাম আৰু আলাপ্পুজা দলৰ ফ্ৰেঞ্চাইজিকো সকীয়াই দিয়া হয়। যদিও দুয়োটা দলে সন্তোষজনক উত্তৰ দিয়াৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ'ল, পিছলৈ কে এছ এয়ে দলসমূহক অধিক দায়িত্বশীল পৰিচালনা নিযুক্তি দিবলৈ পৰামৰ্শ দিয়ে। ইফালে কে এছ এয়ে ভুৱা অভিযোগ বিয়পোৱাৰ বাবে চেমচনৰ পিতৃ বিশ্বনাথ আৰু আন দুজন লোকৰ বিৰুদ্ধেও আইনী ব্যৱস্থা গ্ৰহণৰ পৰিকল্পনা কৰিছে। চেমচনৰ বিৰুদ্ধে ভিত্তিহীন আৰু মানহানিকাৰক অভিযোগ উত্থাপন কৰাৰ বাবে মানহানিৰ গোচৰ ৰুজু কৰিব বুলি কয়। উল্লেখ্য যে, চেমছনক বাদ দিয়াটোৱে কেৰালাত আৰম্ভণিৰে পৰাই বিতৰ্কৰ সৃষ্টি কৰি আহিছে। বিশেষকৈ ৰাষ্ট্ৰীয় দলৰ হৈ চেম্পিয়নছ ট্ৰফী দলত তেওঁৰ অনুপস্থিতিৰ বাবে কে এছ এৰ বিৰুদ্ধে ব্যাপক সমালোচনাৰ সৃষ্টি হৈছিল। এই প্ৰসংগত শ্ৰীসান্তৰ বক্তব্যই জুইত ঘি ঢালিছে এতিয়া।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি